REFERENCE,
(NOT FOR ISSUE)
READING ONLY INSIDE LIBRARY

# Assam

# Legislative Assembly Debates

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTION UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## AUGUST SESSION

## VOL. III
## NO. 8

The 13th August, 1986

सत्यमेव जयते

1990

PRINTED AT GUPTA PRINTERS, GUWAHATI-781006

( NOT FOR ISSUE )

READING ONLY INSIDE LIBRARY

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1986

## ( AUGUST SESSION )

## VOLUME—III

## NO—8

Dated, the 13th August, 1986

Contents | Page


| | | |
|---|---|---|
| 1. | Government Bills | 1—72 |
| 2. | Presentation of Report | 72 |
| 3. | Discussion Under Rule 50 | 73—110 |
| 4. | Matter Under Rule 49 | 110—117 |
| 5 | Announcement from the Chair | 117—123 |
| 6. | Adjournment | 124 |

Proceedings of the Third Session of the Assam Legislative Assembly assembled after the Eighth General Election under Sovereign Democratic Republican Constitution of India

The House met in the Assembly Chamber, Dispur, Guwahati On Wednesday, the 13th August, 1986 with the Hon'ble Speaker in the Chair, 15 (Fifteen) Ministers, 12 (Twelve) Ministers of State and 71 (Seventy one) Members present.

## Government Bills

Mr. Speaker : Now, item No.1 (a) Hon'ble Minister, Revenue to move.

Shri Binai Khungur Basumatary : Sir, this is a question hour. Sir, in the last Assembly session I had given 28 questions and out of these only 2 questions came. This time I had given 6 no. of questions and only one question had come. Will you kindly see this ?

Shri Holi Ram Terang : Mr. Speaker Sir, so many questions have been left undisposed, why no question hour to-day ?

(Noise)

Mr. Speaker : A statement will be placed on the table of the House. It will be recorded in the proceedings of the House. Now item No.1 (a) Hon'ble Minister, Revenue to move.

Shri Thaneswar Boro, (Minister) : Sir, I beg to move that the Assam Land Revenue Re-assessment (Amendment) Bill, 1986, be taken into consideration.

Mr. Speaker : The Motion is moved. Will anybody speak on the matter ?

(No response)

The Motion is that the Assam Land Revenue Re-assessment (Amendment) Bill, 1986, be taken into consideration.

The Motion is passed.

Now item No.1 (b). There is no amendment to Clause 2 of the Bill.

Clause 2 does form part of the Bill.

Clause 2 stands part of the Bill. Now I put Clause 1, preamble, enacting formula and short title of the Bill. Clause 1, preamble, enacting formula and short title of the Bill do form part of the Bill.

(The motion was adopted)

Now item No. 1 (c) Hon'ble Minister, Revenue to move :

Shri Thaneswar Boro, (Minister, Revenue) : Sir, I beg to move that the Assam Land Revenue Re-assessment (Amendment) Bill, 1986 be passed.

Mr. Speaker : The Motion is that the Assam Land Revenue Re-assessment (Amendment) Bill, 1986 be passed.

The Motion is passed. The Bill is passed.

Mr. Speaker : Now, item No. 2 (a) Hon'ble Minister, Revenue to move.

Shri Thaneswar Boro, (Minister, Revenue) : Sir, I beg to move that the Assam Urban Areas Rent Control (Amendment) Bill, 1986 be taken into consideration.

Mr. Speaker : The Motion is moved. Will anybody speak on the matter ? The Motion is that the Assam Urban Areas Rent Control (Amendment) Bill, 1936 be taken into consideration.

The Motion is passed

Now item No. 2 (b). There is no amendment to Clause 2 of the Bill.

Clause 2 does form part of the Bill.

Clause 2 stands part of the Bill. Now I put Clause 1, preamble, enacting formula and short title of the Bill. Clause 1, preamble, enacting formula and short title of the Bill do form part of the Bill.

(The motion was adopted)

Now item No. 2 (c) Hon'ble Minister, Revenue to move :

Shri Thaneswar Boro, (Minister, Revenue) : Sir, I beg to move that the Assam Urban Areas Rent Control (Amendment) Bill, 1986 be passed.

Mr Speaker : The Motion is that the Assam Urban Areas Rent Control (Amendment) Bill, 1986, be passed.

The Motion is passed. The Bill is passed.

Now Item No. 3 (a). Hon'ble Minister of State, Labour Shri Dipen Tanti to move :

Shri Dipen Tanti, (Minister) : Sir, I beg to move that the Assam Physically Handicapped Persons (Employment in Factories) Bill, 1986, be taken into consideration.

Mr. Speaker : The Motion is moved. Will anybody like to take part in the discussion ? Now I put the Motion. The Motion is

that the Assam Physically Handicapped Persons (Employment in Factories) Bill, 1986, be taken into consideration.

The Motion is passed.

Now, item no. 3 (b). There is no amendment to Clauses 2 to 8 of the Bill. Clause 2 to 8 do form part of the Bill. Clauses 2 to 8 do stand part of the Bill. There is an amendment to clause 9 of the Bill. Hon'ble Member, Shri Rameswar Dhanwar to move. Shri Rameswar Dhanwar is absent. So I put the question that Clause 9 do form part of the Bill. Clause 9 stands part of the Bill. There is no amendment to Clauses 10 to 13 of the Bill. Clauses 10 to 13 do form part of the Bill. Clauses 10 to 13 stand part of the Bill. Now, I put Clause 1, preamble, enacting formula and short title of the Bill. Clause 1, preamble, enacting formula and short title of the Bill do form part of the Bill.

(The motion was adopted)

Now item No. 3 (c). Shri Dipen Tanti, Hon'ble Minister of State, Labour to move :

Shri Dipen Tanti, (Minister) : Sir,I beg to move that the Assam Physically Handicapped Persons (Employment in Factories) Bill, 1986 be passed.

Mr. Speaker : The Motion is that the Assam Physically Handicapped Persons (Employment in Factories) Bill, 1986 be passed.

The Motion is passed. The Bill is passed.

Mr. Speaker : Now Item No. 4(a).

There is a message from the Governor.

RAJ BHAVAN
GAUHATI
August 3, 1986.

Under the provision of Article 207(3) of the Constitution of India, I, Bhishma Narain Singh, Governor of Assam, recommend that the Assam Forest Protection Force Bill, 19 6, be taken into consideration by the Assam Legislative Assembly.

Sd/- Bhishma Narain Singh
Governor of Assam.

Now, Hon'ble Forest Minister to move.

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) : মই প্ৰস্তাব কৰো যে ১৯৮৬ চনৰ অসম বন সুৰক্ষা বাহিনী বিধেয়ক খন বিবেচনাৰ বাবে লোৱা হওক।

Shri Binai Khungur Basumatari : Mr. Speaker, Sir, we have come before a Bill which has very serious implications for the State. Sir. this is a bill which is going to protect the various forest products of the State and I find that in the list of forest produces most of the items that should have been included are included but we find that this bill has failed in some respects, for instance, you know, Sir, that there are no forest in Assam as listed or as shown in the maps of forest Department which was last drawn sometime in 1924. These forest maps of Assam has shown areas which now include the cadastral villages, revenue villages and other areas. Therefore, by implication, forest means the areas so demarcated but the problem will arise whether the settled Revenue Villages in cadastral areas found to be in those old fores maps what will be the situation in those villages, in those areas ? Whether revenue will be claimed on these villages and Revenue Department will claim responsibility and guardianship of these areas. or whether

the forest deptt will claim responsibilities of these areas. So, I feel that without redrawing forest map of Assam if the old forest maps are used then another serious law and order situation will arise in the State. Secondly, there are many tongiya villages and these Tongiya villages were more or less settled by the Britishers only and we have not come across of any agreement signed by the post independence Government in Assam with Tongiya villagers, at least I have not come across. It may be true, it is possible, that the post-independent Govt in Assam have signed certain agreements with Tongiya villagers but this has not come to our notice. Now, Sir, there is a serious problem with this Tongiya villagers. Orders are issued from the State Headquarters that so and so forest reserve is dereserved and so and so villagers allowed settlement in that particular forest villages. So, these villagers go and try to locate the area which is dereserved and where settlements are to be started. But what happens, Sir ? The forest people on their own go and find out certain place to settle. Our people in Gohpur area, on their own, went and cleared forest in certain areas but today we see that the Forest Department tries to shift those people saying that, that was not the original place where the settlement was desired. Therefore, we now find that lot of people who settled at some place are now required to be shifted from that place thereby in some forest areas a new class of gipsies have been created by the Government. Now the problem will arise as to their settlement, as to their jurisdiction, whether these people in these tongiya villages will emerge as a new force, that is the question. We have seen that there are clashes taking place between the forest deptt people and those who have settled in the forest area. We have seen confrontation with arms placed at the disposal of the forest people. I do not know who will be the governing authority and which will be the authority to judge whether the people settled in the forest villages are right or the forest protection force is right. Who will decide about the cases of clash ?

These things are to be considered and Sir, we have come across so many news that there are many home guards placed in the forest areas of Assam and from the hands of the home guards most of the arms and ammunitions are stolen. I was reported only yesterday, that within Paneryhat two rifles have been stolen sometime last week. Therefore, what will be the arrangement of protecting the arms and ammunitions in such remote forest areas where the guards will be placed ? Therefore, Sir, we want to warn the Government that it is alright for them to come in control of arms and ammunitions with regard to protection of forest but they should not misutilise the power that are given to them today after this.

Then Sir, there should be certain Rules. We know that the Indian Forest Act was passed in 1954. Under this Indian Forest Act there are many rules, Even there is an Assam Forest Act which is very old and it was passed during the British regime but the greatest lacunae in this Act is this that the records of rights of people living in the forest areas have not been ordered in 1954 before passing the Indian Forest Act and overnight thousands and millions of acres of land had gone under the Forest Department and directly under the Central Government but in these forest areas, for centuries tribal people had been living and without considering their inhabitancy in these forest areas, the Indian Forest Act was passed without recording the records of rights of the indigenous aboriginal people from the forests, thereby overnight millions of indigenous aborginal people have been made homeless and landless in the forest areas of India. This, to my mind, is a very serious crime against the aboriginal people. If such things would have happend to sophisticated and educated people then India would have burnt long back but because these aboriginal people living in forests in India were ignorant and illiterate they had no means to oppose it. And they have now been considered as encroachers. These aboriginal people of India have now been

denied of their means of livclihood. This is a great national folly, and since Assam is a State which had 60 per cent of its total area under forests, the situation has been the worst in so far as the condition of these aboriginal people is concerned. This situation of Assam have never been highlighted by the Govt. of Assam. I strongly urge that this situation in the forest areas of Assam in relation to the aboriginal people of the State should be placed before the Government of India through this Government With these few words, sir, I conclude my remarks ; but I would like to make a note of warning here that unless this situation is carefully considered and the Forest Pretection Force Bill is passed by the House, there will be serious problems in regard to law and order in the State in future. Thank you.

শ্ৰীদেবেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বনাঞ্চল আৰু জীৱ জন্তু ৰক্ষা কৰা সম্পৰ্কে স্বাধীনতাৰ পাচত নতুন চৰকাৰ গঠন হোৱাৰ পৰা বন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই ১৯৮৬ চনৰ অসম বন সুৰক্ষা বাহিনী বিধেয়ক বিল আজি সদনত বিবেচনাৰ কাৰণে দাখিল কৰিছে। এই বিলখন মই পূৰ্ণ সমৰ্থন জনাইছো। কাৰণ আমি জানো যে অসমত বনাঞ্চল আৰু জীৱ জন্তু ধ্বংস হৈছে। এই বনাঞ্চল আৰু জীৱ জন্তুবোৰক নিষ্ঠুৰ ভাবে হত্যা কৰা হৈছে। অসমৰ কাজিৰঙা আৰু মানস অভয়াৰণ্য ধ্বংস কৰা হৈছে। মই অনুৰোধ কৰো যাতে মাননীয় সদস্য সকলে এই বনাঞ্চল আৰু জীৱ জন্তু ৰক্ষাৰ সংক্ৰান্তত বিলখন সমৰ্থন কৰিব।

এই বিলখনৰ জৰিয়তে এটা প্ৰটেক্চন ফ'ৰচ গঠন কৰা হব। ইয়াৰ আগতে বিভাগে বেটেলিয়ন, হোম গাৰ্ড আদি ৰাখিছিল। সেই কাৰণে বন সম্পদ আৰু জীৱ জন্তুবোৰ মৃত্যু মুখত পৰিব লগা হৈছিল। যদি এইবিলাকৰ পৰিবৰ্তে প্ৰটেক্চন ফ'ৰচ গঠন কৰা হয় তেতিয়া হলে অদূৰ ভৱিষ্যতে বনাঞ্চল আৰু জীৱ জন্তু ৰক্ষা পৰিব। সেয়েহে মই এই বিলখন পূৰ্ণ সমৰ্থন জনাইছো।

মাননীয় সদস্য শ্ৰীবসুমতাৰী ডাঙৰীয়াই এটা কথা উল্লেখ কৰিছে

সেইটো হ'ল মিছ ইউজ অব পাৱাৰ। এইবিলাক কৰিবলৈ যাওঁতে যাতে এইটো কৰা নহয়। Sec II lays down that any Supervisory officer or member of the Force may without any order from a Magistrate or without any warrent arrest any person who has been concerned in or against whom a reasonable suspicion exist. এই গোটেইখিনি কথা আছে। এই বিলখনৰ দ্বাৰা পাৱাৰৰ মিছ ইউজ কৰা নহয়। লগতে তেখেতে আৰু এটা কথা কৈছে যে অসমৰ বন আইন, যিখন ১৮৯১ চনৰ পুৰণা আইন, এই আইনখন ৰচনা কৰিছিল, কিন্তু তাক সংশোধন নকৰাৰ কাৰণে অসুবিধাৰ সন্মুখীন হৈছে। আজি তেখেতে এই প্ৰশ্নৰ জৰিয়তে আমাক জানিবলৈ দিছে যে ১৮৯১ চনৰ এই আইনখন সংশোধনী কৰাটো বিচাৰে। এই বিলখনৰ জৰিয়তে আটাইবোৰ সংশোধন কৰা হব। অন্যায়মূলক কামৰ কাৰণে শাস্তিৰ ব্যৱস্থা কৰি সংশোধন কৰা হব। অপব্যৱহাৰ বিলাক অপ-ব্যৱহাৰ বুলিয়েই গ্ৰহণ কৰা হব। তাত উদ্যোগ বিলাক বন বিভাগৰ দ্বাৰা গঠন কৰা হব। নতুনকৈ সুৰক্ষা বাহিনী গঠন কৰা হব। যি আইনৰ ক্ষেত্ৰত আগবঢ়া হৈছে, আমি পুৰণি কলিয়া আইন সংশোধন কৰি আৱশ্যকীয় ভাবে সুৰক্ষা বাহিনী হলে বনাঞ্চল ৰক্ষা পৰিব। যিবিলাক জীৱ জন্তু আছে, সেইবিলাক ৰক্ষা কৰা হব। গতিকে মই এই বিলখন পূৰ্ণ সমৰ্থন জনাইছো আৰু আশা ৰাখিছো মাননীয় সদস্য সকলে বিলখনৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাব। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

Shri Charan Nerzary — Mr Speaker Sir, I do not want to object to the passage of the Bill for raising a Forest Protection Force in the State. Because of the wanton destruction of the forests, there has been an awareness of the necessity of having such a force, and hence this Bill. Now if this Bill is passed it will become an Act and it will arm the Forest officials down to the forest guards with fire arms to ensure protection of forests. The intention is good; it may be good, but then Sir, there is an apprehension also. There is the urge for misuse of power-misuse of fire arms. The Government will have to meet the eventualities

in correct manner. Otherwise there is every likelihood of breach of peace in forest aeras of the State and this may lead to law and order situation particularly in forest areas. I want to emphasize sir, that there is need for re-defining 'forest areas'. I have said this because most of the forest areas are only in name, and these areas should not have been included in the forest areas as these areas are thickly pepulated by human beings without the knowledge of the Central Government. The Central Government has been under the impression that any areas which fall within the 'forest areas' as shawn in 'forest maps' are forest areas ; but this is not so. Regarding the actual position of the forest areas, as we have seen, the State Govt has never clarified the position to the Central Govt. If this position could have been clarified by the State Govt. to the Central Govt. then many unwanted situations could have been avoided. So, there is need for redrawal of the forest map. I fully agree with Shri Basumatari on this point. The Govt and the Hon'ble Forest Minister should look into this matter. Now, the people of the Forest Department are going to be equipped with fire arms. We know the activities of the forest people in the jungle. We have seen, what the forest guards are doing in the jungle ? Even without being armed with fire arms, the forest people at the lower level have been creating havoc for the people living in the forest villages. With no information, no notice, their wishes are enough. If they like, they can catch hold of household cats, dogs and any belonging of the people. This is happening everywhere and if the people living in the forest object to such behaviour, the people are harassed and they are threatened with dire consequences. Now by passing this Bill, the Govt is going to arm the forest personnel who are supposed to ensure protection of the forest. All right, there can be no objection to it, but then it will encourage the forest officials to indulge in illegal and unlawful activities for the detriment of the people living in the forest.

The Govt and the Hon'ble Forest Minister should look into it. Can there be any guarantee that the power of the forest personnel will not be misused in anyway ? I think there is no guarantee. Now, all over the State, as I have said on the last election that about 1/10 of the tribal population are living in the forest and they are being treated as encroachers. They have been living in those areas for many many years together and they are now facing eviction very frequently, though the Govt have assured us that they have no decision of eviction. We cannot be rest assured that they will not be evicted. The Govt may not have any decision for eviction but when the forest protection force will be there and the forest personnel will be armed with fire arms, they will start harassing our people. I am saying this in anguish. It is not a matter of joke. Hon'ble Minister should not take it lightly. I can tell the Hon'lble House that if there is any misuse of power, there might be breach of peace, there might be law and order situation. The Govt will then have to shoulder the full responsibility because of misuse of power. If there be any civil war, Govt will have to be fully responsible because we cannot allow our people to be threatened like cats and dogs. We cannot allow our people to die. If they are to die, they will have to die as hero in the battle field. Do the Govt want such a situation ? I am sending a note of warning to the Govt. The matter should not be politicalised. It is not a political issue. It is the question of survival or existance. We cannot play with the lives of hundreds and thousands of people like beasts. What is the position of wild life now ? There is no change in the position. If I remember an old story when I was a member of this August House long back in 1972, the then Hon'ble Forest Minister visited Kachugaon Forest Division. To discuss about certain problems of forest people, I rushed to Kachugaon Forest Bungalow which is a big bungalow constructed during the British regime. Hon'ble Minister was staying there. I arrived there in the

morning at about 7/8 a m. I was told at that time that the Minister left for the jungle accompanied by forest people. Why we did not know. He came back after sometime. I could not understand what might be the reason of Forest Minister's going to deep jungle at such an early morning hours. I was waiting there till his return from the jungle He came back and the forest guards brought down from the jeep some hunted beasts. So, it was clear, he went into the jungle for hunting. If this sort activity is indulged in by a man sitting in the helm of affairs, then there is no possibility of ensuring protection of wild-life. So, I was very sad. So, if such things continue to happen how can we ensure protection of wild-life. There are officers who go for hunting and forest officials are also sometimes found to be involved in the game. It is very bad. I do not say that such things will not happen during the time of Shri Bharat Chandra Narah also. It is likely to happen. Sir, I do not want to object to the passage of this bill but I have only sounded a note of warning that Government should be very very careful, the Government should ensure that power given to the forest personnels will not be misused in any way to the detriment of the people living in the forest areas. If so-called forest areas are without any tree and populated by human beings definitely the Government will consider their cases and arrangements should be made giving formal settlement. We have seen how even after dereservation of certain forest land, formal settlement has not been given by the Government till to-day. There are cases. Yesterday when the question on the forest policy came up I raised certain questions regarding protection of wild-life. We all know there is a ban on opening of elephant mahals and the Hon'ble Forest Minister has been pleased to reply that the ban is still in force and no elephant mahal has been opened during the time of this present Government. If it is so, we congratulate but if it is not a fact, if the Minister has given a false

statement it will amount to breach of privilege. It is to be verified. There is a national policy on wild-life, nothing should be done in violation of the Government policies. I do not know whether it is a fact or not that some elephant mahals have been opened d ring the time of the present Government and some important political leaders are involved in the game. I do not know whether it is true or not. Since I have heard I have raised it and it should be verified by the Government, if not by the Forest Minister, by the Chief Minister because many things might take place even without the knowledge of the Chief Minister. Sir, the wild-life should placed under a separate Chief Conservator. This is the policy of the Government of India and the Hon'ble Forest Minister has assured yesterday that the Chief Conservator on wild-life is going to be appointed very soon. We are grateful to him. Sir I do not want to prolong my observations because there is no end to it. We can go on complaining. Anyway the Government should assure us that the power given to the forest officials will not be misused in any way to the detriment of the interest of the people living in the forest villages. With thase observations I conclude.

শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, আজি বিধান সভাত আমাৰ বন বিভাগৰ মন্ত্ৰীয়ে যিখন বিল উত্থাপন কৰিছে সেই বিল খনৰ উত্থাপনৰ পিচত যদিহে অসমৰ গছ গছনিয়ে কথা কব পাৰিলেহেঁতন, যদিহে বনৰীয়া জীৱ জন্তুয়ে পশু পক্ষীয়ে কথা কব পাৰিলেহেতন তেনেহলে আজি অসমীয়া ৰাইজৰ লগ:ত গছ গছনি আৰু পশু পক্ষীয়েও জয়ধ্বনি দিলেহেঁতেন। গছ কাটি চাফা কৰিছে। এগৰাকী প্ৰবীন মাননীয় সদস্যই কৈছে যে মন্ত্ৰীয়ে নিজেই পহু চিকাৰ কৰিছে। এইটো এটা আশ্চাৰ্য্যজনক কথা। এনে বিলাক আশ্চৰ্য্যজনক কথা বন্ধ কৰিবলৈকে বন বিভাগৰ হাতত অধিক ক্ষমতা দিয়াৰ কাৰণে আৰু অধিক শক্তি দিয়াৰ দৰকাৰ হোৱাৰ কাৰণে এই বিল অনা হৈছে। যি সকলে তেনে হোৱাটো নিবিচাৰে সেই সকলে এই বিলৰ বিৰোধীতা কৰিব আৰু যি সকলে অসম খন সম্পূৰ্ণ সৰ্ব্বাঙ্গ সুন্দৰ কৰিব খোজে,

যি সকলে এনে বিলাক কাৰ্য্য বন্ধ হোৱাতো বিচাৰে সেই সকলে এই বিলৰ বিৰোধীতা নকৰিব। এই বিলখনে এইবিলাকৰ প্ৰতিবন্ধক হিচাবে ব্যৱস্থা লব পাৰিব। ইয়াতে চেকচন ১২ ত আছে

Let us come to section 12(2). The provision of the Code of Criminal Procedure Act, 1973, relationg to the searches under that code shall, so far as may be apply to searches under this section. Regarding use of firearms. Section 14 In order to prevent commission of any offence and in order to make effective search, the officers and the other Members of the Force will have the right to use minimum necessary force including use of fire arms as provided in Chapter XI and XII of the Code of Criminal Procedure Act, 1973.

১৯৭৩ চনৰ চি, আৰ, পি, চি খনত ব্যৱস্থা কৰা হৈছিল আৰু তাৰ পৰিপ্ৰেক্ষিতত এই বিলত ব্যৱস্থা ৰখা হৈছে। গতিকে পাওৱাৰ ইউজ কি ভাবে হব সেইটো স্পষ্টভাবে চি, আৰ, পি, চিত লিখা আছে। তাত থকা প্ৰভিজন মতে পাওৱাৰ ইউজ কৰা হব গতিকে পাৱাৰ মিচ্ ইউজ কৰা হব বুলি সন্দেহ যিসকলে কৰিব বিচাৰিছে সেই সকলে চি, আৰ, পি, চিৰ ওপৰতো সন্দেহ কৰিব। এইখন বিলক সমালোচনাকৰাৰ আগতে, সন্দেহ কৰাৰ আগতে চি, আৰ, পি, চি খনো সন্দেহ কৰিব লাগিব। সেই সকলে চি, আৰ, পি, চি খন উঠাই দিব লাগিব বুলি দাবী কৰিব লাগিব।

অধ্যক্ষ মহোদয়, সদনত আজি মাননীয় বন বিভাগৰ মন্ত্ৰীয়ে কৈছে যে ১৯৮৩ চনৰ পৰা ১৯৮৬ চনৰ ভিতৰত ওৰাং অঞ্চলত ২৬ টা গড় হত্যা কৰা হৈছে। সৰু এখন অভয়াৰণ্য। তাতেই যদি ২৬ টা গড় নিধন কৰা হয় তেনেহলে অৱস্থা ভাবিবলগীয়া। যোৱা ৯ তাৰিখে ওৰাং ফৰেষ্ট অফিচৰ পৰা ৯ টা ৰাইফল চুৰি হৈছে। এটা গৰুকো সাধাৰণ লাঠি এডালেৰে আয়ত্বত ৰাখিব নোৱাৰি। তেনে ক্ষেত্ৰত চোৰাং চিকাৰীক কেনেকৈ নিয়ন্ত্ৰণ কৰিব ? মই ভাবো ইয়াত "১৯৮৬ চনৰ অসম বন সুৰক্ষা বাহিনী" বিধেয়ক নামেৰে যি খন বিল আনিছে এইখন অসম গণ পৰিষদ চৰকাৰ ভবিষ্যত অসমৰ কাৰণে এক উল্লেখযোগ্য আৰু বলিষ্ঠ পদক্ষেপ।

আমি ইমান দিনে এটা ভুল উপলদ্ধিৰ মাজত জীয়াই আছিলো যে ফৰেষ্ট গার্ড সকলক ফৰেষ্ট ৰক্ষা কৰিবৰ কাৰণে এডাল লাঠি দিলেই কোনো ফৰেষ্ট গার্ডে ফৰেষ্ট ৰক্ষা কৰিব নোৱাৰিব। সেয়েহে নতুন ব্যৱস্থা এটা উদ্ভাৱন কৰা আমি সকলোৱে স্বাগতম জনোৱা উচিত। ইয়াত ফৰেষ্ট মেমৃৰে-ণ্ডামৰ কথা কোৱা হৈছে ইয়াত ১ কোটি ৪ লাখ টকা এটা ৰেকাৰিং খৰচ হব আৰু লগে লগে নিবনুৱা সমস্যা কিছু সমাধান হোৱাৰ আশংকা আছে। গতিকে মই ভাবো এই বিলখনৰ জৰিয়তে অসমৰ জনসাধাৰণক প্ৰকৃত সম্পদ ৰক্ষা কৰাৰ কাৰণে এক নতুন ব্যৱস্থা অসম গণ পৰিষদৰ বন বিভাগৰ মন্ত্ৰীয়ে দিছে। আৰু এইটো স্বীকাৰ কৰিব লাগিব যে ইতিমধ্যে যিবোৰ ঠাইত বে-দখল কৰিয়েই হওঁক বা আশ্ৰয় লবলৈ গৈয়েই হওঁক বনাঞ্চলত জনজাতীয়েই হওঁক বা অজনজাতীয় লোকেই হওঁক তেওঁলোকক চৰকাৰে বনাঞ্চল ৰক্ষণা-বেক্ষণাৰ স্বাৰ্থত বনাঞ্চলৰ পৰা আঁতৰাই অনা অত্যাৱশ্যকীয় হব। বনাঞ্চলত বছৰৰ পিছত বছৰ বে-দখল হৈ থকাটো কোনো সচে-তন নাগৰিকে নিশ্চয় সমৰ্থন কৰিব নোৱাৰে। এই বনাঞ্চল ৰক্ষনা বেক্ষণাৰ কাৰণে বে-দখলৰ ক্ষেত্ৰত আজিৰ চৰকাৰে গভীৰ মনোভাৱ লব লাগিব। আজি কাজিৰঙাৰ হাইওৱেৰ দুয়োকাষে যি গৈছে নিশ্চয় দেখিব যে এই সুন্দৰ বন ভূমিখন কোনে ধংশ কৰিলে। পূৰ্ব্বৰ চৰকাৰে সেইসময়ত ভূল পলিচি লৈছিল। সেই বে-দখল কাৰী সকলক উচটনি কোনে দিছিল। আজি অকল কাজিৰঙাই নহয়, ওৰাংয়েই নহয়, মানসয়েই নহয় সকলো ঠাইতে যিবোৰত মূল্যবান কাঠ আছে, যিবোৰত বনৰীয়া পশু-পক্ষী আছে সেই সকলৰ ওপৰত নিশ্চয় অত্যাচাৰ চলাই আছে। আৰু এই অত্যাচাৰ বন্ধ কৰাৰ কাৰণে ফৰেষ্ট গার্ডৰ হাতত এডাল লাঠি দি তেওঁলোকৰ স্বাৰ্থ ৰক্ষাৰ বাবে ৰাজ-নৈতিক উদ্দেশ্যত এই সম্পদ বিলাক আমি ব্যৱহাৰ কৰা দেখিবলৈ পাইছো। গতিকে অসমৰ বন সম্পদ ৰক্ষা কৰিবৰ কাৰণে যিসকলে অসমক সুন্দৰ ভাৱে গঢ় দিব বিচাৰিছে সেই সকলে এই বিলখন নিশ্চয় এই সমৰ্থন জনাব বুলি আশা কৰিলো। যদিহে অসমৰ প্ৰাকৃতিক সম্পদ ৰক্ষা কৰিব নোৱাৰে তেনেহলে অসম খন সুন্দৰ অসম হৈ নেথাকিব। আজি খবাং বতৰৰ কাৰণে সদনৰ বিধান সভাৰ মজিয়াত এইবাৰ বাৰংবাৰ এটা কথা কৈছে যে বৈজ্ঞানিক দৃষ্টি ভংগীত যদি গছ-গছনি কাটি দিয়াৰ কাৰণে

বৰষুণ কম হৈছে ইয়াৰ বিৰোধীতা কৰা নাই। যদি কথাটো সচাই হয় তেনেহলে আজি গছ কটা বন্ধ কৰাৰ কাৰণে বন বিভাগক অধিক শক্তিশালী কৰাৰ কাৰণে বন বিভাগক অধিক শক্তি দিয়াৰ কাৰণে আমি আপত্তি কৰা কি উদ্দেশ্য থাকিব পাৰে ? মই ভাবো এই বিলখন অসমৰ অৰ্থ নৈতিক ক্ষেত্ৰত এক দৃঢ় বলিষ্ঠ ভূমিকা লব। কাৰণ বন সম্পদ ৰক্ষা হ'ব আৰু বন সম্পদ ৰক্ষা হলে নিশ্চয় অসমখন অসমৰ খিলঞ্জিয়া ৰাইজে যিধৰণে ভাবিছে সেই ধৰণে গঢ় দিব পাৰিম। আজি প্ৰত্যেকখন অভয়াৰণ্যৰ চাৰিও কাষে থকা অভয়াৰণ্যৰ কাৰণে সংৰক্ষিত মাটি সমূহৰ বে-দখল কৰিছে। এই বে-দখল সমূহত কোন আছে যদি কেতবোৰ খিলঞ্জীয়া জনজাতীয় লোক আছে তেনেহলে তেওঁলোকক অন্য ঠাইত সংস্থাপন কৰাৰ কথা আহিব পাৰে কিন্তু এটা শব্দ কথা মই দ্বিধা লাগিলেও কওঁ সন্দেহযুক্ত বিদেশী লোক বুলিলে কিছুমানে জাপ মাৰি উঠে। কাজিৰঙাৰ চাৰিও কাষে থকা, ওৰাংৰ চাৰিও কাষে থকা, মানসৰ চাৰিও কাষে থকা এই লোক সকল ক'ৰ পৰা আহিছে ? খিলঞ্জীয়া অসমৰ লোক নেকি। অসমৰ কথা দূৰৰেই 'ইণ্ডিয়ান চিটিজেন' হয় নে নহয় তাবো সন্দেহ আছে। চ'ব অঞ্চলত কুৰুৱা চাউল-খোৱাত ব্ৰহ্মপুত্ৰৰ বালিত ২৬ টা গড় মাৰিছে ব্ৰহ্মপুত্ৰৰ পাৰত সুন্দৰ বালি আছে আৰু এই বালিত গাত খন্দা হয়। তাৰ ওপৰত নিমখৰ বস্তা জাপি দিয়া হয়। ওপৰত হাতী বন্ধা জৰিৰে ফাংজৰি পতা হয় আৰু কলপাটৰ নিচিনা কুমলীয়া পাত দি ঢাকি ৰক্ষা হয়। তেতিয়া সাধাৰণ লাঠিৰে খুচি খুচি সন্দেহ যুক্ত লোক সকলে মাৰি পেলায়। উদাহৰণ দিব পাৰো কুৰুৱা অঞ্চলত থকা খলিহৈ বালিৰ কাষত ফাংজৰি পেলাই গড় মাৰিছে। যিকোনো মানুহে গড় হত্যা কৰিবলৈ গলে গছ-গছনি কাটিবলৈ গলে মেজিষ্ট্ৰেত অথবা ফৰেষ্ট গাৰ্ডে অৰ্ডাৰলৈ ৰৈ থাকে মানে গড় মাৰি পেলাই। এইটো ব্যৱস্থা নাইকিয়া কৰিবৰ কাৰণে এই বিলখনৰ ১১ নং দ্বাৰা উইদাওট ওৱাৰেণ্ট চোৰাং চিকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ শক্তি দিয়াটো প্ৰসংশনীয় হোৱা নাইনে ? যি সকল চোৰাং চিকাৰীৰ পক্ষে সেই সকলে ইয়াক বিৰোধীতা কৰাটো স্বাভাৱিক। যিসকলে বন সম্পদ ৰক্ষা কৰা কথাই কামে ভাবে সেই সকলে এই বিলখন নিশ্চয় সমৰ্থন জনাব।

মাননীয় অধ্যক্ষ : এইবাৰ মাননীয় সদস্য শ্ৰীদুৰ্গা দাস বড়োয়ে কব।

শ্ৰীদুৰ্গাদাস বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বন সুৰক্ষা বাহিনী, ১৯৮৬ বিলখন আনি বন মন্ত্ৰী ডাঙৰীয়াই বলিষ্ঠ পদক্ষেপ লৈছে। বিৰোধী পক্ষৰ দুই এজন সদস্যই এই বিলখনৰ বিৰোধীতা কৰিছে যদিও আচল অৰ্থত তেওঁলোকে বিৰোধীতা কৰা নাই। তেওঁলোকৰ বক্তব্যৰ পৰা দেখা গৈছে যে এই বিলখন হলে আওপকীয়া ভাবে কিছুমান বিপদ অহিব পাৰে বুলি আশংকা কৰিছে। এনে আশংকা অবশ্যে অমূলক। এই বিলখনৰ কেইটামান ক্লজ ইয়াত দিয়া আছে আৰু সেই বিষয়ে শ্ৰীশৰ্ম্মা ডাঙৰীয়াই উল্লেখ কৰি গৈছে। ইয়াৰ ২১ নং ক্লজত দিয়া আছে।

(b) Regulating the powers and duties supervisory officer and Member of the Force authorised to exercise any functions by or under this Act.

(c) Fixing the period of service for supervisory officers and members of the Force ;

(d) Prescribing the description and quantity of arms, accoutrements, clothing and other necessary articles to be furnished to the Member of the Force ;

ইয়াত যি কেইটা দিয়া আছে তাৰ দ্বাৰা কৰ্ম্মীসকলৰ প্ৰতি আচলতে গুৰুত্বপূৰ্ণ হব। আমি দেখিছো যে ফৰেষ্ট গাৰ্ড সকলৰ সুবিধা অসুবিধাৰ প্ৰতি বিশেষ লক্ষ্য কৰা নাছিল। তেওঁলোকৰ অসুবিধা বেছি থকাৰ কাৰণে কামত হেমাহি কৰিছিল। এই হেমাহী কৰাৰ কাৰণ কিছুমান আছে। এডাল লাঠি আৰু বছৰেকত দুযোৰ পোছাকেৰে আৰু অন্যান্য অসুবিধাৰ কাৰণে কৰ্ত্তব্যৰ প্ৰতি অবহেলা হৈছিল আৰু মাহেকৰ পিছত ৰিমোনাৰেচন হিচাবে পোৱা চাকৰিৰ কাৰণে কামত অৱজ্ঞা কৰি আহিছে। তাৰোপৰি চোৰাং কাঠ বেপাৰী আৰু অন্যান্য চোৰাংকাৰবাৰৰ হাতত মৃত্যু বৰণ কৰা নজিৰো আছে। অৱশ্যে মাননীয় সদস্য এগৰাকীয়ে চিভিল ওৱাৰৰ ওৰ্ণিং দিছে এ জি পি চৰকাৰক। তেখেতে কৈছে যে ফৰেষ্টত থকা বেদখলকাৰী সকলক কুকুৰ মেকুৰীৰ দৰে মৰিবলৈ এৰি দিব নোৱাৰো বুলি মন্তব্য কৰিছে। ১৯৪৭ চনৰ পিছত গণ

পৰিষদ চৰকাৰৰ দিনত আটাইতকৈ বেছি জনজাতীয় বিধায়ক আছে। এই বিধায়ক সকলে জনজাতীয় লোক সকলক কুকুৰ মেকুৰীৰ দৰে মৰাটো কামনা নকৰে। অসমৰ কেইখন মান বনাঞ্চলত বেদখল হোৱাৰ কথা উল্লেখ কৰিছে। এই বেদখলকাৰীৰ সমস্যাটো আজিৰ নহয়। আজি যি সকলে চিভিল ওৱাৰ হব বুলি কৰ বিচাৰিছে সেই সকলে ১৯৪৭ চনৰ পৰা সৌসিদিনালৈ বেদখল-কাৰী সকলৰ স্থায়ী ব্যৱস্থা কৰা নাছিল। এই খন বিধানসভাত সদস্য হৈ থকাৰ পিছতো বিভিন্ন ফৰেষ্টৰত কুকুৰ মেকুৰীৰ নিচিনাকৈ জনজাতীয় সকলৰ বেদখলকাৰী হিচাবে হত্যা কৰিছিল, তেতিয়াও স্বৰ ধ্বনি শুনা নাছিলো। এই বন সুৰক্ষা বাহিনী বিলখনত চাৰিটা ভাগ কৰিছে। কনিষ্টবল, হাবিলদাৰ, এচ, আই, ইন্সপেক্টৰ আদি পৰ্য্যায় কৰাত তেওলোকৰ কৰ্ম্মত উদ্গনি দিয়া ধৰণৰ ভাগ কৰিছে। ইয়াৰ কাৰণে বন মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। আজি যি সকলে গছ গছনি কটাৰ কাৰণে খৰাং বতৰৰ সৃষ্টি হৈছে বুলি কৈছে সেই সকলে এই বন সুৰক্ষা বিলখনৰ দ্বাৰা সুৰক্ষা বাহিনী গঠন কৰাটোত কিয় বাধা আৰূপ কৰিব খুজিছে? আজি তেওঁ লোকৰ নিজৰ নীতিৰ মাজত খুন্দিয়া খুন্দি লগা দেখা গৈছে। অকল ইয়াত গছ গছনি নাইবা বন্য প্ৰাণী ৰক্ষা কৰাৰ কথাকে উল্লেখ কৰা নাই অন্যান্য ফৰেষ্ট প্ৰডাক্ট সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰিব বুলি কোৱা হৈছে। ২ নং (ই) ত এই বিষয়ে উল্লেখ কৰা আছে। আজি আমি গছ গছনি কটা দেখিছো আৰু জীৱজন্তু মৰা দেখিছো। কিন্তু বনাঞ্চলত এনে কিছুমান বস্তু আছে যিবিলাক গছ কটা মানুহে লৈ যায়। সেই বস্তু বিলাক অতি মূল্যবান বস্তু। গতিকে এই বিলৰ দ্বাৰা এইবিলাক সংৰক্ষিত হব বুলি আশা ৰাখিছো। যদি প্ৰকৃততে বন্য প্ৰাণী আৰু বনাঞ্চল ৰক্ষা কৰাটো বিচাৰিছে তেন্তে বিৰোধী পক্ষই এই বিলৰ প্ৰতি সমৰ্থন আগবঢ়াব। ইয়াকে কৈ বিলখন সমৰ্থন কৰিলো।

শ্ৰীচহিদুল ইছলাম: অধ্যক্ষ মহোদয়, বন সুৰক্ষা বাহিনীৰ যি বিল আজি সদনত উত্থাপন কৰিছে এই বিল সম্পৰ্কে মোৰ কিছু বক্তব্য আছে। এই বিল অতি গুৰুত্বপুৰ্ণ বিল। এই বিল যদি ঠিক মতে প্ৰয়োগ নহয় তেনে-হলে ইয়াৰ দ্বাৰা অপকাৰ হব পাৰে। বিশেষকৈ অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ ক্ষেত্ৰত। কাৰণ অসম এখন গছ গছনিৰে ভৰা প্ৰাকৃতিক সৌন্দৰ্য্যৰ ৰাজ্য। এই সকলো বিলাক ৰক্ষা কৰা অসম চৰকাৰৰ কৰ্ত্তব্য। এই কৰ্ত্তব্য ৰক্ষা

কৰিবলৈ গৈ যি বন সুৰক্ষা বাহিনী প্ৰস্তুত কৰিব বিচাৰিছে তাৰ দ্বাৰা কৰ্ত্তব্য পালন কৰাটো এটা চিন্তা কৰিব লগীয়া বিষয়। আজি যি খন বিল উত্থাপন কৰিছে সেই খন অতি জটিল বিল আৰু জুই লৈ খেলা কৰাৰ নিচিনা কথাৰ উদ্ভৱ হৈছে। কাৰণখিনি জুইয়ে ৰন্ধা ঘৰত চৌকাত ভাত সিজোৱাত সহায় কৰে, সেই একে জুয়ে ঘৰত লগাই দিলে ঘৰ পুৰি চাই কৰি দিব। আজি এই বিলৰ উত্থাপনৰ সন্দৰ্ভত মাননীয় সদস্য শ্ৰীনাৰ্জাৰী ডাঙৰীয়াই যিখিনি প্ৰশ্ন আনিছে তাত মই একমত। বিশেষকৈ অসমত বাস কৰা ট্ৰাইবেল লোকৰ শতকৰা ৭০ ভাগ মানুহেই অসমৰ এই জংঘল বিলাকত বাস কৰে।

(ভইচ—ট্ৰাইবেল মানুহ বিলাকক জংঘলী বুলি কোৱা হৈছে, গতিকে কথাতো উঠাই লব লাগে। গণ্ডগোল)

শ্ৰীজয়নাথ শৰ্ম্মা ঃ— অধ্যক্ষ মহোদয়, এই কথাখিনি প্ৰচিডিংচৰ পৰা কাটি দিব লাগে। ট্ৰাইবেল মানুহ বিলাক জংঘলী নেকি ?

শ্ৰীচহিদুল ইছলাম ঃ এই মানুহ বিলাকৰ শতকৰা ৩০ ভাগেই এই জংঘলত বাস কৰে। যি সকল মানুহে খেতিবাতি কৰে তেওঁলোকে সেই বিলাক ঠাইত থাকি প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰে।

(সদনত গণ্ডগোল)

মাননীয় অধ্যক্ষ ঃ— জংঘল শব্দটো অসংবিধানিক নহয়। কিন্তু এই শব্দটো উচিত ব্যৱহাৰ কৰিব নোৱাৰিলে, ইয়াৰ দ্বাৰা সদনত থকা মাননীয় সদস্য সকলৰ অন্তৰত আঘাট কৰে। যিশব্দৰ দ্বাৰা মাননীয় সদস্য সকলৰ অন্তৰত আঘাট নকৰে সেইদৰে ব্যৱহাৰ কৰিব লাগে। মাননীয় সদস্য গৰাকীক অনুৰোধ কৰিলো যে ভবিষ্যতে যাতে এনে ধৰণৰ শব্দ ব্যৱহাৰ কৰোতে সদস্য সকলৰ অন্তৰত আঘাট নকৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব।

এতিয়া আপোনাৰ বক্তব্যৰ দ্বাৰা সদনত ব্যাঘাট হৈছে গতিকে আপুনি বহক।

শ্ৰীনৰেন তাতী ঃ অধ্যক্ষ মহোদয়, বন বিভাগৰ মন্ত্ৰীয়ে বন সুৰক্ষা বাহিনীৰ যি বিল আনিছে সেই বিলৰ সন্দৰ্ভত মই মন্ত্ৰী মহোদয়ক সমৰ্থন

জনাইছো। এতিয়া কথা হল বন সুৰক্ষা বাহিনী বিলখন আমাৰ মন্ত্ৰীয়ে আনিছে, কিন্তু আগৰ চৰকাৰে এনেধৰণৰ সুৰক্ষাৰ কথা চিন্তাই কৰা নাছিল। আগৰ চৰকাৰে জনসাধাৰণক এনেদৰে প্ৰটেকচন দিব নোৱাৰাৰ কথা হৈছে তেওঁলোকে এই বিষয়ত চিন্তাই কৰা নাছিল। এতিয়া আমি নিজেইতো প্ৰটেকচন লৈছো-ৰেই জংঘলৰ জীৱ জন্তুকো প্ৰটেকচন দিবলৈ লৈছো। গতিকে বিৰোধীপক্ষৰ সদস্য সকলে এই বিলখনত বিৰোধীতা কৰাৰ কথা থাকিবই নোৱাৰে। আজি খবাং বতৰ হৈছে বুলি কৈছে। ইয়াৰ প্ৰধান কাৰণ হৈছে গছ গছনি কাটি নাইকীয়া কৰিছে বুলি কৈছে। কিন্তু এইটো কি কাৰণে হবলৈ পালে ? মাত্ৰ আগতে এই বিষয়তোত কোনো ৰক্ষণা বেক্ষণ নিদিয়াৰ কাৰণেই এনেকুৱা হবলৈ পালে। উদং পথাৰ। কাঠ কাটি ঘৰলৈ নিয়ক বা বেপাৰ কৰিবলৈ নিয়ক তাত কাৰো চকু নাই। এনেকুৱাও উদাহৰণ আছে যে, চোৰাং বেপা-ৰিয়ে কাঠ কাটি চোৰ কৰি নিলে মাত্ৰ ১০০ টকা জৰিমনা ভৰিবলৈ দি এৰি দিয়া হয়। আইন কানুনৰ ফালৰপৰা কোনো ধৰণৰ ৰক্ষণা বেক্ষণৰ চিন্তা চৰ্চ্চা কৰা নাছিল। গতিকে বনাঞ্চল উদং হবলৈ ধৰিছে। আমাৰ অসমত থকা আপুৰোগীয়া জন্তু বিলাকৰ ভিতৰত হৈছে গড়। কিন্তু এই গড়কে চোৰাং চিকাৰীয়ে মাৰি লৈ গল। কুকুৰাত ২৬ টা গড় চোৰাং চিকাৰীয়ে মাৰি লৈ গল। কিন্তু এই চোৰাং চিকাৰী বিলাক কোন ? গাতে গা লাগি থকা লোক। এতিয়া সভ্যতালৈ আহো। সভ্যতা ক'ত আৰম্ভ হয়। নৈ পাৰত। প্ৰথম সভ্যতা আৰম্ভ হৈছিল সিন্ধু নদীৰ পাৰত। এতিয়া আমাৰ সভ্যতা আৰম্ভ হৈছে ব্ৰহ্মপুত্ৰত নদীৰ পাৰত থকা বিদেশী বাংলাদেশী বিলাকৰ পৰা। চোৰাং চিকাৰী বিলাক ক'ত থাকে ? এই ব্ৰহ্মপুত্ৰ নৈ পাৰৰ বিদেশী সকলেই হৈছে চোৰাং চিকাৰী। বনাঞ্চলৰ গছ-গছনি কাটি শেষ কৰিলে। আজি আমাৰ এগৰাকী মাননীয় সদস্যই অসমৰ শতকৰা ৭০ ভাগ মানুহ জংঘলী বুলি কৈ দিলে। জংঘলত হাতী, ঘোৰা, বাঘ, ভালুকহে থাকে ? মানুহ কত থাকে ? আৰু তাত থাকে মাত্ৰ এই চোৰাং চিকাৰী বিলাক। এই বনাঞ্চলত বিছুমান লোকে কাঠ কাটিবলৈ পাৰমিটলৈ যায়। কিন্তু ঘূৰি আহোতে বহুতো মূল্যবান বস্তু তাৰ পৰা বেগত ভৰাই লৈ আহে। যিবিলাক বস্তু আনোতে কোনেও দেখা নাপায়। বনাঞ্চলত সৰু সৰু বস্তুও বহুত মূল্যবান আছে। গতিকে চোৰাং কাৰবাৰ ফৰেষ্ট গাৰ্ডৰ

দ্বাৰা বন্ধ কৰিব বিচৰা হৈছে। আমাৰ বনাঞ্চল আৰু জীৱ-জন্তুক ৰক্ষণা বেক্ষন দিব লাগে। ইয়াৰ যি বিলাক দাতিকাষৰীয়া অঞ্চল আছে সেই বিলাক যাতে বিদেশী নাগৰিকে বেদখল কৰিব নোৱাৰে তাৰ কাৰণে ব্যৱস্থা কৰিব লাগিব।

সভ্যতাৰ বিকাশ হল নৈৰ পাৰত। বিদেশী নাগৰিকৰ নামত সভ্যতাৰ বিকাশ সাধন কৰিছে বেদখল কৰিছে। আমি এতিয়া বনাঞ্চল সংৰক্ষণ কৰিব বিচাৰিছো এই বিলৰ জৰিয়তে।

গতিকে আমি ভাবো এই বিলখন সময় উপযোগী হৈছে। আগতে তেনে কথা নাছিল। যি ধৰণৰ প্ৰটেকশ্যন দিব লাগিছিল আমি সেই ধৰণে সকলো ৰাজ্যিক সম্পদকে আমি ৰক্ষণা বেক্ষণ দিব লাগিব। ইয়াক আৰু বেলেগে কোৱাৰ প্ৰয়োজন নাই। মাননীয় সদস্যাই এই বিলখন বিৰোধীতা কৰিছে যদিও এতিয়া তেখেত সকলক উঠাই লবৰ কাৰণে মই অনুৰোধ কৰিছো। এই বিলখন বিৰোধীতা কৰাৰ যুক্তি নাথাকে। কোনো কথা নাই এই বিলখন পাচ হবই। বনাঞ্চল কেনেকৈ ৰক্ষা কৰিব পাৰি তাৰ কথা চিন্তা কৰিয়ে এই বিলখন অনা হৈছে। গতিকে মাননীয় সদস্য সকলে এই বিলখনৰ যি বিৰোধীতা কৰিছে তাক উঠাই লবলৈ অনুৰোধ কৰি মই মোৰ এই চমু বক্তব্য সামৰণী মাৰিছো।

শ্ৰীপ্ৰদীপ হাজৰিকা ঃ অধ্যক্ষ মহোদয়, 'উই ওৱান্ত টো লিভ লাইক হিৰো' আৰু যিটো কাৰণে আমি বিলখন সমৰ্থন কৰিবও লাগিব আৰু কৰি যাম। আজি যদি এটা বাঘৰ নখ দাঁত ভাঙি পেলাই থোৱা হয় তেন্তে সি বীৰ হলেও কোনো পধ্যেই বীৰত্ব দেখুৱাই যাব নোৱাৰে। we also want to the issue heros আমি সেইটো হৈ থাকিব নোৱাৰো। অসমীয়া জাতি বীৰ আৰু বীৰৰ দৰে আমি জীয়াই থাকিম আৰু সেই কাৰণে ইয়াত 'দি আসাম ফৰেষ্ট প্ৰটেকশ্যন ফৰ্চ বিল' উত্থাপন কৰিছে। সেইখন আমি সকলোৱে গ্ৰহণ কৰিব লাগিব। এই বিলখনৰ যোগেদি মাত্ৰ আমাৰ বনজ সম্পদে নহয় ইয়াত থকা প্ৰাকৃতিক সকলো বস্তুকে নিৰাপত্তা দিব পৰা হব।

মই কেইটামান বস্তু মাননীয় সদস্য সকলক দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো—কিয় বিলখন সমৰ্থন কৰি চাব বিচাৰিছো। প্ৰথম কথা হ'ল Assamese have been exploited and Assamese people have been suppressed and oppressed like anything যিটো প্ৰাকৃতিক সম্পদ আজিলৈকে অসমৰ কোনো জনসাধাৰণে আজি ৰাজনীতিজ্ঞ পুৰুষ যিসকলে চৰকাৰ পৰিচালনা কৰিছে তেওঁলোকেও ৰক্ষা কৰিব নোৱাৰাৰ কাৰণে আজি এই অৱস্থা উপনীত হৈছে। যিটো কাৰণৰ আজি অসমৰ প্ৰাকৃতিক সম্পদ দুৰ্দশাগ্ৰস্ত হৈছে সেইটো আৰু হৈ থাকিবলৈ দিব পাৰিনে? মাননীয় সদস্য সকলক মই খুবেই ভাল পাইছো We know the history of Assam কেনেকৈ বীৰ-বীৰঙ্গনা সকল জীয়াই আছে এই অৱস্থা চলি থাকিলে ভৱিষ্যতেও জীয়াই থাকিব পাৰিবনে আৰু এবছৰ যদি খৰাং আহে তেন্তে কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা আদায় কৰিব পাৰিবনে? দ্বিতীয় কথা হ'ল One-hon rhino is world famous and it is going to be extinct এইটো কোনোবাই পাইছেনে, কোনোবাই সুৰক্ষা দিব পাৰিছেনে এটা সাধাৰণ শিংৰ বাবে একোটা নিমাখিত জন্তু নৃশংস ভাৱে হত্যা কৰা হৈছে। তাৰ প্ৰতি কোনোবাই প্ৰতিক্ষ্য দৃষ্টি ৰাখিব পাৰিছেনে? নাই পৰা।

অধ্যক্ষ মহোদয়, আপুনি উপৰৰ পৰা পশ্চিমলৈ যদি যায় তেতিয়াহলে দেখিব ৰাস্তাৰ কাষত দম দম কাঠৰ ডেঙ বদি পৰি আছে আৰু আমি সেইফালেই হাঁহি মাৰি গৈ আছে। এইদৰে প্ৰকৃতি নঙঠা হৈ গৈ আছে। তাৰ বাবে কোনোবাই চিন্তা কৰিছেনে? আজি অসমত কেনে ধৰণেৰে exploitation চলিছে, it is a long Conspiracy অধ্যক্ষ মহোদয়, আপুনি আগৰ পৰা চাওঁক। অসমৰ বুৰঞ্জী নাইকিয়া হৈছে। এইটো আমাৰ গৌৰৱৰ কথা নহয় অসমখন জীয়াই থাকিব লাগে। দিল্লী, আমেৰিকা, বোম্বাইত থকা আমাৰ কোনো বন্ধু যদি বহু দিনৰ মূৰত ঘূৰি আহে তেনেহলে অসমৰ গেলা-পচা অৱস্থা দেখিলে আমাৰ সন্মান ক'ত থাকিব। এই গোটেই বিলাক কথা চাই মই সম্পূৰ্ণ সমৰ্থন আগবঢ়াইছো আৰু লগতে বিৰোধী পক্ষৰ যিসকল সদস্যই বিৰোধীতা কৰিছে তেখেতসকলকো বৃহত্তৰ স্বাৰ্থৰ খাতিৰত request them to support the Bill মিচ ইউজ কৰা

নহয়। এইটো কৰা নহবৰ কাৰণে এই বিল দাঙি ধৰা হৈছে। আৰু এইটো নিশ্চয় কেতিয়াও কৰা নহব। যিটো উদ্দেশ্য লৈ এই বিলখন অনা হৈছে সেই উদ্দেশ্যৰ প্ৰতি লক্ষ্য ৰাখি সম্পূৰ্ণ সমৰ্থন আগবঢ়াই বাকী সকল সদস্যকো বিলখন গ্ৰহণ কৰাত সহায় কৰিবলৈ মই অনুৰোধ জনাইছো। শেষত বিলখনৰ প্ৰতি পুনৰ মোৰ পূৰ্ণ সমৰ্থন আগবঢ়াই এই বক্তব্য ৰাখি সামৰণি মাৰিছো।

শ্ৰীপদ্ম নাথ কৈৰী ঃ অধ্যক্ষ ডাঙৰীয়া আজি যি 'দি আচাম ফৰেষ্ট প্ৰটেকশ্যন ফৰ্চ বিল' ১৯৮৬ উত্থাপিত হৈছে মই আন্তৰিকতাৰে সমৰ্থন কৰিছো। সমৰ্থন কৰিব লগা হয়ো। এই কাৰণে সমৰ্থন কৰিছো, অসম বুলিলে প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ এখন দেশক বুজায়। মই জন্মৰে পৰা অসমতে প্ৰকৃতিৰ শোভাৰ মাজত ডাঙৰ দীঘল হৈছো, প্ৰকৃততে অসমখন এখন প্ৰকৃতিক সৌন্দৰ্য্য আৰু সৌৰভেৰে ভৰপূৰ এখন দেশ। আজি বহু দিনৰ মূৰত আমি জানিব পৰা কালছোৱাৰ ভিতৰত এই বিলখন আনি সম্পদৰাজীৰ লগতে অসমৰ সৌন্দৰ্য্য আৰু সৌৰভ ৰক্ষণাবেক্ষণ কৰাৰ উদ্দেশ্য এই বিলখন অনাৰ কাৰণে আন্তৰিকতাৰে মই শলাগ লৈছো। আজি কিয়, এই বিলখনৰ সম্পৰ্কত আজিৰ পৰা বহুদিনৰ আগতে চিন্তা কৰিব লাগিছিল। অসমৰ সম্পদৰাজি যদি ৰক্ষা কৰাৰ কথা বহু দিনৰ আগতে চিন্তা কৰিলেহেঁতেন তেনেহলে আমি আজি এই বিলখনৰ সন্মুখীন হব লগা নহলোহেঁতেন। মই ১৯৭৫ চনতে মহাৰাষ্ট্ৰলৈ ফুৰিবলৈ গৈছিলো। তেতিয়া তাত মোক বন্ধুসকলে সুধিছিল—আপোনালোকৰ ঘৰবোৰ কেনেকুৱা আৰু আপোনালোকে কেনেকৈ থাকে অৰ্থাৎ অসমখন এখন যে প্ৰাকৃতিক সম্পদেৰে ভৰ্পূৰ দেশ সেই কথা তেওঁলোকে ভালকৈ জানে। ৫০ বছৰৰ আগৰ অসমখন দেখিলে আজি আমাৰ ভাৱ হয় আমি সচাকৈ অসমৰ সন্তান নহয় নেকি? বহুদিনৰ আগতে আমি এই দেশখন কিয় ৰক্ষা কৰিব নোৱাৰিলে। এই দেশখন ৰক্ষা কৰাৰ আজি যি ব্যৱস্থা হৈছে তাৰ বাবে বিৰোধী পক্ষই আন্তৰিকতাৰে সমৰ্থন জনাবলৈ মই অনুৰোধ জনাইছো। এই বিলখনৰ আগতে বনজ সম্পদ ৰক্ষাৰ কাৰণে। যিসকলক দায়িত্ব দিয়া হৈছিল সেই সকলে একনিষ্ঠ ভাৱে দায়িত্ব পালন কৰিব নোৱাৰাৰ কাৰণে আমাৰ যিবিলাক বনজ সম্পদৰ

হানী হল তাৰ বাবে আমাৰ দেউতাই হওক বা আন কোনোৱাই হওঁক 'এৰেষ্ট' কৰিব পাৰিব লাগিব। আৰু প্ৰাকৃতিক সম্পদৰ ক্ষয়ক্ষতি বন্ধ কৰিব লাগিব। কাৰোবাক ভয় কৰি আমাৰ প্ৰাকৃতিক সম্পদ হানী কৰিবলৈ দিয়াৰ কাৰণ নাই।

মোৰ জন্ম এই অসমতেই। আমি আগতে ৰাতি ৰাতি কুলি-কেতেকিৰ মাত শুনিবলৈ পাইছিলো। কিন্তু আজি কালি এইবিলাক শুনিবলৈ নাপাওঁ, এই বিলাক কলৈ গল? আমাৰ বনাঞ্চল বিলাক ধ্বংস হৈ যোৱাৰ কাৰণেই এই বিলাক চৰাই-চিৰিকতি নাইকীয়া হৈ গৈছে। আগতে আমি পিকনিক খাবলৈ যাওতে ধনেশপক্ষীকে আদি কৰি আমি কিছুমান আপুৰুগীয়া চৰাই-চিৰিকতি দেখিবলৈ পাইছিলো। সেইবিলাক এতিয়া কতো দেখিবলৈ নোপোৱা হলো কিয়? বনাঞ্চল যিমানেই নোহোৱা হৈছে সিমানেই আমাৰ ইয়াৰ পৰা জীৱ জন্তুকে আদি চৰাই-চিৰিকতি পৰ্য্যন্ত নাইকীয়া হৈ গৈ আছে। আমাৰ এই আইনখন পাচ হৈ গলেই আমাৰ বনাঞ্চল ৰক্ষা হব। বনাঞ্চল ৰক্ষা হলেই আগৰ দৰে জীৱ জন্তু, চৰাই-চিৰিকতি আহি ভৰি পৰিব।

আজি বনাঞ্চলত এনেকুৱা অৱস্থা হৈছে যে বন বিভাগৰ বিষয়া সকলেই লাভৰ কাৰণে নানা ধৰণৰ দুষ্কাৰ্ম কৰি আছে। পাভৈ অঞ্চলত বন বিভাগৰ বিষয়াসকলেই কাঠ কাটিবলৈ মানুহ লগাই দিছে। সেইয়া কাঠৰ দাম কিউ-বিক ফুটত ৩০।৪০ টকা। ২০ টকা বন বিভাগৰ বিষয়াক দিব লাগে আৰু বাকী টকা কাঠ কাটিয়াই পায়। এনে ধৰণৰ কাম-কাজ চলি আছে। এই বিলাক নাইকীয়া কৰিবৰ কাৰণে এটা ফৰ্চ গঠন কৰিবৰ কাৰণেই আজি এই বিল অনা হৈছে। ইয়াত বিৰোধী পক্ষৰ সদস্য সকলে ভয় থাকিবলগীয় একো-নাই। এই বাহিনীৰ লোকে চিধা-চিধি গৈ মানুহ নামাৰে। আগতে আমাৰ যি সেউজীয়া অসম আছিল আজি নাই। গাড়ীৰে গলে পাহাৰ বিলাক দেখিবলৈ পোৱা নাযায়। দেখিলেই ভাব হয় যেন অসম খনৰ বহুত পৰি-বৰ্ত্তন হৈ গল। গতিকে এতিয়া চৰকাৰে এইবিলাক পুনৰ প্ৰতিস্থা কৰি এখন নতুন অসম গঢ়িবলৈ চেষ্টা কৰিছে। আজি যিবিলাক আঁচনি লোৱা হৈছে সেইবিলাক ভুৱা নহয়। বাস্তবত পৰিণত কৰা হব। মই এইখিনিতে কৈ আন্তৰিকতাৰে এই বিলখনৰ সমৰ্থন জনালো।

শ্ৰীগনেশ বৰো ঃ মাননীয় অধ্যক্ষ মহোদয়, বন সংৰক্ষণৰ যি খন বিল আনিছে মই তাৰ ওপৰত কেইটামান মন্তব্য ডাঙি ধৰিব বিচাৰিছো। এই বিলৰ সম্পৰ্কত যথেষ্ট আলোচনা হৈ গৈছে। এতিয়া কথা হৈছে এই আইনখন পুনৰ প্ৰতিস্থা কৰিবলৈ উথাপন কৰাৰ নিচিনা হৈছে। এই বিলখন পাচ হৈ গলে আইনত পৰিনত হব। এই আইনখন কাৰ্যত পৰিনত নকৰিলে যথেষ্ট অপকাৰ হব। এই সম্পৰ্কত বিৰোধী দলৰ সদস্য সকলে তেখেত সকলৰ আশংকাৰ কথা কৈ গৈছে। হয়তো শাসক দলে বা বিভাগীয় মন্ত্ৰীয়েও এইটোকে আশ্বাস দিব যে এই বিল পাচ হৈ গলে সৎ উদ্দেশ্যতে ব্যৱহাৰ কৰা হব। এই বিলৰ দ্বাৰা উপকাৰৰ বাহিৰে অপকাৰ একো নহয়। কিন্তু মই এই ক্ষেত্ৰত কিছুমান কথা বুজিবলৈ অসুবিধা পাইছো। কাৰণ এনেকুৱা উদাহৰণ আমাৰ হাতত আছে যে যেতিয়া কিছুমান কথাত আসুৱাহ পালে সেই বিলাক চৰকাৰৰ দৃষ্টি গোচৰ কৰিলেও সেই বিলাকৰ ওপৰত কোনো ব্যৱস্থা কৰা নহয়। যোৱা বাজেট অধিবেশনতে মই এটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ উথাপন কৰিছিলো। সেইটো হৈছে যে কেন্দ্ৰীয় চৰকাৰে বন গাওঁ বিলাকৰ উন্নয়নৰ কাৰণে ২ লাখ ৬৬ হাজাৰ টকাৰ মঞ্জুৰ কৰিছিল। এই টকা বিলাক অপব্যৱহাৰ কৰা হৈছে। এই প্ৰশ্নৰ উত্তৰত তেতিয়া বিভাগীয় মন্ত্ৰীয়ে কৈছিল আৰু আস্বাস দিছিল যে এই সম্পৰ্কত যাবতীয় ব্যৱস্থা লোৱা হব। ইয়াৰ কাৰণে এটা অনুসন্ধান চাব কমিটি কৰি দিয়া হল। কিন্তু কথা হল এই অভিযোগ যাৰ ওপৰতে অনা হৈছিল সেই জন বিষয়াকে সেই চাব কমিটিৰ সদস্য কৰি দিয়া হল। গতিকে চাওক, যি জনে দোষ কৰিছে তেওঁকে তেওঁৰ কি দোষ কৰিছে তাৰ অনুসন্ধান কৰিবলৈ দিয়া হৈছে। ইয়াৰ দ্বাৰা কি লাভ হব ? কিবা সচা তথ্য প্ৰকাশ পাবনে ? কিবা লাভ হবনে সেইটো সহজেই সকলোৱেই অনুমান কৰিব পাৰে।

মই আৰু এটা কথা কব বিচাৰিছো যে মোৰ ওচৰতে পানবাৰী নামৰ এটা টাইগাৰ প্ৰজেক্ট আছে। এই টাইগাৰ প্ৰজেক্টৰ কৰ্মচাৰী সকলৰ কাৰ্য্যকলাপৰ বিষয়ে মই মন্ত্ৰী মহোদয়ক জনাইছো। মুখ্য মন্ত্ৰীকো জনাইছো তাৰ কৰ্মচাৰী সকলে ৰেভিনিউ অৰগেনাইজ কৰিছে। তেওঁলোকে কৈছে যে তোমালোকৰ কাক কি লাগে আমাক নাম দিয়া। আমি গাহৰী লাগিলে গাহিৰ

দিম, কাৰোবাক পলটি লাগিলে পলটি দিম, হস্পিটাল দিম পশু চিকিতসালয় দিম ইত্যাদি ইত্যাদি । মই তেতিয়া সুধিছিলো যে বন বিভাগত ৰেভিনিউ বৰ্ডৰ কাম কৰাৰ কিবা আচনি আছে নেকি ? তেতিয়া তেখেতে কলে যে আমাৰ তেনেকুৰা কোনো আচনি নাই ।

তেতিয়া ডেপুটি ৰেঞ্জাৰজনে উত্তৰ দিছিল যে লিখিত অৰ্ডাৰ বা চৰকাৰৰ ফালৰ পৰা তেনে কোনো অৰ্ডাৰ নাই । যদি কোনো অৰ্ডাৰেই নাই তেনেহলে কেনেকৈ কৰিলে । এই সম্পৰ্কত মই এটা বিধান সভাত প্ৰশ্ন উত্থাপন কৰিছিলো কিন্তু প্ৰশ্নটো বিধান সভাত নাহিল । মই বন মন্ত্ৰীক কৈছিলো । কিন্তু তেখেতে ব্যৱস্থা লম বুলিও কোনো ব্যৱস্থা লোৱা নাই । কোনো চিঠি পত্ৰ নাই কিন্তু কৰ্ম্মচাৰী বিলাকে গাৱে গাৱে গৈ কয় নাম দিয়ক । এই বেআইনী ব্যৱস্থা চলি আছে । এই নতুন আইন ক্ষেত্ৰত চৰকাৰে হয়তো কব যে আমি এই আইনৰ অপব্যৱহাৰ নকৰো । মই ইয়াৰ আগতে এটা কথা কৈছিলো যে কিছুদিন আগতে কেইবাখনো খয়েৰৰ ট্ৰাক ধৰা হৈছিল । চিজাৰ লিষ্টো দিয়া হ'ল । অকচন আজিলৈ কৰা নাই কিন্তু সেই ট্ৰাকৰ খয়েৰবিলাক নাই । এই অভিযোগ সম্পৰ্কে মন্ত্ৰী মহোদয়ক জনাইছিলো কিন্তু কোনো ব্যৱস্থা লোৱা নহ'ল । গতিকে এই আইনৰ দ্বাৰাও বেয়া কাম কৰা নহয় বুলি কলে আমি কেনেকৈ পতিয়ন যাম ? আমি কিবা কলেই আগৰ চৰকাৰে কৰা বুলি কয় কিন্তু এই চৰকাৰৰ দিনতেই ২.৬৬ কোটি টকাৰ এটা অভিযোগ আনিছিলো । অনুসন্ধান কৰিবলৈ দিয়া বুলি কৈছে এজন উচ্চ পদস্থ বিষয়াৰ দ্বাৰা কিন্তু যিজন উচ্চ পদস্থ বিষয়া তেওঁকে এই অনুসন্ধানৰ গুৰি ধৰিবলৈ দিছে । গতিকে এই আইন ভাল অৰ্থত ব্যৱহাৰ হব বুলি কেনেকৈ আশা কৰিব পাৰি ? এই আইনৰ আমি বিৰোধীতা কৰিলেও হয়তো পাছ হৈ যাব । কালিলৈ যেতিয়া ৰেডিও খবৰৰ কাগজত প্ৰচাৰ হৈ যাব যে এই বিল পাছ হৈ গৈছে তেতিয়া বহুত কৰ্ম্মচাৰী বা অন্যান্য মানুহে বহুত চাকৰী ওলাইছে বুলি টকা লোৱা আৰম্ভ কৰিব । গতিকে মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে চৰকাৰক এটা কথা কব বিচাৰিছো যদি এই আইনৰ জৰিয়তে ফৰেষ্ট অঞ্চলত থকা ৰাইজৰ এক্সপ্লইট কৰিব বিচাৰিছে তেনেহলে কবলগীয়া নাই কিন্তু যদি ৰাইজৰ উপকাৰৰ কাৰণে কৰিছে তেনেহলে এই আইনৰ সত্ ব্যৱহাৰ

কৰিব নোৱাৰিলে ৰাইজৰ অমঙ্গল হব। এই বিষয়ে আমাৰ দলনেতা শ্ৰীচৰণ নাৰ্জাৰী ডাঙৰীয়াই কৈ গৈছে যে ইয়াৰ দ্বাৰা অশান্তিৰ সৃষ্টি হব বুলি।

এইখিনিকে কৈ বক্তৃতাৰ সামৰণি মাৰিলো।

Shri Seikh Abdul Hamid : Hon'ble Speaker Sir, I want to participate in the discussion of Forest Protection Force Bill, 1986. My observation on this Bill is that the main contention of the bill is that to use force with arms and ammunitions by the person/ persons who will be engaged in such protection duty. The main intention of the Govt. will fail because in this bill, it has been mentioned that without any warrent or without any judicial enquiry or without any FIR the persons suspected will be arrested. Sir, in a democratic country with full set up of Govt. how a person can be arrested without any FIR or without any official records against him or her. This will be a complete misuse of power by the person or persons engaged in such Forest Protection Force. Sir, in this regard, I oppose the Bill. Sir, I want to draw your kind attention on to-day's incident in case of our Hon'ble Member Shri Sahidul Islam. Sir, the Member has every right to say regarding this Bill. Hon'ble Member has every right to speak and object to any point but that should be with due consideration with due regard and with due respect to the Chair. Sir, you have complete jurisdiction, complete discretion and you can give any verdict and that is binding on the House. Sir, some Hon'ble Members have made misbehaviour to Shri Sahidul Islam which is very much unexpected and unsatisfactory. We never want such situation again and with these words I conclude my speech. Thank You, Sir.

শ্ৰীবলোভদ্ৰ তামূলী :— মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত যি অসম ফৰেষ্ট প্ৰতেকচন ফৰ্চ বিল উথাপন কৰিছে মই তাক সৰ্ব্বাত্মকৰণে সমৰ্থন জনাইছো। এই বিলখন আজিৰ পৰা ১০ বছৰ আগতে উথাপন হব লাগিছিল। মই ভাবো এইখন বিল এই সময়ত উথাপন নকৰাহলে অসমৰ

বন সম্পদ বন্যপ্ৰাণী আৰু বেছি ধ্বংসৰ মুখলৈ গ'লহেতেন। মই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কাষতে বসবাস কৰো। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত আজিও চোৰাং-ভাবে গড় নিধন চলিয়ে আছে। গতিকে এনে এখন বিল সময়োপযোগী হৈছে। এই বিলখনৰ দ্বাৰা অতুৰ ভবিষ্যতে আমাৰ বনসম্পদ বন্যপ্ৰাণী সংৰক্ষন কৰাৰ ব্যৱস্থা কৰিব পৰা যাব। ইয়াৰ আগতে এই কামত কিছুমান হোমগাৰ্ডক নিয়োগ কৰা হৈছিল কিন্তু তিনিমাহ মান আগতে বিশেষ কাৰণত তেওঁলো-কক আতৰাই আনিবলগীয়া হ'ল। হোমগাৰ্ড নথকাৰ সুবিধালৈ নিৰ্ব্বিঘ্নে গড় নিধনৰ কাম চলিয়ে আছে। এই চোৰাং কাৰবাৰ বিলাকত আনকি ফৰেষ্টৰ কৰ্ম্মচাৰীও লিপ্ত থাকে। গতিকে এই বিলখন বৰ সময়োপোযোগী হৈছে। এজন মাননীয় সদস্যই কৈছে যে মানাহ অভয়াৰন্যৰ ওচৰত ৰাইজক কিছুমান সাসুবিধা আদি দিয়াৰ কথা কৈছে। সাধাৰনতে নেচনেল পাৰ্ক বিলাকৰ ওচৰত থকা ৰাইজৰ মাজত সম্পৰ্ক গঢ়ি তুলিবৰ কাৰণে কিছুমান সাসুবিধা দিয়ে। মই কাজিৰঙাতো তেনে সুবিধা দিয়া দেখিছো। মানাহতো নিশ্চয় তেনেই হৈছে।

Shri Charan Narzary :— On a point of order, Sir, the Hon. Minister has denied that there is any such Scheme .

শ্ৰীবলভদ্ৰ তামুলী ঃ— বন্য প্ৰানী সংৰক্ষণৰ ক্ষেত্ৰত তেনে ব্যৱস্থা আছে বুলি আমি জানিব পাৰিছো। অধ্যক্ষ মহোদয়, চেকচন ৪ৰ যোগেদি বন বিভাগত প্ৰটেকচন ফৰ্চ দিয়াৰ ব্যৱস্থা কৰাত আমি সুখী হৈছো কাৰণ ইয়াৰ দ্বাৰা বন সংৰক্ষনৰ ক্ষেত্ৰত কিছু কাম হব। মই বিশেষকৈ আমাৰ বোকাখাট অঞ্চলৰ কথা কব খুজিছো। বন বিভাগৰ মানুহে কেতিয়াও চোৰাং চিকাৰী ধৰিব নোৱাৰে, কাৰণ বন বিভাগৰ মানুহ দেখিলেই তেওঁলোক দৌৰী গৈ গাৱঁৰ মানুহৰ ঘৰত সোমায়গৈ আৰু এই ঘৰ ৰেইড্ কৰিব পৰাৰ অধি-কাৰ তেওঁলোকৰ নাছিল। সেয়ে এতিয়া এই বিলৰ যোগেদি যি আইন হব সেই আইনৰ যোগেদি এই অধিকাৰ বন ৰক্ষী বাহিনীক দিয়া হৈছে। ইয়াৰ ফলত চোৰাং চিকাৰী ধৰাৰ সুবিধা হব। গতিকে এতিয়া আমি আমাৰ কাজিৰঙাৰ আপু-ৰুগীয়া গড় ৰক্ষা কৰিব বুলি ভাৱিছো। বন্য প্ৰানীৰ ক্ষেত্ৰত এনে ধৰণৰ আইন অতি প্ৰয়োজন হৈ পৰিছে। কাজিৰঙাত চোৰাং চিকাৰী সকল অতি

চফিষ্টিকটেড অস্ত্র লৈ সোমাই কিন্তু আমাৰ আৰক্ষী বাহিনীৰ হাতত এনে ধৰণৰ অস্ত্র নথকাৰ বাবে তেওঁলোকক বাধা দিব পৰা নাই। গতিকে নেচনেল পাৰ্কৰ ক্ষেত্ৰত সংৰক্ষন দিবলৈ হলে অত্যাধুনিক অস্ত্র সস্ত্র যোগান দিব লাগিব।

চচিয়েল ফৰেষ্ট্ৰিকো ইয়াত সামৰি লোৱা হৈছে। এইটো ভাল কথা হৈছে। চচিয়েল ফৰেষ্ট্ৰিত অকল গছ ৰুলেই নহব, প্ৰাকৃতিক ভাৱে গছ গছনিৰ সংৰক্ষনো কৰিব লাগিব। কাৰণ আমাৰ আপুৰুগীয়া বহু বনৌষধিৰ গছ হাবি জংঘলত থাকে আৰু সেই বোৰৰ কোনো সংৰক্ষন নোহোৱাত নিঃশেষ হৈ যাব ধৰিছে। সেয়ে প্ৰাকৃতিক ভাৱে এই গছ গছনিৰ সংৰক্ষনৰ ব্যৱস্থাৰ প্ৰয়োজন। অসংখ্য গছ গছনি কটাৰ ফলত আজি অসমত খৰাং বতৰৰ সৃষ্টি হৈছে লগতে ইয়েই ভূমিস্খলনৰো এটা কাৰণ। গতিকেই বন জংঘল আদি ৰক্ষা কৰিবৰ কাৰণে এই বন ৰক্ষী বাহিনীয়ে যাতে বিহিত ব্যৱস্থা লব পাৰে তেনে ব্যৱস্থা এই বিলখনে দিব বুলি আশা কৰিছো। সেয়ে অসমৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত এই বিলখন সকলোৱে সমৰ্থন জনোৱা উচিত আৰু মই মোৰ পূৰ্ণ সমৰ্থন জনাই সামৰণী মাৰিলো।

SHRI SILVIUS CONDPAN : Mr Speaker Sir, I would like to make a very brief observation on this piece of legislation. Rather I would like to support this Bill. Scme Hon. Members have expressed some anguish, some serius concern in connection with the damages done to the forests and wild life in forests. Actually the same serious concern was expressed not only at the State level but also at the national level. I remember some time in the past during the time of our former Prime Minister, Indira Gandhiji, she had taken the matter of forests and its protection not as a State problem but rather as a national problem, and I remember sometime in the year 1982-83 she constituted a very High-power Committee headed by the then Cabinet Secretary, Krishnaswami Rao Saheb, to go deep into the problem of protecting the forest wealth and wild life. That high power Committee submitted its findings and these findings were

accodingly circulated to the respective State Governments. In acceptance of that, the previous State Govt. of Assam, I remember, sometime during 1984-85 and 1985-86, they set up the Assam Forest Protection Force and actually appointed personnel. That is why the reason I would like to support the Bill now under consideration. That Assam Forest Protection Force which was started by the previous Government during 1984-85 is now sought to be regularised by this piece of legislation, if I remember aright, this is a continuance of the action and there is nothing now. Therefore, I do not like to object or oppose the Bill. That is why, I support the Bill. Thank you Sir.

শ্ৰীগনেশ কুটুমঃ— অধ্যক্ষ মহোদয়, মই চুটিকৈ কম। মই এটা কাহিনী কব খুজিছো আৰম্ভনীতে। এদিন মোৰ এজন বন্ধু চিকাৰ কৰিবলৈ গল যাওঁতে বাটত তেওঁ বিদেশী চিকাৰী এজন লগ পালে। তেওঁ সুধিলে কলৈ যায়, বিদেশী চিকাৰীয়ে কলে গড় মাৰিবলৈ যাওঁ। তেতিয়া বন্ধুয়ে কলে এনেকৈতো গড় মাৰিব নোৱাৰি, প্ৰথমতে গড়ক ভাকুতকুটায় দিব লাগিব তেতিয়া গড়ে হাঁহিব। আৰু হাহিলেহে গড় মাৰিব পাৰিবা। চিকাৰী গল গৈ গড়ক দিলে ভাকুতকুটায় আৰু দৌৰ মাৰি গৈ গছ এজোপাৰ ওপৰত উঠিল গড় মাৰিবলৈ কিন্তু এতিয়া গড়ে নাহাঁহেই। ছয়দিনৰ পিচত গড়ে হঁহা আৰম্ভ কৰিলে কিন্তু তেতিয়া চিকাৰীৰ বন্দুকটো ডাঙিবলৈকে গাত শক্তি নোহোৱা হৈ পৰিছে। তাৰমানে গড়ৰ ছাল ইমান ডাঠ যে সেই ভাকুতকুটনিয়ে তাৰ ইন্দ্ৰিয় ভেদ কৰি হাহি উঠিবলৈ ছ'দিন সময় লাগে। সেই দৰেই আমি যোৱা ছয় বছৰে আন্দোলন কৰিলো আৰু এতিয়াহে অনুভৱ কৰিব পাৰিলো যে এনে এখন আইনৰ প্ৰয়োজন আছে। আমাৰ আগৰ চৰকাৰ বিলাকে এই কথা অনুভৱ কৰিব নোৱাৰিলে। তেওঁলোকে এইবোৰ নেদেখিলেই। আমি এইটো এতিয়া উপলব্ধি কৰিছো আৰু বিলখন সময়োপযোগী হৈছে বুলি কৈছো। সেয়ে উথাপন কৰিছো যদিও বহু দেৰী হৈ গল।

তাৰ পিছত শুনক মোৰ দ্বিতীয় কাহিনীটো।

অধ্যক্ষ মহোদয়, আজি ভাৰতবৰ্ষৰ বা পৃথিৱীৰ ডাঙৰ ডাঙৰ চহৰবোৰত

কিছুমান উদ্যান থকা দেখিবলৈ পাও। আৰু এই উদ্যানবোৰত কিছুমান ডাঙৰ ডাঙৰ ব্যক্তিৰ বগা, কলা পথাৰৰ প্ৰতিমূৰ্ত্তী দেখিবলৈ পাও। আমাৰ ইয়াতো আছে—জনতা ভৱনৰ সন্মুখত মহত্মা গান্ধীৰ প্ৰতিমূৰ্ত্তী আৰু ব্ৰহ্মপুত্ৰৰ দলঙৰ উত্তৰ পাৰে অৰ্থাৎ শৰাইঘাট দলঙৰ উত্তৰে বীৰ চিলাৰায়ৰ প্ৰতিমূৰ্ত্তী স্থাপন কৰা হৈছে। এই দুটা প্ৰতিমূৰ্ত্তীৰ ওপৰত কিন্তু কোনো চৰাই চিৰি-কটিয়ে মল ত্যাগ নকৰে। আনবোৰ ঠাইত থকা আন প্ৰতিমূৰ্ত্তী বোৰত কিন্তু চৰায়ে মল ত্যাগ কৰা দেখা যায়। এই দুটা প্ৰতিমূৰ্ত্তীৰ ওপৰত মলত্যাগ নকৰাৰ কাৰণ আছে—সেইটো হৈাছ—মহত্মা গান্ধীৰ প্ৰতিমূৰ্ত্তীটোত মহত্মাৰ হাতত এডাল লাঠি আছে আৰু চিলাৰায়ৰ প্ৰতিমূৰ্ত্তীৰ হাতত এখন তৰোৱাল আছে—যাৰ কাৰণে চৰায়ে তাত পৰি মলত্যাগ কৰিবলৈ ভয় কৰে। আজি আমাৰ এই সদনত বন সুৰক্ষা বিষয়কে যিখন বিধেয়ক অনা হৈছে সেইখন সম্পুৰ্ণ সুসজ্জিত কৰি অনা হৈছে, স্বয়ং সম্পুৰ্ণ কৰি অনা হৈছে—যেনিবা হাতত তৰোৱাল বা লাঠি দিয়া হৈছে। এইখন অতি সময়োপযোগী হৈছে। এই বিলখনৰ যোগেদি আমাৰ বনজ সম্পদ সম্পুৰ্ণ ভাবে ৰক্ষনাবেক্ষণ দিব পৰা হব বুলি মই আশা কৰিছো আৰু এই বিলখনৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াইছো আৰু মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

শ্বেখ চমন আলি :— মাননীয় অধ্যক্ষ মহোদয়, আজি এই সদনত অসম বন সুৰক্ষা বাহিনী নামৰ যিখন বিধেয়ক অনা হৈছে ইয়াৰ ওপৰত মোৰ বিষেশ তেনে কবলগীয়া নাই যদিও এই ক্ষেত্ৰত এটা কথা কবলৈ ওলাইছো যে বন সম্পদ ৰক্ষা কৰাৰ নামত যাতে এই বনাঞ্চলত থকা বা বসবাস কৰা মানৱ সম্পদ নষ্ট কৰা নহয়। কিয়নো বনজ সম্পদতকৈ মানব সম্পদ উৰ্দ্ধত। আজি অসমত বনজ সম্পদবোৰ ধ্বংস কৰা হৈছে, সচা কথা আৰু ইয়াৰ ৰক্ষণা-বেক্ষণৰো প্ৰয়োজন আছে। কিন্তু আশংকা হৈছে ইয়াৰ ফলত বেলেগ পৰি-স্থিতিৰ উদ্ভৱ হব বুলি। মাননীয় সদস্য শ্ৰীনাৰ্জাৰী ডাঙৰীয়াই কৈছে যে এই আইনখন প্ৰয়োগ হলে 'চিভিল ওৱাৰ' হব। এইটো তেখেতে শংকাই কৰিছেনে নে কিবা এই বিষয়ত গ্ৰীন চিগনেল পায়েই কৈছে কব পৰা নাই। মাননীয় সদস্য শ্ৰীশৰ্ম্মা ডাঙৰীয়াই কৈছে চিভিল ওৱাৰ হব বুলি। এই প্ৰটে-কচন ফৰ্চে বনজ সম্পদ ৰক্ষা কৰাৰ লগতে বিদেশী খেদাৰ কামো কৰিব-নেকি ?

অধ্যক্ষ মহোদয়, এইটো পৰিতাপৰ বিষয় যে কোনোবা কোনোবা সদস্যই চাওলাখোৱা আৰু ওৰাং অভয়াৰণ্যত বাস কৰা মানুহখিনিক অসমীয়া নহয় বাংলাদেশী বুলি কৈছে। কিন্তু মই মাননীয় সদস্য সকলক জনাও যে সেই সকল লোকৰ অবদানতে আজিৰ অসমীয়া সংস্কৃতি জীয়াই আছে। এইটো অস্বীকাৰ কৰিলে উপকাৰীক অজগৰে খোৱাহে হব। মই নিজেয়েও অসমীয়া আৰু অসমীয়া মধ্যমতে পঢ়িছো আৰু আমাৰ মানুহখিনিয়েও অসমীয়াহে পঢ়ে আৰু আগলৈও পঢ়িব কিন্তু আজিৰ অসমীয়াই এইটো স্বীকৃতি দিব খোজা নাই।

আমাৰ ঘৰত আমি বিদেশীক কেতিয়াও আশ্ৰয় নিদিও। আৰু এটা কথা চৰ অঞ্চলত থকা ইমিগ্ৰেণ্ট মুছলমান সকলৰ অবদানতেই আজি অসমীয়া সংস্কৃতি জীয়াই আছে।

অধ্যক্ষ মহোদয়, এটম বোমা যি তৈয়াৰ কৰিছিল তেওঁ কেতিয়াও বিচৰা নাছিল নাগাচাকি আৰু হিৰোচিমাত ইয়াৰ প্ৰয়োগ হোৱাটো। আমি এই আইনৰ জৰিয়তে বন সম্পদ ৰক্ষা কৰাটো বিচাৰিছো কিন্তু তাৰ লগতে মানব সম্পদ ধ্বংস কৰাতো নিবিচাৰো কাৰণ বনাঞ্চলত যিবোৰ মানুহ আশ্ৰয় লয় সেইবোৰৰ বেছি ভাগেই নদীয়ে ভঙা মানুহ। এওলোক নদীতেই উটি যাব লাগিছিল কিয় যে আশ্ৰয় বিচাৰে বুজি পোৱা নাই। এই মানুহখিনি পুনৰবাসন দিয়াটো চৰকাৰৰ কৰ্ত্তব্য। এই বিলৰ যোগেদি বন সংৰক্ষণ নকৰি যদি বিদেশী খেদাৰ কাৰণেহে ব্যৱহাৰ কৰা হয় তেন্তে চিভিল ওৱাৰ হোৱাৰ সম্ভৱনা হয়তো আছে। এই বিলখন যাতে মিনিমাম নেচেচিটিতহে প্ৰয়োগ কৰা হয় মেক্সিমামত যাতে কৰা নহয় এই আশা ৰাখি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীভবেন নাৰ্জী :— অধ্যক্ষ মহোদয়, মাননীয় বন মন্ত্ৰীয়ে যিখন বিল উত্থাপন কৰিছে তাক মই পূৰ্ণ সমৰ্থন কৰিছো। সভ্যতা গঢ়ি উঠাৰ লগে লগে বনজ সম্পদ ধ্বংস হয়। আমাৰ অসমখন আগতে হাবিৰে ভৰপূৰ হৈ আছিল। মোৰ এতিয়া ৬০ বছৰ বয়স হৈছে। ১০ বছৰ বয়সত আমি হাবিৰ মাজে মাজে স্কুললৈ অহা-যোৱা কৰিবলগা হৈছিল। তেতিয়া আমি অকলে যাব

নোৱাৰো, গোটেইবোৰ লৰা লগহৈ স্কুললৈ যাও, নহলে বাটত বাঘ, ভালুক ওলোৱাৰ ভয় থাকে। আমাৰ আগৰ চৰকাৰে অসমৰ বহু গছ-গছনি কাটি বনজ সম্পদ নষ্ট কৰিলে। এতিয়া আমাৰ অসম গণ পৰিষদ চৰকাৰৰ শুভ বুদ্ধিৰ কাৰণেই এই বিলখন উথাপন কৰিছে।

আপোনালোকে জানে যে, আগতে যিমান বিলাক হাবি বা জীৱ-জন্তু দেখিবলৈ পোৱা গৈছিল আজি আমি বয়োবৃদ্ধ সকলে তেনেকুৱা হাবি বা জীৱ-জন্তু বিলাক চিৰিয়াখানা বা ৰাষ্ট্ৰীয় উদ্যানৰ বাহিৰে কতো দেখিবলৈ পোৱা নাই। আগতে যেনেকুৱা হাবি আছিল আজি তেনেকুৱা হাবিও নোহোৱা হৈছে। অসমত আগতে দেও ছাগলী আৰু খাগৰিকটা সহা নামৰ এবিধ সহা পহু আছিল। খাগৰিকটাৰ সহাৰ কাণ দুখন মেকুৰীৰ দৰে আৰু দেও ছাগলীয়ে বহুতো দৌৰিব পাৰে। এনেকুৱা সহা পহু আজি আমাৰ অসমীয়া গাওঁত নাই। মই বহুত ঠাই ঘূৰিছো, হাবীটো এনেকুৱা সহা পহু নোহোৱা হৈছে। আগতে বহুত জঙ্ঘল আছিল কিন্তু এতিয়া সেই হাবি বিলাক পৰিস্কাৰ হৈছে। অসমৰ হাবিত লাহে লাহে বাঘও নোহোৱা হৈ আহিছে। ৰাজ্যখনত আগৰে পৰা যদি বন সংৰক্ষণৰ ব্যৱস্থা কৰিলেহেতেন আজিৰ দিনত অসমৰ বন জঙ্ঘলৰ এই অৱস্থা নহলহেতেন। ৰাছিয়া আৰু অন্যান্য ঠাইত জীৱ-জন্তু বিলাক অতি সুৰক্ষিত ভাবে সংৰক্ষণ কৰা হয়। আনকি খোৱা খাদ্যও বিতৰণ কৰা হয়। কেতিয়াবা আৱশ্যক অনুযায়ী জীৱ-জন্তু বিক্ৰীও কৰে আৰু মানুহৰ খাদ্যৰ কাৰণে ব্যৱহাৰ কৰা হয় আৰু এই বিলাকত যথেষ্ট প্ৰতীন থাকে। কিন্তু অসমৰ নিচিনা ঠাইত য'ত আজি গড়ৰ নিচিনা এক মূল্যবান জন্তু যাৰ খড়্গটোৱেই অকল মূল্যবান নহয় ইয়াৰ সমষ্ট হাত ভৰি ছাল ইত্যাদি অধিক মূল্যবান। আমি জনামতে গড়ৰ খড়্গ কিনিলে শনি গ্ৰহৰ প্ৰকোপৰ পৰা ৰক্ষা পাব পাৰি। চুৱা ইত্যাদি নহয়। আনকি, ইয়াৰ অপব্যৱহাৰ কৰিলে শুনামতে বাওহাতত পিন্ধিলে খুলি পৰে। সোহাততহে পিন্ধিব লাগে। আগৰ চৰকাৰে এনে বিলাক মূল্যবান সম্পদৰ সৈতে বন জঙ্ঘল সংৰক্ষণ কৰাৰ ক্ষেত্ৰত অধিক গুৰুত্ব নিদিলে ? তেওঁলোকে হয়তো ভাবিছিল এই বিলাক কৰিবলৈ গলে তেওঁলোকৰ এম. এল, এ ছিট নাথাকিব, খাবলৈ ৰোজগাৰ নহব ইত্যাদি। তাৰ পাচত ভোট বেংকৰ পৰা বঞ্চিত হব আৰু

আন বহুতো কথা আছে। আমাৰ নিছিনাটো নহয় যে আমি এম, এল, এ নাথাকিলেও কোনো লোকচান, কাৰণ আমি খেতি বা অন্যান্য কাম কৰি খাব পাৰিম। গতিকে দেশৰ মঙ্গলৰ কাৰণে বন জঙ্গল ৰক্ষা কৰাৰ কাৰণে যদি বিল আনি কোনো সুব্যৱস্থা কৰে আমি নিশ্চয় ভাল পাম। ১৮৯১ চনৰ পৰা এতিয়ালৈকে প্ৰায় এশ বছৰেই হব ফৰেষ্ট আইন খন একেই থাকিল অথচ বন জঙ্গল কমি আহিছে আৰু আন হাতেদি জনসংখ্যা বৃদ্ধি হৈছে। গতিকে ভবিষ্যতে ৰাইজৰ কল্যাণৰ কাৰণে বন জঙ্গল সংৰক্ষণৰ ক্ষেত্ৰত আমাৰ যথেষ্ট দায়িত্ব আছে। প্ৰকৃতিৰ লগত সামঞ্জস্য ৰাখি আমাৰ অভিজ্ঞতা বোৰেৰে আমাৰ দায়িত্ব বিলাক আৰু চৰকাৰৰ দায়িত্ব সততাৰে পালন কৰিব লাগিব আৰু সেই অনুসৰি এই ক্ষেত্ৰত যি বিল অনা হৈছে সেইখন চালি-জাৰি চাব লাগে। আমি ভাল পাইছো। মাত্ৰ ৭ মাহ অতিক্ৰম কৰাত এই নতুন চৰকাৰে এনে এখন গুৰুত্বপূৰ্ণ বিল আনিছে এইটো আমি সমৰ্থন জনাইছো। সভ্যতা ৰাখিবলৈ হলে সুষ্ঠ ভাবে চিন্তা কৰিব লাগিব। আৰু দেশ ৰক্ষা কৰিবৰ কাৰণে সভ্যতাক ৰক্ষা কৰিব লাগিব। আমাৰ যদি সম্পদ ৰাজি আৰু বস্তুবিলাক নোহোৱা হৈ যায় তেতিয়াহলে বিপদ আহি পৰিব। আন্তঃৰাষ্ট্ৰীয় পৰ্য্যটক মানচিত্ৰত অসমো আছে। পৃথিবীৰ বিভিন্ন ঠাইৰ পৰা ৰাষ্ট্ৰৰ বিভিন্ন ঠাইৰ পৰা পৰ্য্যটক ইয়ালৈ আহে গুৱাহাটী বিশ্ববিদ্যালয়ত এটা অনুসন্ধান অধ্যয়ন কৰা হৈছিল। আমাৰ ইয়াত থকা সৰু তাকুৰী নামৰ এবিধ জন্তু নোহোৱা হৈ গ'ল এই সৰু টাকুৰীটোক মাৰিলে সি তাকুৰী ঘূৰা দি ঘূৰি ঘূৰি মৰে আৰু সেই কাৰণে ইয়াক তাকুৰী বুলি কোৱা হয় কিন্তু ইয়াৰ প্ৰকৃত নামটো বেলেগ। আমি ৰিজাৰ্ভত ঘূৰি ঘূৰি কতো নাপালো। নামটো বহীৰ পৰাই লিখি দিলো। গতিকে যি আইন ব্যৱস্থাৰ দ্বাৰা আমাৰ ৰাজ্যৰ তথা দেশখনৰ সভ্যতা ৰক্ষা পৰে আৰু ভবিষ্যত মঙ্গলজনক হয় আৰু যি সভ্যতাৰ দ্বাৰা মানব সভ্যতা অটুত থাকে তেনেকুৱা আইন ব্যৱস্থা সমৰ্থনযোগ্য। তেনে এটা দৃষ্টিভঙ্গীলৈয়ে এই আইনখন সুষ্ঠ ভাবে চিন্তা কৰি ৰচনা কৰা হৈছে আৰু সেই কাৰণে এই বিধেয়কখন মই সমৰ্থন কৰিছো।

Shri Dewan Jonal Abedin : Mr. Speaker, Sir, Assam is very rich in forest resources. Similarly, the wild-life of Assam is very precious and it is very deplorable that during the last few years

the trees and wild-life have been destroyed indiscrimnately. Sir, this is really deplorable and I appreciate the concern of the Government to preserve and protect the forest resources, the wild-life of the State. Sir, not with standing my sharing in full ansiety of the Government to protect the forest resources of the State, well, I do not like to support the Bill. Sir, this Bill has to be examined very carefully. Sir, why I do not like to support the Bill. The forest resources have been destroyed all over the State. In fact, if anybody is responsible over the years for this destruction I would like to charge first of all the Forest Department. Sir, with due apology I would like to say that this department from top to bottom is responsible for the total destruction of the forest. Sir, I can cite innumerable instances. Sir, this Bill presupposes one thing that the forest officers are Dharmavatar Devil-Gods and that is why Sir, unlimited power has been handed over to the forest officers like the Conservator of Forest. Sir, I wonder how the Home Department has allowed this Bill to be brought. This encroaches directly upon the rights of the Home Department. Sir, maintenance of law and order is the business of the Home Department. There is the mention of Cr. P C. Sir, Cr. PC is applied under the guidance of Majistrates, under the purview of judiciary. I would like to call it a fascist bill, a black bill. Sir, here we find that an official, who is not an official of the Home Deptt., has been allowed to arrest without warrant and to go in for searches without obtaining the order of the Magistrate. Sir, as you know, even in such cases a Police official of the Home Deptt. is also required to take order from the Magistrate. But, Sir, here an unlimited power has been given to the Forest Officer without taking into consideration all these aspects. Sir, here in Clause 11 (1) of the Bill says that "Any Supervisory Officer or Member of the Force, may without any order from a Magistrate and without a warrant, arrest any person, who has been concerned in or against whom a reasonable suspicion exist of his having been concerned in or who

is found taking precautions to conceal his presence under circumstances which afford reason to believe that he is taking such precautions etc." So, Sir, here this clause has given power to a forest official to arrest without warrant. Sir, is a Forest-officer 'Dharmabatar' ? Here by this clause the power of judiciary has been taken over by the Forest Officer. This is unthinkable. That is why I have termed it as a fascist bill, a black bill. Sir, the bill that takes away the democratic power of any citizen cannot be called a good bill. Sir, forest officials right from top to bottom are corrupt. By giving unlimited power to forest officials without supervison of the magistrates, one can easily understand how they will lead to catastrophy. I would like to cite an example. As you are aware, on 19th July last how an incident took place at Bogribari at the instance of the Forest Department. Candidates for the recruitment from four divisions were asked for the interview at Bogribari near Mohamaya. Some 5,000 candidates turned up from these from four divisions. But there was no arrangement for such candidates. There was no medical arrangement, there was no arrangement for ambulence and there was no arrangement for proper conduction of the interview. Candidates were asked to run a race of 32 kms within a forest area. Then, Sir, the time of the interview was 8 a.m. (morning). Therefore, the candidates from the previous day. Many candidates had to pass the night on roadside. Officials of the forest department passed the whole night there drinking and remained in an intoxicated mood. In the morning, there was an altercation because of lack of arrangement and all that. The behaviour of a particular forest officer (D.F.O.) was very provocative. It was he who misued his position which ultimately led an altercation and later on he brought the police force for lathi-charge. There was no magistrate. At Bogribari Thana, for the last 3 months was no Police Incharge and one very junior officer was incharge of the Thana and he was the man who ordered for lathicharge as instructed by the Officials of the Forest Deptt. When

they came back again, there was a lathi-charge and there after there was police firing. Sir, it is a very sad state of affairs. After the candidates were dispersed, some of them were waiting for the transport at a distance of one furlong or so near a tea-stall. At that time two constables-one Uren Barman by title and the other one is Gajen Das started firing towards their direction. The owner of the Tea Stall Shri Sushil Bhattacharyya made a request not to shoot them as they had taken shelter in the Tea Stall and waiting for the Bus. At that time one Mohor Ali who was an onlooker and who was not a candidate was aimed at there and shot dead. His house was very near the Police Station and some other waiting men were injured. After that there was a bund all over the district. Thereafter, the Commissioner of lower Assam and the Hon'ble Forest Minister also came and granted an amount of Rs. 5,000/- to the family members of Mohar Ali. Sir, the value of the life of young man is only Rs. 5,000/-. Sir, we have head in this connection one D.F.O. has been suspended only and what is surprising is that those two police constables who and opened the fire, who had no authority to fire have not yet been suspended ; no action has been taken against them. Sir, I have cited this instance of the forest department. So, sir, when unlimited power will be given to the forest officials without the supervision of the magistrate, we do not know where it will lead.

Mr. Speaker : Mr. Abedin, try to be brief and finish your speech before lunch-break.

Shri Dewan Joynal Abedin : Mr. Speaker, sir, I have to speak on some more points. I may be allowed to speak in the afternoon also.

Mr. Speaker : As the time is very short and as many other Hon'ble Members also desire to participate, you try to finish your speech now.

Shri Dewan Joynal Abedin : Then, sir, it has been stated in the financial memorandum that this bill involves huge amount a Rs. 1,60,00,000 as a additional expenditure. Therefore, sir, I fully agree with the Hon'ble Member Shri Charan Narzary who has very rightly stated that this bill will lead to a chaotic condition. Therefore, sir, I request you to use your high office to pursue the Govt. to take this bill back as this is a fascist and black bill. With these words, Sir, I oppose this bill.

Mr. Speaker : The House stands adjourned till 2-30 p.m. The Assembly met at 2-30 P.M. after lunch with hon. Speaker in the Chair.

Mr. Speaker : Shri Dilip Saikia Sonowal to speak. Absent. Kr. Dipak Das to speak. Absent. Shri Kiran Kr. Gogoi to speak.

শ্ৰীকিৰণ গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয়ে, বন সুৰক্ষা বাহিনীৰ যিখন বিল উত্থাপন কৰিছে এই সংক্ৰান্তত আমাৰ বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে ভালেখিনি কথা, পৰামৰ্শ লগতে তেওঁলোকে কিছুমান বিষয়ত বিৰুদ্ধাচৰণ কৰিছে। এই সন্দৰ্ভত কেইটামান কথা মই কব বিচাৰিছো। বিগত চৰকাৰৰ দিনত যিখিনি কৰি গ'ল, ৰক্ষকে ভক্ষক হোৱাৰ উদাহৰণ আছে। গতিকে এই সদনৰ বিৰোধী পক্ষৰ সদস্যই সেই উদাহৰণ আদৰ্শান্বিত কৰিব ধৰিছে। সেই কাৰণে তেখেত সকলৰ মাজত সন্দেহৰ ভাব থাকি গ'ল। এতিয়া এই বিলখনৰ জৰিয়তে সুৰক্ষা বাহিনীৰ সা-সুবিধা দিয়াৰ ব্যৱস্থা কৰা হৈছে। আমাৰ কিছুমান মাননীয় সদস্যই সুৰক্ষা বাহিনীৰ সুবিধা দিয়াৰ কাৰণে তেওঁলোকে পলিটিকেলাইজ হোৱাৰ আশংকা কৰিছে। এই ক্ষেত্ৰত মই কব খুজো যে সেইটো কেতিয়াও হব নোৱাৰে। মাননীয় সদস্য কেইজনমানে কৈছে যে এইটো বিদেশী খেদাৰ কাৰণে প্ৰয়োগ কৰিব নেকি? সেই মৰ্মে মই কব খুজিছো যে হাবি জংগলত মানুহৰ প্ৰটেক্চন, জীৱ-জন্তুৰ প্ৰটেক্চন, জংগলৰ প্ৰটেক্চন সেইবিলাক কাৰণতহে এই ব্যৱস্থা কৰা হৈছে। বিগত চৰকাৰৰ দিনত দেখিবলৈ পাইছিলো যে এডাল গছ পুলি ৰোৱাৰ নামত ৪ ডাল গছ কাটি নাইকীয়া কৰে। ৰোপনৰ নামত "আগফালে মৰণাও

পাচ ফালে ধপং নাও।" গতিকে দেখা যায় যে বিগত চৰকাৰৰ দিনত সুৰক্ষাৰ ক্ষেত্ৰত কোনো সুব্যৱস্থা নাছিল। উদাহৰণ স্বৰূপে আমি দেখিছো যে ফৰেষ্টাৰৰ বহুত সময়ত কোনো কৰ্তৃত্ব নাথাকে। তেওঁলোকক বান্ধি থৈ গছ কাটি লৈ যায়। আনকি ফৰেষ্ট অফিচত ফৰেষ্টাৰক বান্ধি থৈ গাড়ীয়ে গাড়ীয়ে কাঠ কাটি লৈ যায়। এইয়ে হৈছে বন বিভাগৰ ব্যৱস্থা।

অধ্যক্ষ মহোদয়, ৪ নম্বৰ দফাত যিটো উল্লেখিত আছে, সেই মতে আমাৰ চৰকাৰে ব্যৱস্থা লৈছে। সেই মতে প্ৰটেক্‌চনৰ প্ৰশাসন অটুট থাকিব। তেতিয়া প্ৰত্যেক মানুহৰে ভয় ভাব আহিব। এই ভয় ভাব অহাৰ লগে লগে হাবি জংগল ৰক্ষা কৰাৰ কাৰণে সুবিধা হব। এইখিনিতে মই এটা সাধু কওঁ—কথাটো এনেকুৱা যে নীলা শিয়াল ৰজা হৈছিল। শিয়াল বুলি কোনেও ৰজা নপতা দেখি নীলা পানীত ডুব গৈ নীলা হৈ ৰাজ সিংহাসনত বহিল। শিয়াল ৰজা হ'ল। এদিন অন্য শিয়ালে হুৱা দিয়া শুনিবলৈ পাই শিয়াল ৰজাইও হুৱা দিবলৈ আৰম্ভ কৰিলে। তেতিয়াহে জোলোঙাৰ মেকুৰী ওলাই পৰিল। মাননীয় সদস্য সকলে অসমত অসমীয়া মানুহৰ বাহিৰে বাকী সকলোকে বিদেশী বুলি দোষাৰোপ কৰে। কিন্তু জোলোঙাৰ মেকুৰী ওলাল কোন সময়ত? যেতিয়া যোৱা ২ বছৰৰ আগতে বাংলাদেশৰ পতাকা উত্তোলন কৰিছিল। তেতিয়া আমি নীলা শিয়াল দেখিবলৈ পাইছিলো।

গতিকে এই বিলাক কথালৈ আমি যি পন্থাৰে ভাল কাম কৰিব লাগে তাৰ কাৰণে দিহা-পৰামৰ্শ দিবলৈ মন্ত্ৰী মহোদয়ে এই বিল উত্থাপন কৰাত তেখেতক ধন্যবাদ জনাইছো। বিগত দিনবিলাকত বহুতো ঘটনা ঘটাৰ কাৰণে ফৰেষ্ট ৰিজাৰ্ভ বিলাক ৰক্ষণা-বেক্ষণ দিবলৈ উপায় নাছিল। বহুতো মাননীয় সদস্যই সদনত প্ৰশ্ন কৰিছে যে গড়বিলাক চোৰাং চিকাৰীয়ে কেনেকৈ মাৰিছে। হাবি নহলে গড় বাহিৰলৈ ওলাই যাব লাগিব আৰু তেতিয়াহলে চোৰাং চিকাৰীৰ হাতত পৰিব। হাবি বিলাক সুৰক্ষা কৰিবৰ কাৰণে, বনজ সম্পৰ্ক অটুট ৰাখিবৰ কাৰণে যিবিলাক বন্দবস্ত কৰা হৈছে সেইবিলাক খুউব ভাল হৈছে বুলি আমি সমৰ্থন কৰিছো। কিন্তু এটা কথা দেখিবলৈ পাইছো যে আৰু বিৰোধীপক্ষৰ সদস্য সকলে এটা কথা উত্থাপন কৰিছে যে যিবিলাক ফৰেষ্ট ভিলেইজ আছে সেইবিলাক ঠিকমতে সুৰক্ষা দিয়া হোৱা নাই। মই কৈছো ফৰেষ্ট ভিলেইজাৰক

সুবিধা দিয়া হৈছে। কিন্তু মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে তেওঁ-লোকে দখল কৰি থকা মাটিৰ সীমা ভাল ধৰণেৰে নিৰ্দ্ধাৰণ কৰি দিব লাগে। ফৰেষ্ট ভিলেইজাৰৰ সহায় লৈ কোনো দুৰ্বৃত্তই যাতে 'এ ডেও দুডেও লুটা নিয়াৰ চেওঁ' ধৰি কোনো ধ্বংস মূলক কাম কৰিব নোৱাৰে, ফৰেষ্ট ৰিজাৰ্ভ যাতে ধ্বংস কৰিব নোৱাৰে তাৰ বাবে চৰকাৰে ব্যৱস্থা লব লাগে। মই বিৰোধী দলৰ মাননীয় সদস্য সকলক অনুৰোধ কৰিছো যাতে প্ৰস্তাবটো সমৰ্থন কৰি পাচ কৰাত সহায় কৰে।

মই বিশেষ কব নোখোজে, ইয়াতে মোৰ বক্তব্য সামৰণি মাৰিছো।

শ্ৰীমুক্তাব হুচেইন ঃ— অধ্যক্ষ মহোদয়, অসম বন সুৰক্ষা বাহিনী বিধেয়ক খন উত্থাপন হোৱাৰ পিচত বিতৰ্ক হৈছে। ইয়াত বিশেষ কবলগীয়া আছে বুলি মই নেভাবো, তথাপি মই দুই চাৰিটা পইণ্টৰ ওপৰতে মোৰ বক্তব্য ৰাখিছো। অসমৰ মূল্যবান বনজ সম্পদক সুৰক্ষা দিব লাগিব, এই বিষয়ত বিৰোধী সদস্য সকল দ্বি-মত হোৱা নাই আৰু তেনেকুৱা এটা প্ৰচেষ্টাৰে চৰকাৰে বনজ সম্পদ ৰক্ষা কৰিব তাৰ প্ৰতি আজি বিধান সভাৰ বিৰোধী সদস্য সকলে ভূয়সী প্ৰসংশা কৰিছে কিন্তু এই সুৰক্ষা দিবলৈ যাওতে যিবোৰ প্ৰশ্নৰ অবতৰনা হব পাৰে বা কাকী বনজ সম্পদ বিলাক ধ্বংস হব নেকি? এই বিষয়ে চৰকাৰী পক্ষৰ দৃষ্টি আকৰ্ষণ কৰিবৰ কাৰণে বিৰোধী সদস্য সকলে বিতৰ্কত ভাগ লৈছে। মই এই বিধেয়ক খনৰ বিৰোধিতা কৰা নাই, বনজ সম্পদ ৰক্ষা কৰিব লাগে, এই খিনিত মই চৰকাৰৰ লগত এক মত। কিন্তু অলপতে মাননীয় সদস্য শ্ৰীকিৰণ গগৈ চাহাবে কৈ গৈছে যে বন বিভাগৰ কিছুমান কাৰ্য্যকলাপ দেখি বিৰোধী সদস্য সকলে ভয় খাইছে। সচাকৈ মই ভয় পাইছো যে দেশত যেতিয়া ৰক্ষকে ভক্ষক হয় তেতিয়া হলে সৰ্ব্বনাসী কথা হয়। বিশেষকৈ ৰাইজে ৰঙা পোচাকধাৰী বন্দুকধাৰী সকলক দেখিলে ভয় পায়। বন্দুকধাৰী সকলে চৰকাৰী স্বাৰ্থ ৰক্ষা কৰিবলৈ গৈ সাধাৰণ ৰাইজৰ ওপৰত জোৰ-জুলুম আৰু অত্যাচাৰ সদায় চলাই আহিছে। আজি হয়টো বন ৰক্ষকৰ নামত কিছুমান বন্দুকধাৰী বেটেলীয়ানক বন ৰক্ষকৰ নামত কিছুমান বন্দুকধাৰী বেটেলীয়ানক বন ৰক্ষা কৰিবলৈ দিয়া হৈছে। চোৰাং কাৰবাৰীয়ে

যে অকল বনজ সম্পদ ধ্বংস কৰে—বন্দুকধাৰীয়ে নকৰে ইয়াৰ এটা সম্পুর্ণ আস্বাস চৰকাৰৰ তৰফৰ পৰা দিব লাগে আৰু কাৰ্য্যতঃ যাতে ভবিষ্যতে আৰু যাতে এই বিধান সভাত বনজ সম্পদ ধংস হৈছে বুলি কোনো শব্দ উচ্ছাৰিত নহয় ইয়াৰ এটা আস্বাস দিব লাগে । আমাৰ মাননীয় সদস্য স্বেখ চামান আলীয়ে কোৱাৰ দৰে মানবীয় সম্পদ ইচ্ছাকৰি ধংস কৰা হৈছে। বনজ সম্পদ ধংসকাৰী সকল দুই ধৰণৰ—চোৰাং কাৰবাৰী আৰু চিকাৰী। এবিধে গড় মাৰে আৰু আনবিধে মূল্যবান কাঠ কাতে । কাঠ কতাৰ কাৰণে চৰকাৰে অনুমতি দি বনজ সম্পদ ধংস কৰিছে । মোৰ বিস্বাস এই নতুন চৰকাৰ অহাৰ পিচত এনে ধৰণৰ কাঠ কতাৰ অনুমতি দি যেন বনজ সম্পদ বিলাক ধংস কৰা নহয় ।

অধ্যক্ষ মহোদয়, বনজ সম্পদ ধংস কৰাৰ ক্ষেত্ৰত যে বিগত চৰকাৰে কেৱল দায়ী সেই কথা সম্পূৰ্ণ সত্য নহয় । কিয়নো বন সম্পদ ৰক্ষা কৰিবলৈ যি বন বিষয়াক দায়িত্ব দিয়া হৈছে সেই বন বিষয়া সকলে কাঠ কতা চোৰৰ লগত একে লগ হৈ কাঠ কতাৰ পৰা আৰম্ভ কৰি গড়ৰ নিচিনা আপুৰুগীয়া বন্য জন্তু হত্যা কৰাৰ লগত জৰিত । চৰকাৰ এখন পৰিবৰ্ত্তন হব পাৰে । কিন্তু বন বিষয়া সকল ৩০ বছৰৰ ভিতৰত পৰিবৰ্ত্তন হোৱাৰ কোনো ব্যৱস্থা নাই । নাইবা চোৰাং কাৰবাৰ যি সকলে কৰে আৰু যি বিলাকে চিকাৰ কৰে তেওঁলোকো পৰিবৰ্ত্তন নহয় । সেই কাৰণে আমি বনজ সম্পদ ৰক্ষা কৰিবলৈ কওঁ । এই সুৰক্ষা বাহিনী বন্দুকধাৰী মানুহতকৈ যিটো বস্তু কলমৰ সহায়েৰে বা শক্তি প্ৰয়োগ কৰি ৰক্ষা কৰাৰ প্ৰয়োজন আছে বুলি মই ভাবো। বন্দুকধাৰী সকলে বনজ সম্পদ সম্পুৰ্ণ ভাবে ৰক্ষা কৰিব বুলি মই নাভাবো । বন বিভাগৰ মন্ত্ৰী মহোদয়ে এই অনুসন্ধান চলাব লাগে যাতে বিগত দিন বিলাকত যি বিলাক বনজ সম্পদ ধংস হল সেই কাৰ্য্যৰ লগত জৰিত বন বিষয়া সকল কোন ? তাৰ এটা তদন্ত কৰাৰ প্ৰচেষ্টা কৰিব লাগে। দ্বিতীয়তে আন এটা প্ৰকাৰে বনজ সম্পদ ধংস কৰা হৈছে। ফৰেষ্টৰ মাটিত ব্যাপক হাৰত অনুপ্ৰৱেশ হৈছে। মই ইয়াৰ আগত বিধান সভাত কৈছিলো যে নদী ভগনীয়া মানুহে হওঁক বা ভূমি হীন মানুহে হওঁক সকলোকে পুনৰ সংস্থান দিবলৈ চৰকাৰ বাধ্য হৈছে । মই প্ৰশ্ন কৰিছিলো যে যি সকল মানুহে আগতে দৰ্খাষ্ট কৰিছিল সেই সকল মানুহক চৰকাৰে সুবিধা দিয়ক আৰু এই সকলৰ ভিতৰত যি সকলে পোৱা নাই সেই সকলৰ কথা পুনৰ বিবেচনা কৰিব নেকি ? মাননীয় সদস্য শ্ৰীজয়

নাথ শৰ্মাই চৰকাৰক এই কথা কৈছে যে যি সকল ট্ৰাইবেলে বেদখল কৰিছে তেওঁলোকক উচ্ছেদ কৰিব লাগে। কিন্তু এনেবোৰ মানুহক সুৰক্ষা দিব লাগে। তেওঁ কিন্তু এটা বস্তুলৈ ভয় কৰে সেইটো হৈছে বিদেশী। ময়ো ভাবো কোনো বিদেশীক পুনৰ সংস্থাপিত কৰিব নালাগে। কোনোবা বিদেশী অসমত থাকক সেইটো ময়ো নিবিচাৰো।

তেখেতে অৱশ্যে এটা বস্তুৰ ভয় পায়। তেখেতে সদায় কৈ থাকে বিদেশী বুলি। আমিও কওঁ কোনো বিদেশীকে পুনৰবসতি কৰিব নালাগে। কোনো বিদেশী অসমত থাকক এইটো কোনেও নিবিচাৰে। আইন আদালত আছে। সেই মতে উচ্ছেদ কৰাৰ কথা কৈছে সেইটো সমৰ্থন কৰো। কিন্তু এনেই উচ্ছেদ কৰাৰ বিৰোধীতা কৰো। তাৰ এটা বিকল্প ব্যৱস্থা লব লাগে। মাননীয় সদস্য সকলে বিদেশী বুলি কলেই ভয় পায়। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এই সম্পৰ্কত গুৰুত্বপূৰ্ণ আশ্বাস বিচাৰিছো যাতে বিদেশীৰ মেনিয়াৰ পৰা আঁতৰাবৰ কাৰণে সদনত কয় যে বনজ সম্পদ যি সকল মানুহে বেদখল কৰিছে তাত উচ্ছেদ কৰা হব আৰু বিদেশী বুলি প্ৰমাণিত কোনো ব্যক্তিকেই পুনৰসংস্থাপন কৰা নহব আৰু বিদেশী বুলি প্ৰমাণ নোহোৱা কোনো ব্যক্তিকে ফৰেষ্ট মাটিৰ পৰা উচ্ছেদ কৰি হলেও বন সম্পদ ৰক্ষা কৰা হব। এই আশ্বাস আমি বন মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিছো।

মাননীয় অধ্যক্ষ :— আপুনি চমু কৰক।

শ্ৰীমোক্তাব হুছেইন :—বন সম্পদ ৰক্ষা কৰিবৰ কাৰণে এই বিল খন আনিছে। বন সম্পদ সংৰক্ষণ হব লাগে। কিন্তু বন সম্পদ ৰক্ষা কৰাৰ কাৰণে যাতে ভবিষ্যতে কোনো ধৰণৰ দূৰ্ঘটনা নঘটে তাৰ প্ৰতি মন্ত্ৰী মহোদয়ে দৃষ্টি ৰাখিবলৈ অনুৰোধ কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিছো।

মাননীয় অধ্যক্ষ :— এতিয়া মাননীয় সদস্য শ্ৰীহেমেন দাসে কব।

শ্ৰীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, এই বিলখনৰ ওপৰত ইতিমধ্যে বহুত আলোচনা হৈ গৈছে। মইও দুটামান কথা আগবঢ়াব খুজিছো।

হৈছে যে এই বিলখনৰ আৰম্ভণীতে অলপ খেলিমেলি কৰিছে। এইটো চাব ক্লজ ৩ত লিখা হৈছে :

কিন্তু চাৰ, গঠিত ইতিমধ্যেই হৈ গৈছে। প্ৰটেকশ্যন ফোৰ্চ যোৱা বেলিয়ে গঠন হৈছে, মানুহো নিযুক্তি হৈ গৈছে। তেতিয়া আমি বিৰোধী পক্ষত আছিলো কাৰণে হস্তক্ষেপ কৰাত নিয়োগ মাজতে বন্ধ কৰা হল। কিন্তু ইতিমধ্যে দেৰ শ মনুহ নিযুক্তি দিয়া হৈ গৈছে। সেই আইন খন কিন্তু এতিয়া আহিল। এতিয়া সেই মানুহ খিনিৰ অৱস্থা কি হব ভাবি চাবলগীয়া। এই আইনখন তৎক্ষণাত কাৰ্য্যকৰী হব ৰাজ্যপালৰ চহী হোৱাৰ পিচতে। কিন্তু ফোৰ্চ গঠিত হব লাগিছিল বিল পাচ হোৱাৰ পিচত কিন্তু আগতেই হ'ল। এতিয়া চৰকাৰে কি কৰিব ? আগৰ মানুহখিনিক কি কৰিব ? আগৰ চৰকাৰে যি কাম সমাপ্ত কৰিব পৰা নাছিল এতিয়া চৰকাৰে সেই কাম মাত্ৰ সমাপ্ত কৰিছে এই আইন খনৰ দ্বাৰা। এতিয়া বিপদত পৰিব এই আইন কাৰ্য্যকৰী কৰিবলৈ যাওঁতে এই দেৰ শ মানুহক কি কৰিব। ফৰেষ্টৰ প্ৰটে্‌কচন বুলিলে খেৰ এটা বনজ সম্পদ। খেৰ বেচি বহুত টকা পায় কিন্তু এই খেৰৰ কথা ইয়াত উল্লেখ নাই। কিন্তু ৰায়তে যেতিয়া খেৰ কাটিবলৈ যাব তেতিয়া এই আইনৰ দ্বাৰা বাধা প্ৰমান কৰিব নোৱাৰিব। আৰু তেতিয়া গোলমালৰ অৱস্থা আহিব। তাৰ উপৰিও বেত এবিধ সম্পদ। এই বেত বিক্ৰী কৰিও বহুত টকা পায় কিন্তু ইয়াত বেতৰ কথাও উল্লেখ নাই। গ্ৰাচ ক্ৰিপাৰ বুলি থাকিলেও হয়তো সেইটো বন্ধ কৰিব পাৰিলেহেতেন। এতিয়া কেন মহল বিক্ৰী কৰি টকা পোৱাটো সুবিধা আহিব। এই বিলাক ইয়াত উল্লেখ থাকিব লাগিছিল। ইয়াৰ উপৰিও পাইথান নামৰ সৰীসৃপ এবিধ মূল্যবান জীৱজন্তু। ডাঙৰ ডাঙৰ সাপ জাতীয় এই বিধ জীৱৰ পৰা বহু টকা আয় হয়। কিন্তু ইয়াত তাৰো উল্লেখ নথকাত আচৰিত হৈছো। অৱশ্যে ভালেকেইজন মাননীয় সদস্যই কৈছে যে এই আইন যাকে তাকে কাৰ্য্যকৰী কৰিবলৈ দিয়াত অসুবিধা আহিব। সেই অত্যাচাৰৰ কথা আপোনালোকে পাইছে। আমিও আগৰে পৰা পাই আহিছো। এতিয়া আপোনালোকে বেছিকৈ পাইছে যোৱা কেইবছৰত। তেতিয়া কি হব ভাবি চোৱাৰ দৰকাৰ আছিল।

অধ্যক্ষ মহোদয়, বন অঞ্চলত বসবাস কৰা মোৰ সমষ্টিৰ বহু ঠাইতে

জনজাতীয় লোক আছে। বনাঞ্চলৰ কাষে কাষে ব্যাঘ্ৰ প্ৰকল্প আছিল। বাঘে মানুহ গৰু খাইছিল। হাতী আহি ধান খাই ঘৰ ভাঙি যায়। হৰিণা আহি ধান খাই যায়। এতিয়া খবৰ পাইছো ময়ূৰ আহিও খেতিত ধৰিছে। সেই বিলাকৰ কাৰণে টঙী ৰখা জনজাতীয় লোক এজনক চোৰাং চিকাৰী বুলি ধৰি নি বন বিভাগৰ লোকে মাৰ ধৰ কৰিছে। এতিয়া এটা মোকদ্দমা আৰু বিচাৰ চলি আছে নিৰীহ লোকক ধৰি নি মাৰধৰ কৰা হৈছে চোৰাং চিকাৰীক বিচাৰি নাপাই। এনেকুৱা অত্যাচাৰ আৰু নাবাঢ়িব জানো? ইয়াৰ কোনো ইয়ত্বা নাই। এই ফোৰ্চে অত্যাচাৰ নকৰে বুলি বিধান সভাত কোনেও আশ্বাস দিব নোৱাৰে। আগৰ চৰকাৰে তেনে ফোৰ্চৰ আশ্বাস দিছিল কাৰণেই এতিয়া কাৰ্য্যকৰী কৰিব বিচৰা হৈছে। স্বয়ং মুখ্য বন সংৰক্ষক থাকোতেনো আকৌ কিয় এই ফোৰ্চৰ দৰকাৰ হ'ল বুজা নাই। ফৰেষ্ট গাৰ্ড সহকাৰে আৰু বহুত বিষয়া সমন্বিতে এটা দল আছে। তথাপিতো বন সংৰক্ষণ কৰিব পৰা নাই। লাঠি ধাৰী পুলিচ কাৰণে কৰিব পৰা নাই নেকি? মুখ্য বন সংৰক্ষক, অতিৰিক্ত মুখ্য বন সংৰক্ষক ইত্যাদি সকল থাকোতে আৰু বন সংৰক্ষণ নোহোৱাৰ অভিযোগ আহে কিয়? যদি বন ৰক্ষাই কৰিব নোৱাৰে তেনেহলে বন সংৰক্ষক নাম কিয় দিলে? দিশপুৰতেই আচল খেল চলি আছে। মাননীয় বন মন্ত্ৰী মহোদয়ে ১৯৭৪ চনৰ পৰা আগলৈ কেইবছৰ মানৰ কাৰণে ষ্টাডি কৰিলেই সকলো কথা বুজিব পাৰিব। মহল বিলাক চেটেলমেণ্ট দিয়া হয় ইয়াৰ পৰা। আৰু ১৯৭৮ চনৰ পৰা মহল চেটেলমেণ্ট দিয়া হোৱা নাই। কিন্তু আগৰ কাল ছোৱাত কি কৰা হৈছিল। মহলৰ কাৰণে মাত্ৰ দহ ডাল গছ কাটিবলৈ দিয়া হয় আৰু প্ৰতি বাৰতে দহ ডাল কৰিয়েই গছ কাটি থাকে। দহ ডাল গছ কটা শেষ আৰু বছৰেকৰ মূৰকতো নহয়গৈ। ইয়াৰ লগত একো অংশ অফিচাৰ লিপ্ত থাকে। এনেকুৱাকৈয়ে হলতুগাওঁ কচুগাওঁ ডিভিজনৰ সকলো বিলাক বন সম্পদ শেষ কৰিছে। গোৱালপাৰা ডিভিজনৰ পৰা সিফালে শদিয়া ডিব্ৰুগড়লৈকে কি কুকাণ্ড হোৱা নাই। যিমানে চাব সিমানে অশান্তি বাঢ়ি যাব।

(ভইচ : অশান্তি নোলোৱাই ভাল)

কোনোবাই কৈছিল যে ইগেনাৰেন্স ইজ লিচ। আমাৰ নবকান্ত বৰুৱাইও

লিখিছিল। এই বিলাক কাহিনীৰ লগত একো অংশ অফিচাৰ লিপ্ত আছিল। এই বিলাকত চোৰাং কাৰবাৰ হৈছিল।

আপোনালোকে গোৱালপাৰালৈ বোধকৰো গৈছে, আদিবাৰ পৰা গোৱালপাৰালৈ যাওঁতে দুয়োপাৰে বহুতো ডাঙৰ ডাঙৰ গছ-গছনি পৰিপূৰ্ণ হৈ থকা আমি দেখিছিলো। ১৯৭৬ চনত যি হাবি আছিল এতিয়া তাত এডালো ডাঙৰ গছ-গছনি নাই। মই জৰুৰী কালীন অৱস্থাত অজ্ঞাত হিচাবে এই অঞ্চলত আছিলো। তাত থাকি সেই অৱস্থাত খবৰ পালো যে চোৰাং চিকাৰীয়ে ৫ টকাকৈ হাজিৰা দি গছ কাটি নিছিল। যিহেতু তাত জনজাতীয় মানুহ বেচি আছিল তেওঁলোকক দিন হাজিৰা হিচাবে মাত্ৰ ৫ টা টকা দিলেই হৈছিল। এইটো কি কাৰবাৰ। এই পদ্ধতিত আদিবাৰ পৰা গোৱালপাৰালৈকে গছবিলাক কাটি শেষ কৰিছে। সেই অঞ্চলৰ জনজাতীয় মানুহবিলাক অৱস্থা বৰ দুখ লগা। তেওঁলোকে আমাক সঁচা কথা কৈছিল। তেওঁলোকে দিন হাজিৰা কৰি গছ কাটি মাত্ৰ ৫ টকা পায়। গতিকে দেখা যায় কৰ্মচাৰী আৰু চোৰাং চিকাৰীৰ লগত তেওঁলোকৰ গাখীৰ-মিথৈৰ নিচিনা সম্পৰ্ক আছিল। এইবিলাক ব্যৱসায় কৰিবৰ কাৰণে মানুহ লক্ষ্ণৌ, বিহাৰ, দিল্লীৰ পৰা আহিছিল। গোৱালপাৰা জিলাৰ তুৰা হোটেলত তেওঁলোকে ভাড়া কৰি থকা কথাটো চৰকাৰে নজনা নহয়। মাননীয় সদস্য এজনে পাণবাৰী কাহিনী এটা কথা কৈছে। মই তেতিয়া এখন হাইস্কুলৰ হেডমাষ্টৰ আছিলো তেতিয়া পিক্‌নিক খাবলৈ যাওঁতে দেখিছিলো, হাবি বিলাকত মূল্যবান গছ-গছনিৰে ভৰপূৰ আছিল। এতিয়া সেইখন মৰিশালী হ'ল। গোৱালপাৰাত এই গছবিলাক কাটিছে তাক ধৰিব পৰা নাই। এইবিলাক কোনে ধ্বংস কৰিছে বিট অফিচ আছে, ৰেনজাৰ অফিচ আছে কিন্তু খৈৰাৰ গছ কাটি শেষ হল। এইবিলাকেই চোৰাং চিকাৰীৰ কাৰবাৰ। খৈৰাৰ বেপাৰ কৰাটো বৰপেটা মানুহৰ মনোপলি আছিল। এতিয়া আৰু সেইবিলাক বৰপেটা মানুহৰ হাতত নাই। ছাপতগ্ৰামৰ এজন মাৰোৱাৰীৰ হাতত এই ব্যৱসায় চলি আছে।

( ভইচ : মাৰোৱাৰী নে বিদেশী )

আপোনাৰ বন্ধু মাৰোৱাৰী। তেওঁলোকে আপেল খায়। হলতুগাৰৰ

দৰঙাৰ পৰা নৰ্থ কামৰূপৰ এই অঞ্চলৰ লৈকে খৈৰাৰ গছ আছিল। এতিয়া আৰু সেইবিলাক বৰপেটাৰ মানুহৰ হাতত নাই। এই সম্পদবিলাক গৈ আছে উদ্যোগ বিভাগৰ হাতলৈ। মই থলুৱা এজনৰ খৈৰাৰ বেপাৰ কৰিবৰ কাৰণে তেখেতৰ হৈ খাটিছিলো। কিন্তু কোনো কামত নাহিল। শইকীয়াৰ ডাঙৰীয়াৰ 'টাস্ক ফ'চ্' আপোনালোকেও কাৰ্য্যকৰী কৰিছে। সেই একেই পদ্ধতি চলি আছে। বনজ সম্পদবিলাক ধ্বংস হৈ যাব ধৰিছে। মাননীয় অধ্যক্ষ মহোদয়, দিশপুৰ কটকটীয়া কৰি থৈ দিলেই কাম হব পাৰে নহলে 'বুৰুকচী' এটা ৰাজনৈতিক অৱস্থা। পলিটিকেলাইজ কৰিলে সকলো শেষ হৈ যাব। ১৮৭৫-৭৬ চনৰ পিচৰ পৰা পাৰমিট দিয়া হৈছিল। অসম বন সম্পদ ৰক্ষা কৰিব পৰা নাই। এতিয়া ডাঙৰ খৈৰাৰ, শাল, শিশু আদি গছ নাই। গড় ৰক্ষা কৰিবলৈ এটা আইন কৰিছে। কেইটা গড় নিধন চোৰাং চিকাৰীৰ ওপৰত এচমা বা নাচা কৰিছে প্ৰয়োগ কৰিছে। তেওঁলোক দেশৰ শত্ৰু। তেওলোকৰ বিৰুদ্ধে এইবিলাক প্ৰয়োগ কৰক। বৰ নিৰীহ প্ৰাণী। কিন্তু কাম নহল। বৈজ্ঞানিক সকলোৰো কামত নাহিল। এটা অন্ধ বিশ্বাস চলি আছে। কাজিৰঙাতেই নহয় মানস, ওৰাংত কিমান গছ আছে তাক ৰক্ষা কৰিবৰ কাৰণেটো 'ফৰজৰ' কথা অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু গড় বাহিৰেও সকলো বস্তু ৰক্ষা কৰাৰ ওপৰত নিৰ্ভৰ কৰিব চৰকাৰৰ দৃষ্টি ভংগীৰ ওপৰত। যদিও গছৰ পাৰমিট এতিয়া নাই বন্ধ কৰিছে এইবিলাকৰ কাম কৰা ভাল। কিন্তু অলপ-চলপ যি সম্পদ আছে সেইখিনি ৰক্ষা পৰিব। কিন্তু চাব লাগিব য'তে ত'তে চেক কৰা কাৰণে যাকে তাকে লাইচেঞ্চ বা ক্ষমতা দিব নালাগে।

সেইখন লাইচেন্স দিব নালাগে। এইটো ক্ষতিকাৰক। চাৰ্জ ওৱাৰেণ্ট নোহোৱাকৈ চাৰ্জ কৰিব পাৰিব। এইটো হব নালাগে। কোনো আইনৰ দ্বাৰা এই সুবিধা দিব নালাগে। এই সুবিধা দিলে প্ৰস্তাৱ লাগিব আৰু তেতিয়া দেৰি হব। সংখ্যাগৰিষ্ঠতা আছে যেতিয়া এই আইনখন পাচ হৈ যাব। কিন্তু আকৌ এবাৰ ভালকৈ পৰ্য্যালোচনাকৰি চাওক। ক্লজ ১৫ ত এটা কথা আছে চিনেমা হলত ডিউটি কি কৰিব? পয়মাল হৈ যাব পাৰে। জুৰিদিকচন স্থান কাল পাত্ৰ চাই কাৰ্য্যকাল কৰে যেন। যিবিলাক সদইচ্ছা

প্ৰকাশ কৰিছে তাক কাৰ্য্যকৰি কৰক। তাৰ কাৰণে এই বাহিনীৰ প্ৰয়োজন নাই। প্ৰশাসনীয় যন্ত্ৰৰ দ্বাৰা ৰক্ষা কৰাৰ চেষ্টা কৰক। আৰু গড় নিধন কাৰীৰ বিৰুদ্ধে কঠোৰতম ব্যৱস্থা গ্ৰহণ কৰক।

শ্ৰীভৰত চন্দ্ৰ নৰহ (বন মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বন সুৰক্ষা বাহিনী ১৯৮৬ বিধেয়ক খন কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ অনুমোদন আৰু মতামতৰ কাৰণে প্ৰেৰণ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে বহুবাৰ পৰীক্ষা নিৰীক্ষা কৰাৰ পাচত বিধেয়ক খনৰ প্ৰতি অনুমোদন জনাইছে। কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰনালয়ৰ ওচৰলৈ মতামত আৰু অনুমোদনৰ কাৰণে প্ৰেৰণ কৰা হৈছিল আৰু তেওঁলোকেও এই বিধেয়ক খনৰ প্ৰতি অনুমোদন জনাইছে। মাননীয় সদস্য কিছুমানে এই বিধেয়ক খনৰ ১১নং অনুচ্ছেদৰ ১ উপঅনুচ্ছেদৰ প্ৰতি সন্দেহ প্ৰকাশ কৰিছে। য'ত লিখা আছে যে অসম বন সুৰক্ষা বাহিনীৰ যি কোনো সদস্যই যিকোনো লোকক গ্ৰেপ্তাৰী পৰৱানা নোহোৱাকৈ গ্ৰেপ্তাৰ কৰিব পাৰিব। কিন্তু এই অনুচ্ছেদৰ ১ উপঅনুচ্ছেদ ভালকৈ পঢ়িলে দেখিব আৰু ইয়াত লিখা আছে সুৰক্ষা বাহিনীৰ সদস্যই যি কোনো লোকক গ্ৰেপ্তাৰ কৰিব পাৰিব গ্ৰেপ্তাৰী পৰৱানা নোহোৱাকৈ যদিহে এই লোক জনে বনাঞ্চলৰ পৰা সামগ্ৰী, বন্য প্ৰাণী বা বন বিভাগৰ যিকোনো সম্পত্তি গোপণে লৈ যোৱাৰ চেষ্টা চলোৱা বুলি যেতিয়া যঠেষ্ট সন্দেহৰ কাৰণ পাব তেতিয়াহে সুৰক্ষা বাহিনীৰ সদস্যই যিকোনো লোকক গ্ৰেপ্তাৰ কৰিব। আপোনালোকে সকলোৱে জানে যে অসম বন সুৰক্ষা বাহিনী বনাঞ্চল সংৰণৰ কাৰণে কৰা হৈছে। বন্য প্ৰাণী ৰক্ষা কৰিবৰ কাৰণে এই বিল অনা হৈছে। ৰাস্তাত ঘুৰি ফুৰা ঘৰৰ ভিতৰত বহি থকা অফিচত থকা মানুহক যি কোনো কাৰণত সুৰক্ষা বাহিনীৰ সদস্যই গ্ৰেপ্তাৰ নকৰে। আপোনালোকে জানে যে সংৰক্ষিত বনাঞ্চলত অনধিকাৰ প্ৰবেশ নিষেধ। সংৰক্ষিত বনাঞ্চলত চোৰ কৰক বা নকৰক অনধিকাৰ প্ৰবেশ নিষেধ। সংৰক্ষিত বনাঞ্চলৰ চাৰি সীমাত বিনা অনুমতিত এজন লোকৰ প্ৰবেশ হোৱাৰ লগে লগে সুৰক্ষা বাহিনীয়ে গ্ৰেপ্তাৰ কৰিব পাৰিব। সংৰক্ষিত বনাঞ্চলৰ চাৰি সীমাত ভৰি দিয়াৰ লগে লগে বে-আইনী কাম বুজুৱা হব। সেই কাৰণে সুৰক্ষা বাহিনীয়ে ৰাস্তা অফিচ, কাছাৰীত মানুহক গ্ৰেপ্তাৰ কৰিব বুলি যি সন্দেহ

প্ৰকাশ কৰিছে তাৰ আশংকা প্ৰকাশ কৰিব নালাগে। বন বিভাগৰ সম্পত্তি গোপনে লৈ যোৱা যঠেষ্ট কাৰণ পালেহে সুৰক্ষা বাহিনীয়ে শাস্তি মূলক ব্যৱস্থা গ্ৰহণ কৰিব। ইয়াত বহুতো সদস্যই কৈছে যে সুৰক্ষা বাহিনীয়ে ক্ষমতাৰ অপব্যৱহাৰ কৰিব। সেই কাৰণে মই ইয়াত প্ৰতিশ্ৰুতি দিছো যে অসম বন সুৰক্ষা বাহিনীয়ে ভবিষ্যতে তেওঁলোকৰ ক্ষমতা প্ৰয়োগত ক্ষমতাৰ অপব্যৱহাৰ নকৰে। আপোনালোক সকলোৱে জানে যে অসমৰ সংৰক্ষিত বনাঞ্চলত বন্য প্ৰাণীৰ চোৰাং জন্তু চিকাৰ, কাঠৰ চোৰাং ব্যৱসায় আৰু বেদখল কাৰীৰ ৰাজত্ব চলিছে। সেই কাৰণে বনাঞ্চল ধ্বংস হৈছে, বন্যপ্ৰাণী অসমৰ আপুৰোগীয়া সম্পদ লুপ্ত হৈছে আৰু বেদখল কৰি আমাৰ বনাঞ্চল ধ্বংস হৈছে। যাৰ কাৰণে জলবায়ু দুষিত হৈছে আৰু অস্বাভাবীক খৰাং বতৰ হৈছে। সেই কাৰণে মানব সমাজৰ অস্তিত্বৰ ৰক্ষাৰ কাৰণে বনাঞ্চল ৰক্ষা কৰিব লাগিব। জলবায়ু বৰষুণৰ কাৰণে বনাঞ্চলৰ অস্তিত্ব ৰক্ষা কৰিব লাগিব। সেই কাৰণে সুৰক্ষা বাহিনী আমি গঠন কৰিছো। অৱশ্যে বিৰোধী পক্ষৰ কিছুমান সদস্যই কৈছে যে সুৰক্ষা বাহিনী বহু বছৰ আগতে গঠন কৰিব লাগিছিল। কিন্তু গঠন কৰা নহল। আমি ১৯৮৫ চনৰ ২৪ ডিচেম্বৰত দায়িত্ব ভাৰ গ্ৰহণ কৰি ততাতয়াকৈ এই বিধেয়ক উৎথাপন কৰিছো। গতিকে মাননীয় সদস্য সকলে আলোচনা সমালোচনাৰ মাজেৰে বিৰোপ ভাব প্ৰকাশ কৰিব নালাগে। কিছুমানে কৈছে যে মাটিহীন লোকক সংৰক্ষিত বনাঞ্চলত আমিআশ্ৰয় দিব লাগে আৰু তেওঁলোকক সংস্থাপন কৰিব লাগে। আৰু ইতিমধ্যে সংৰক্ষিত বনাঞ্চলত মাটিহীন লোক সোমাই আছে তেওঁলোকৰ আমি সহানুভূতিৰে বিবেচনা কৰিব লাগে বুলিকৈছে। এই খিনিতে মই কও যে এনে ধাৰণাৰ কাৰণে আজি সংৰক্ষিত বনাঞ্চল ধ্বংস হৈছে। যিবিলাক মানুহ সংৰক্ষিত বনাঞ্চলত বেদখল কৰি সোমাই যায় তেওঁলোকে সকলোৱে কয় যে আমি মাটিহীন আমাৰ মাটি নাই। সেই কাৰণে মই কব খোজো যে এই ধাৰণা পৰিত্যাগ কৰা উচিত হব। মাটি হীন লোক হলেই যে সংৰক্ষিত বনাঞ্চলত মাটি দিব লাগিব সেই চিন্তা ধাৰা সকলোৱে পৰিত্যাগ কৰিব লাগিব। এজন মাটি হীন মানুহ বনাঞ্চলত তেওঁৰ প্ৰবেশ আইন সংগত হলে এটা কথা কব লাগিব যে যি বিলাক মানুহ দুখীয়া তেওঁলোকে চোৰ কৰিব পাৰে আৰু শাস্তি

দিব নালাগে। দাল দৰিদ্ৰ মানুহ বিলাকক দোকান বজাৰ লুট কৰিবলৈ অনুমতি দিব লাগিব। সেই চিন্তা ধাৰাত গলে মাটিহীনক বেদখল কৰিব দিব লাগিব। সংৰক্ষিত বনাঞ্চল মাটিহীন লোকৰ সংৰক্ষিত ভূমি নহয়। সেই কাৰণে অকল বন্য প্ৰাণী বনাঞ্চলত ৰক্ষা কৰিবৰ কাৰণে অসম বন সুৰক্ষা বাহিনী বিধেয়ক উৎথাপন কৰা নাই, বেদখল কাৰীৰ প্ৰত্যাহ্বান জনাবৰ কাৰণে এই সুৰক্ষা বাহিনী আমি গঠন কৰিছো। ইয়াত বহুতো সদস্যই কৈছে যে বেতৰ বিষয়ে উল্লেখ কৰা নাই। অনুচ্ছেদ ২ইত লিখা আছে Reserve Forest does not mean reserve land for the people of Assam. সেইমতে ৩নং ত আছে। গতিকে খেৰ বেত অন্তৰ্ভূক্ত কৰা হৈছে। সেই কাৰণে মাননীয় সদস্য সকলে সন্দেহ আৰু আতঙ্কৰ প্ৰকাশ কৰিব নালাগে। আমাৰ বন সুৰক্ষা বাহিনীয়ে কোনো লোকৰ অনিষ্ট নকৰে। বেদখলকাৰী, চোৰাং চিকাৰী, চোৰাং ব্যৱসায়ীৰ, প্ৰত্যাহ্বান জনাবৰ কাৰণে এই বাহিনী গঠন কৰিব খুজিছো, শান্তিপূৰ্ণ লোকক হাৰাশাস্তি কৰিবৰ কাৰণে নহয়। মোৰ আৰু বহুতো কথাই কব লগা আছিল। কিন্তু সেই বিলাকৰ উত্তৰ দিবলৈ গলে বহুত দেৰী হব। তাৰ উপৰিও কেইবাখনো বিল আজিৰ সদনত আছে। সেই কাৰণে অনিশ্চাকৃত ভাবে উত্তৰ দিব খোজা নাই। অসম সুৰক্ষা বাহিনী ১৯৮৬ বিধেয়ক খন আজিৰ সদনত গ্ৰহণ কৰিব বুলি আশা ৰাখিছো।

Shri Dewan Joynal Abedin : Sir, a point of clarification. Yesterday, in reply to a matter raised by hon'ble Member Shri Golak Rajbangshi, Leader of the Opposition, Our Hon'ble Home Minister has said that in the past, the police arrested innocent students who were not involved in any crimes, who were studying in the rooms were also involved by the police with some criminal cases. But Sir, to-day, our Hon'ble Minister. Forest said that police does not involve any students reading in his room or walking in the streets. Sir these are two contradictory statement, whom we are to belive.

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয় মাননীয় সদস্য গৰাকীৰ শুনাত

নিশ্চয় ভুল হব পাৰে। পুলিচৰ বিষয়ত মই একো কব নোৱাৰো, কাৰণ মই গৃহ মন্ত্ৰী নহয়। অসম সুৰক্ষা বাহিনীৰ সদস্যই ৰাস্তাত, স্কুল কলেজত অফিচত কেতিয়াও গ্ৰেপ্তাৰ নকৰে।

Mr. Speaker : Now, I put the motion before the House. The Motion is that the Assam Forest Protection Force Bill, 1986 be taken into consideration.

The Motion is passed.

Now, item No. 4(b) : There is no amendment to Clause 2 to 21 and schedule of the Bill. Clause 2 to 21 and schedule do form part of the Bill. Clause 2 to 21 and schedule do stand part of the Bill.

Now, I put Clause 1, preamble, enacting formula short title of the Bill do form part of the Bill.

Clause 1, preamble enacting formula short title of the Bill, form part of the Bill.

(The motion was adopted)

Now, item No. 4(c)

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, অসম বন সুৰক্ষা বাহিনী ১৯৮৬ বিধেয়ক খন আজিৰ সদনত গ্ৰহণ কৰা হওক।

Shri Surendra Nath Medhi, (Minister) : Sir, as hon'ble members from the opposition are criticising about clause 11 of the Bill. I want to cite that particular Section of the Indian Forest Act, only to satisfy the opposition Members. Similar provision is there unber Section 64 of the Indian Forest Act. The Act. is that "Any Forest officer or Police-Officer may, without orders from a Magistrate and without a warrent arrest any person against whom a

reasonable suspicion exists of his having been concerned in any forest-offence punishable with imprisorment for one month or upwards. There cannot be any objection to the Clause 11, exactly the similar provision is there.

Mr. Speaker : Now, item No. 4(c) Minister, Forest is to move.

Shri Bharat Ch. Narah, (Minister) : Sir, I beg to move that the Assam Forest Protection Force Bill, 1986, be passed.

অস্বাভাৱিক খৰাং বতৰ কাৰণে অসমৰ দুখীয়া খেতিয়কৰ এনে এটা অৱস্থা হৈছে যিয়ে নিজ চকুৰে দেখা নাই সেয়ে আন্তৰিকতাৰে অনুভৱ কৰা কঠিন। কিন্তু যিয়ে দেখিবলৈ পাইছে সেয়ে অতুৰ ভৱিষ্যতে কি পৰিস্থিতিৰ সন্মুখীন হব লাগিব সেইটো উপলব্ধি কৰিব পাৰিছে। আজি বিধান সভাৰ মজিয়াত চৰকাৰৰ লগতে ৰাইজৰ সহায়ৰ কাৰণে যুদ্ধকালীন ব্যৱস্থাৰে এটা ক্ষিপ্ৰ ব্যৱস্থা লব লাগিব যাতে এই অস্বাভাৱিক পৰিস্থিতি মকাবিলা কৰিব পৰা যায়। আহুখেতি যি সকলে কৰিছিল সেই সকলে সম্পূৰ্ণৰূপে আহু খেতি হেৰুৱালে। আজি আগষ্ট মাহৰ তেৰ তাৰিখ। আজি আগষ্ট মাহৰ মাজ ভাগতো শালি খেতি অসমৰ কৃষকে কৰিব পৰা নাই। অথচ আচলতে এতিয়ালৈকে শালি খেতি কৰি শেষ কৰিব লাগিছিল। কিন্তু এতিয়া আজিৰ পৰিস্থিতিৰ কাৰণে আৰম্ভই কৰিব পৰা নাই। এই কৃষক সকলৰ অৱস্থা অতি দুখ লগা হৈছে। ইয়াৰ পিচত এক ভয়াবহ পৰিস্থিতি হব আৰু দুৰ্ভিক্ষৰ পৰিস্থিতি হৈ প্ৰাণ হানি হোৱা অৱস্থাও হব পাৰে। মই এই ক্ষেত্ৰত চৰকাৰক কেইটামান পৰামৰ্শ দিব খুজিছো। প্ৰথম কথা হ'ল যুদ্ধকালীন ভাবে কৃষক সকলক সহায় কৰাৰ কাৰণে ততাতৈয়া ব্যৱস্থা লব লাগে। আজি এই বিধান সভা যোৱা কেইদিনমান ধৰি বহি থকা হৈছে। কিন্তু চৰকাৰে এই সম্পৰ্কত কি ব্যৱস্থা লৈছে আমি জলসিঞ্চন বিভাগৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। মঙ্গলদৈ মহকুমাৰ এটা সাধাৰণ উদাহৰণ দিব খুজিছো। তাত মাত্ৰ পয়সত্তৰটা পাওৱাৰ পাম্প বহুৱা হৈছে। ইয়াৰ দ্বাৰা কৃষকৰ চাহিদা পূৰণ কৰিব পৰা নাই। চেল টিউব ওৱেলৰ কথা কৈছিলো কিন্তু কি ৰহস্য কব পৰা নাই। মন্ত্ৰীকো ব্যক্তিগত ভাবে লগ কৰিছিলো। জল-সিঞ্চন বিভাগৰ চেল' টিউব ওৱেল বহুৱাবৰ কাৰণে এচ-ডি-অ'ৰ পৰা মাটিৰ চাৰ্টিফিকেট, বি-ডি-অ'ৰ পৰা কৰ্ম ক্ষমতা প্ৰমাণ পত্ৰ ইত্যাদি যোগাৰ কৰিব-লগীয়া হয়। বিভিন্ন ব্যৱস্থা দীঘলীয়া হোৱা কাৰণে অযথা পলম হয়। এই বিলাক ব্যৱস্থা নাইকীয়া কৰি কাম খৰতকীয়া কৰিব লাগে আৰু কৃষক সকলক সহায় কৰাৰ ব্যৱস্থা কৰিব লাগে। যোৱা কালি মই খবৰ পাইছো যে ছিপাঝাৰ এলেকাত ঘাঁহ খাবলৈ নাপাই গৰু ছাগলীও মৰিছে। খৰাং বতৰৰ কাৰণে খেতিয়ক সকল জুৰুলা হোৱা শুনিছিলো। কিন্তু এতিয়া শুনা মতে গৰু ছাগলীও ঘাঁহ খাবলৈ নাপাই মৃত্যুমুখত পৰিছে। আমাৰ বিৰোধী

পক্ষৰ পৰা বিশেষকৈ কংগ্ৰেছ আই দলৰ পৰা মাননীয় সদস্য সকলক মই অনুৰোধ কৰিছো যে ৰাজনৈতিক দলীয় স্বাৰ্থ পৰিহাৰ কৰি সৰ্ব্বদলীয় ভিত্তিত কেন্দ্ৰীয় চৰকাৰৰ ওপৰত এই প্ৰাকৃতিক দুযোৰ্গৰ পৰা পৰিত্ৰাণ পাবলৈ সাহায্যৰ কাৰণে হেঁচা দিয়া উচিত। এই অৱস্থা কেন্দ্ৰীয় চৰকাৰে অৱহেলা কৰি থাকিলে নহব। কেন্দ্ৰত যিহেতু কংগ্ৰেছ আই দলৰ শাসন গতিকে আমাৰ ইয়াৰ পৰা কংগ্ৰেছ আই দলৰ পৰা এখন টেলিগ্ৰাম হলেও পঠাব লাগে অসমৰ এই দুৰ্যোগৰ কথা বৰ্ণনা কৰি অসমৰ মানুহ এতিয়া প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হৈছে।

অসমৰ মানুহৰ অতি দুৰ্ভাগ্য যে খৰাং বতৰৰ কাৰণে হাঁহাকাৰ কৰি ফুৰিছে। দলীয় ভিত্তিত ৰাজনৈতিক কথা পৰিহাৰ কৰি ৰাইজক বচোৱাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক হেঁচা দিয়ক। নহলে অসমৰ ৰাইজৰ ভবিষ্যতে আৰু দুৰ্ভাগ্যৰ সন্মুখীন হব লাগিব। অসমৰ ৰাইজ জীয়াই থাকিলেহে আমি জীয়াই থাকিম। খৰাং বতৰৰ কাৰণে ৰাজহ বিভাগে ৭ কোটি টকা ধাৰ্য্য কৰিছে। ৭ কোটি টকাই হওঁক বা ৫ কোটি টকাই হওঁক আমাৰ কাৰণে এইটো নিশ্চয় কম হৈছে। আৰু তাৰ কাৰণে আমি চৰকাৰক বিশেষকৈ কেন্দ্ৰীয় চৰকাৰক হেচা দিব লাগে। সমগ্ৰ দৰং জিলাৰ অৱস্থা দুখ লগা। দৰং জিলাত যি ধৰণে খৰাং বতৰ উৎপ্ৰীড়িত হৈছে অসমৰ অন্য জিলাতো নিশ্চয় উৎপ্ৰীড়িত হৈছে। এই অঞ্চল বিলাকত খৰাং বতৰ দুৰ্ভিক্ষ অঞ্চল বুলি ঘোষণা কৰিব লাগে। আজি চৰকাৰৰ যিখিনি সাহাৰ্য্য দিব পৰা অৱস্থা আছে সেই খিনি তৎকালীন ভাৱে সাহাৰ্য্য দিব লাগে। মাত্ৰ ২২ শ কুইণ্টল দৰং জিলাত চাউল দিয়াৰ ব্যৱস্থা কৰিছে দৰকাৰ হলে আৰু ৫ শ কুইণ্টল চাউল দিয়াৰ ব্যৱস্থা কৰিব লাগে। অকল দৰং জিলাতেই নহয় অন্যান্য জিলাতো যোগান বিভাগে চাউল, দাইল আদি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইয়াৰ পৰিমাণ কিছু বৃদ্ধি কৰিব লাগে। এই কথা আমাৰ মাননীয় সদস্য সকলে নিশ্চয় উপলব্ধি কৰিব। 'টেষ্ট ৰিলিফৰ কথা কব খুজিছো যে এইটো কিয় বন্ধ কৰিছে কব নোৱাৰো। আমাৰ ৰুৰেল ডেভলেপমেণ্টৰ মন্ত্ৰী মহোদয় উপস্থিত আছে, তেখেতৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে ৰুৰেল ডেভলেপমেণ্টৰ নামত এন, আৰ, ই, পি ৰ কেতবোৰ টকা এলট কৰা আছে। সেইবোৰ ৰাইজৰ কামৰ কাৰণে মুকলি কৰি দিব লাগে। ৰাইজ উপকৃত হওঁক। ৰুৰেল ডেভলেপমেণ্টও হওঁক। এই নিৰ্দ্দেশ ততাতৈয়াকৈ দিব লাগে। ৰাজহ বিভাগৰ মন্ত্ৰী

মহোদয়ক অনুৰোধ কৰিছো দৰং জিলা পৰিদৰ্শন কৰিবলৈ। এই বিধান সভাৰ মজিয়াত আজিও অনুৰোধ জনাইছো মন্ত্ৰী মহোদয়ে অসমৰ ভিতৰত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত দৰং জিলা তাৰ ভিতৰত মংগলদৈ মহকুমা আৰু তাৰো ভিতৰত ছিপাঝাৰ আতাইতকৈ বেছি। এই অঞ্চল মন্ত্ৰী মহোদয়ে ভ্ৰমণ কৰিব লাগে। আৰু যুদ্ধকালীন ক্ষীপ্ৰতাৰে চ'ৰ জমীন কৰি অসমৰ দুৰ্ভিক্ষ প্ৰীড়িত ৰাইজক ৰক্ষা কৰাৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ : এতিয়া মাননীয় সদস্য শ্ৰীহেমেন দাসে কব।

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো গুৰুত্ব কিন্তু অস্বীকাৰ কৰিব নোৱাৰি কবলৈ বেয়া লাগে মহোদয়, এনেকুৱা গুৰুত্বপূৰ্ণ বিষয় আলোচনাৰ সময়ত আমাৰ ৩৫ জন মন্ত্ৰীৰ মাত্ৰ ৫ জনহে মন্ত্ৰী উপস্থিত আছে। আজি খৰাং বতৰ কেইটামান অঞ্চলতেই নহয় সমগ্ৰ ৰাজ্যতে আহু খেতি সম্পূৰ্ণ গ'ল, শালি খেতিও এতিয়া ফাগুন মহীয়া জুই জ্বলিছে। এইটোও এটা অভূতপূৰ্ণ অৱস্থাৰ সন্মুখীন হৈছে। অসমৰ আজি এনে এটা অৱস্থা আহিছে একমাত্ৰ চৰকাৰী বে-চৰকাৰী কৰ্মচাৰী বেতন ভোগী কৰ্মচাৰীৰ বাহিৰে অসমৰ মানুহৰ ঘৰত আজি ভাত নহব। আজি দৰং জিলাত যিজন মানুহে ৭ খন হাল বাইছিল সেই ঘৰৰ মানুহে আজি এডৰাওঁ মাটি ৰুব পৰা নাই। আজি ফাগুন মহীয়া নিচিনাকৈ পথাৰত মৈ দিছে, ধুলি উৰি আছে। ইয়াৰ কাৰণে আমি আন্তৰিকতাৰে আগ-বাঢ়িব লাগিব। এনে দিন আহিছে আমি তাক কল্পনা কৰিব নোৱাৰো। আজি দোকান বিলাকত বিক্ৰী নাই। এনেয়ে দোকানী বিলাক বহি আছে। এতিয়া হাঁহ এটাৰ দাম ২৫ টকা লাগে। য'ত নেকি হাঁহৰ দাম ১২ টকা চলি আছিল।

সৰভোগত গাখীৰৰ দাম ডেৰ টকা, পাচ সিকি। আমি গুৱাহাটিৰ মানুহে ভাবিবই নোৱাৰো। শাক পাচলি খেতি কৰা মানুহ মৰি গৈছে। পটল ডেৰ টকা কেজি। গাওঁৰ এই সমাজখন দুৰ্গত অৱস্থা লৈ আগবাঢ়ি গৈছে। আজি ইয়াত জলসিঞ্চন, ৰাজহ আৰু পঞ্চায়ত মন্ত্ৰী আছে আৰু আইন মন্ত্ৰীও আছে। কিন্তু কৃষি বিভাগৰ কৰনীয় ব্যৱস্থা বেচি। সকলো থাকিব লাগিছিল। বিষয়টো অতি গুৰুতৰ। নিজে নগলে উপলব্ধি কৰিব নোৱাৰি। শ্ৰীজয়নাথ শৰ্মাই ঠিকেই কৈছে। মই যেতিয়ালৈকে যোৱা নাছিলো বজি

পোৱা নাছিলো। দুপৰীয়া ভাত নাই দোকানত বিক্রি নাই। যিবিলাকে মৰাপাত খেতি কৰিছে তেওঁলোকৰ মৰাপাত কাটি জাক দিবৰ কাৰণে পানী নাই। মৰাপাতৰ দাম ৪০'৫০ টকা হৈছে। চৰকাৰৰ প্ৰথম কাম হ'ল এৰিয়া বিলাক চিলেক্ট কৰিব লাগিব। কোন কোন এৰিয়াত আজি খৰাং প্ৰপীড়িত। গোটেই অসমতে নহব পাৰে, কিছু অংশতহে হৈছে। পানী যোগান সমষ্টিৰ খবৰ কৈছো, পানীযোগান মন্ত্ৰীৰ সমষ্টিত খালৰ পানী আহি পথাৰ উপচাই পেলাইছে। ঠিক সেই দৰে নিত্যানন্দতো সুবিধা পাইছে। গতিকে এৰিয়া বিলাক চিলেক্ট কৰিব লাগিব। ৰাজহৰ ফালৰ পৰা এটা কথা ওলাইছে কেন্দ্ৰৰ ওচৰত টকা খুজিব লাগিব। কিন্তু কেন্দ্ৰই টকা দিয়াত সাংঘাটিক কৃপণ। যুক্তি তৰ্ক বিচাৰিব। গতিকে এতিয়াই ৰাজহ বিভাগে গোটেই ৰাজ্যৰ ক্ষতিৰ প্ৰকৃত হিচাব কৰিব লাগে। ক্ষতিৰ পৰিমানৰ হিচাব যদি কেন্দ্ৰক দিব নোৱাৰে তেনেহলে কেন্দ্ৰৰ পৰা ৰিলিফ আদায় কৰিব নোৱাৰে। গোটেই ৰাজ্যত আহু খেতি নোহোৱাত ক্ষতি কিমান হব ? শালী খেতি আজিলৈকে কৰিব পৰা নাই তাৰ ক্ষতি কিমান হব সেই বিলাকৰ হিচাব কৰিব পাৰে। ২য় কথা হল উপৰৰ পানী নহলেও অসমত তলৰ পানীৰ অভাব হোৱা নাই। এতিয়া ১০ ফুট তলত পানী পোৱা যায়। গতিকে জলসিঞ্চন, ৰাজহ বিভাগ আৰু গোটেই চৰকাৰৰ কৰ্ত্তব্য আছে পানীৰ তলৰ পৰা কেনেকৈ বাহিৰলৈ উলিয়াই আনি খেতিয়কক দিব পৰা যায়। এইটোৰ ওপৰতে নিৰ্ভৰ কৰিছে গোটেই ভৱিষ্যতটো আমাৰ। আমাৰ ইয়াত ফেলা আৰু লিফট্ ইৰিগেচন কম। চৰকাৰী হিচাব মতে প্ৰকৃতাৰ্থত শতকৰা ৮ ভাগ মাটিত ফেলা আৰু লিফট্ ইৰিগেচনৰে পানী যোগান ধৰিব পাৰি। চৰকাৰৰ মিছা হিচাবকে যদি ধৰো ১৩/১৬ ভাগ। তথাপিও কিমান ভাগ বাকী ৰৈ যায়। ৮০ ভাগতকৈ বেচি মাটি বঞ্চিত। গতিকে প্ৰয়োজন হৈছে ক্ষুদ্ৰ জলসিঞ্চন— ডিপ টিউবেল, চেলোটিউবেলৰ দ্বাৰা আমি মাটিৰ তলত থকা পানীখিনি ওপৰলৈ আনি খেতি পথাৰত দিব লাগে। তাৰ কাৰণে ব্যাপক প্ৰস্তুতি কৰক। তাৰ কাৰণে যথেষ্ট টকাৰ প্ৰয়োজন। সেই টকা অনাৰ ব্যৱস্থা কৰিব লাগিব। সকলো মৰাপাত মৰা নাই। যত জলসিঞ্চনৰ সুবিধা আছে তাত লিফট্ ইৰিগেচন কৰাত নজৰ দিব লাগিব। গ্ৰাম উন্নয়ন বিভাগে তলৰ পানী উলিয়াই অনাৰ কাৰণে ডিপ টিউবেল চেলোটিউবেলৰ সংখ্যা বঢ়াব লাগিব।

গাওঁৰ মানুহ বিলাকৰ কাম নাইকীয়া হৈ গৈছে। এন, আৰ, ই, পি, আৰু আৰ, এল, ই, জি, পি, কাম জানুৱাৰীৰ পাচত আৰম্ভ হয়। গতিকে মন্ত্ৰী মহোদয়ে মানুহ খিনিয়ে যাতে কাম বন কৰি যাতে দুপইচা পাব পাৰে তাৰ কাৰণে গ্ৰাম উন্নয়ন বিভাগে এন, আৰ, ই পি আৰু আৰ এল, ই জি, পিৰ কাম আৰম্ভ কৰক। ৰাজহ বিভাগৰ পৰা কেইকোটিমান টকা খৰছ কৰি চিলেক্ট কৰি অনা ক্ষতিগ্ৰস্ত অঞ্চল বিলাকত টেষ্ট ৰিলিফৰ কাম বৃদ্ধি কৰক। শালী খেতি আহু খেতি নহলে খেতিয়ক বহি নাথাকিব। খেতিয়ক বিলাকৰ অৱস্থা বুজি মাটি মাহ মটৰ মাহ মুগু মাহ আদি খেতি কৰাত সহায় কৰিব লাগিব। তাৰ বাবে চৰকাৰে আগ ভাগ লব লাগিব। চৰকাৰৰ প্ৰচাৰ যন্ত্ৰৰ দ্বাৰা জনসাধাৰণক কব লাগিব যে বহি থাকিব নালাগে আমি খেতি কৰো আহক। হতাশাগ্ৰস্ত মানুহক আশাৰ ৰেঙনি দেখুৱাব লাগিব। অমুক খেতি কৰক, তমুক খেতি কৰক। সেই বিলাক বিক্ৰি কৰি চাউল কেইটা আনিব পাৰিব। মাহ জাতিয় শষ্যৰ এতিয়াও দাম কমা নাই। সেই বিলাক খেতি কৰিব লাগিব। তদুপৰি আজি যোগান বিভাগৰ দায়িত্ব বাঢ়িছে। খৰাং বতৰৰ বাবে কৃষি বিভাগ আহিছে ভাল পাইছো। যোগান বিভাগে চাউল, আটা যোগান গাওঁ অঞ্চলত বৃদ্ধি কৰিব লাগিব। গাওঁ অঞ্চলত সস্তা দামত চাউল আটা কিনিব নোৱাৰে, নলবাৰীত চাউলত পাল্লাত কিমান দাম বুলি সোধে, কিন্তু সৰভোগত পোৱা হিচাবে চলিছে। চাউল আটা গাওঁ অঞ্চলত ব্যাপক ভাবে দিয়াৰ কাৰণে এতিয়াৰ পৰা যুদ্ধ কালীন তৎপৰতাৰে কাম কৰিব লাগিব। নহলে এতিয়াৰ পৰা যি দূৰ অৱস্থা আহিছে প্ৰস্তুতি নচলালে সকলো বিমূৰত পৰিম। সকলোৰে প্ৰাকৃতিক দুৰ্য্যোগ বিৰুদ্ধে যুজ কৰাৰ কাৰণে ৰাজনীতি পিচলৈ ৰাখি দেশৰ জনসাধাৰণক ঐক্যবদ্ধ হোৱাৰ আবেদন জনাই বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীদেবেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য দেৱান জয়নাল আবেদিন ডাঙৰীয়াই বৰ্ত্তমান অসমৰ খৰাং পৰিস্থিতিৰ বিষয়ে আলো-চনা কৰাৰ কাৰণে যি প্ৰস্তাব আনিছে চৰকাৰি পক্ষৰ সদস্য হিচাবে আলো-চনাত ভাগ লবলৈ মই আগবাঢ়িছো। অসমৰ গোটেই পৰিস্থিতিৰ কথা ইতিমধ্যে কেইবাজনো মাননীয় সদস্যই ব্যক্ত কৰি গৈছে। গোটেই অসমত

খৰাং বতৰ পৰিস্থিতি হৈছে। জলসিঞ্চন মন্ত্ৰীয়ে এফালে সমস্যাৰ সন্মুখীন হৈছে আন ফালে বান নিয়ন্ত্ৰন বিভাগে বান পানী হোৱা নাই কাৰণে ৰক্ষা পৰিছে। জলসিঞ্চন ব্যৱস্থাৰ কাৰণে চৰকাৰে এতিয়া আগবঢ়াৰ সময় আহি পৰিছে। আশা ৰাখিছো চৰকাৰে অতি সোনকালে তাৰ ব্যৱস্থা গ্ৰহণ কৰিব। কাৰণ এতিয়া ভাদ মাহ আৰম্ভ হল আৰু ভাদ মাহতেই মাটি ৰুব নোৱাৰিলে পিচত ৰুই লাভ নাই। শালী খেতিৰ সময় পাৰ হৈ যাব।

গতিকে পানীৰ ব্যৱস্থা কৰিবৰ কাৰণে যিখিনি ব্যৱস্থা হৈছে মন্ত্ৰী মহোদয়ে নিশ্চয় কব। কিন্তু মোৰ সমষ্টিৰ, বিধান সভা বহাৰ আগতে, মই প্ৰায় ১২২ খন গাও ঘুৰি আহিছো, লগতে কাযৰীয়া সৰু পথাৰ সমষ্টিও মই চাই আহিছো। এইটো কথা মন্ত্ৰী মহোদয়ৰো জ্ঞাত হৈছে। গতিকে এই অঞ্চল বিলাকত ৰাইজৰ যিটো অৱস্থা হৈছে তাৰ বাবে মই আশা ৰাখিছো চৰকাৰে এটা ব্যৱস্থা অতি সোনকালে গ্ৰহণ কৰিব। টকা নাই বুলিলে, টকাৰ ব্যৱস্থা কৰিব লাগিব। ইতিমধ্যে শ্ৰীজয়নাথ শৰ্ম্মাই এই প্ৰস্তাব দিছে যে সৰ্ব্বভাৰতীয় দল কেন্দ্ৰৰ ওচৰলৈ যাব লাগে, টানি ধৰি টকা অনাৰ ব্যৱস্থা কৰিব লাগে। এই প্ৰস্তাৱৰ মই সমৰ্থন জনাইছোঁ।

লগতে সদনত খাদ্য মন্ত্ৰী থকা হেতেন ভাল লাগিলহেতেন। বৰ্ত্তমান পৰিস্থিতিলৈ লক্ষ্য ৰাখি ভবিষ্যতে যাতে এনে অৱস্থাৰ সন্মুখীন নহয়, তাৰ কাৰণে ব্যৱস্থা লব লাগিব। সদনত আমাৰ ৰাজহ মন্ত্ৰী আছে, তেখেতো সাবধান থকা ভাল। কাৰণ তেখেতে সাহাৰ্য্য আৰু পুনৰ সংস্থাপনত বিভাগৰো মন্ত্ৰী, হয়তো পুনৰ সংস্থাপনৰ উপায় আগবঢ়াব লাগিব। এই ক্ষেত্ৰত বহুত টকাৰ আৱশ্যক হব। আমাৰ কৃষি মন্ত্ৰীৰ মই দৃষ্টিগোচৰ কৰি কব খুজিছো যে এতিয়া শালিখেতি ৰাইজে কৰিব পৰা নাই। মাহ জাতীয় খেতি কৰাৰ কাৰণে শ্ৰীহেমেন দাস ডাঙৰীয়াই এটা ভাল পৰামৰ্শ আগবঢ়াইছে। এই পৰামৰ্শ গ্ৰহণ কৰিব লাগিব আৰু মাহ জাতীয় খেতি অধিক পৰিমানে কৰিব পৰাকৈ এতিয়াৰ পৰাই আঁচনি গ্ৰহণ কৰিব লাগিব। লগতে আৰু এটা কথা মই কওঁ যে কিছু কিছু ঠাইত বৰষুণ হৈছে। কিন্তু কথা হ'ল আমাৰ ৰাইজে গৰুৰে হাল বোৱাৰ কাৰণে মাটি চহাব পৰা নাই। সেয়ে ট্ৰেক্টৰে হাল বোৱাৰ ব্যৱস্থা কৰিব লাগে। বৰ দুখৰ কথা যে আমাৰ গোলাঘাটৰ এটা অঞ্চলত অলপো—(অসমাপ্ত)

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্যই চমু কৰক।

শ্ৰীদেবেশ্বৰ বৰা ঃ গতিকে মই কৃষি বিভাগৰ মন্ত্ৰীক কৈছো যে ট্ৰেক্টৰৰ ব্যৱস্থাৰ কাৰণে ব্যৱস্থা লব লাগে। এই বিষয়ে মই চৰকাৰক অনুৰোধ জনাইছো।

বনমন্ত্ৰী থকাহেতেন ভাল লাগিলহেতেন। বনগাওঁ যিবিলাক বে-দখল হৈ আছে, যত হেজাৰ হেজাৰ মানুহ আছে এই বিলাক কোনে চাব ? এই মানুহ খিনি সমস্যাৰ সন্মুখীন হব। দৈয়াং, ৰেংমা আদি বন গাওঁ আছে। ইতিমধ্যে কুটুম ডাঙৰীয়াই কৈ গৈছে এই বিলাক গাৱঁত হেজাৰ হেজাৰ মানুহ আছে, এইবিলাক বন বিভাগে চাব লাগিব। যি বিলাক বনাঞ্চলত মানুহ আছে সেইবিলাক অঞ্চলো যাতে খৰাং পীড়িত অঞ্চলত পৰে তাৰ ব্যৱস্থা কৰিব লাগে, নহলে এইখিনি মানুহ বঞ্চিত হব। মই আশা ৰাখিছো চৰকাৰে অতি সোনকালে ইয়াৰ ব্যৱস্থা লব। লগতে পঞ্চায়ত মন্ত্ৰীকো মই অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে কৈছো যে এন, আৰ, ই, পি স্কীমৰ কাম এই বিলাক ঠাইত কৰিব পাৰে। এই কথা মই পঞ্চায়ত মন্ত্ৰীৰ দৃষ্টি আকৰ্ষন কৰি বক্তব্যৰ সামৰনি মাৰিছোঁ।

Shri Binai Khungur Basumatari : Mr. Speaker, Sir, we are marching towards an uncertain future. Sir, whatever may be the case we continue to live and we have been given certain responsibilities. So, I would like to request the Government to treat it as most immediate task. I also support the move for All Parties working together in this matter and I am to suggest three things. First thing -draught should be declared because without declaring draught we cannot proceed for claims from Central Government. Secondly, Public Health Engineering Department has received 2 or 3 automatic drilling rigs from Japan which can be used for draught purpose. Sir, my constituency is in the sub-mountain area and Shri Zoii Nath Sarma's constituency is in the mid-valley region and the water level has gone down. There is a genuine scarcity of water Everything is drying. So, the first thing is that we must

find out waye and means to get water from the bottom when the water is not coming from the sky. So, we must take help of these automatic drilling rigs and the Public Health Engineering Department should lend these to Irrigation Department and the Irrigation Department should start drilling. Then I am an old Member of this House. When I was first elected as Member of this House I do remember that the then Government also faced with such a situation. The then Government formed a State Level Committee which included Members of all the parties and we used to sit in the chamber of the Secretariat. All the departmental Commissioners and Secretaries were there and when the Irrigation Secretary came there he said that they had 4000 pumping machines but I knew that they had hardly 18,00 pumping machines and I challanged him. Sir, whether the present Government has issued any instruction to the district authorities to counter this situation. They should find out how many pumping machines can be used immediately and if not department should be pulled up. Therefore, Sir, I suggest three things, draught should be declared, drilling should be started immediately and a State Level Committee on this draught situation should be convened immediately.

শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীদেৱান জয়নাল আবেদিন ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে এইটো এটা অতি গুৰুত্বপূৰ্ণ প্ৰস্তাৱ, যিটো প্ৰস্তাৱৰ দ্বাৰা অসমৰ খৰাং পৰিস্থিতিৰ সম্পৰ্কত আলোচনা কৰিবলৈ লোৱা হৈছে। এই সমস্যা সমাধান কৰিবৰ কাৰণে সকলো অসম প্ৰেমী তথা ভাৰত প্ৰেমী লোকেই কি ধৰণেৰে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি সাহাৰ্য্য আনিবৰ কাৰণে আগ ভাগ লব লাগিব। বিশেষকৈ আমি দেখিবলৈ পাইছো যে যি ঠাইত পৃথিবীৰ ভিতৰত আটাইতকৈ বেচি বৰষুণ হয় সেই চেৰাপুঞ্জীতেই এটোপাল পানী নোহোৱা হৈছে। বৰ-পানীৰ হ্ৰদটো পানীৰ অভাবত শুকাই গৈছে। অসমৰ বিভিন্ন জিলাত বৰষুণ নোহোৱা হৈছে। বিশেষকৈ আমাৰ লক্ষীমপুৰ জিলাত আগতে যিমান বিলাক

বানপানী হয় বা বানপানীত মাঠাউৰী ভাঙে সেই বিলাক এই বছৰ হোৱা নাই। ইয়াৰ প্ৰধান কাৰণ হৈছে এই বিলাক হবলৈ বৰষুণ নাই। মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মাই যিটো পৰামৰ্শ আগবঢ়াইছে যে সৰ্বদলীয় কমিটি দিল্লীলৈ গৈ দিল্লীৰ নেতৃবৃন্দক অসম ভ্ৰমণ কৰি চাই যাবৰ কাৰণে আনিব লাগে। উদাহৰণ স্বৰূপে অন্ধ্ৰ আৰু কৰ্ণাটকত খৰাং হওতে প্ৰধান মন্ত্ৰীয়ে নিজেই সেই বিলাক অঞ্চল পৰিভ্ৰমণ কৰিছিল। তেনেধৰণৰ অনুৰোধ আমাৰ ফালৰ পৰাও কৰিব লাগে। আফ্ৰিকাত খৰাং পৰিস্থিতি হওতে গোটেই পৃথিবী জুৰি টাইম এগেইনষ্ট ৰেষ্ট কৰা হৈছিল। তাৰোপৰি তাৰ ধৰ্ম যাযক সকলে মানুহৰ সহায় কৰিবৰ কাৰণে টকা পইচা সংগ্ৰহ কৰিছিল। সেই ধৰণৰ ব্যৱস্থা আমাৰ ইয়াতো কৰিব লাগে। আমাৰ চৰকাৰে প্ৰথমতে যি বিলাক খৰাং অঞ্চল সেই বিলাক চিনাক্ত কৰিব লাগে। এইটো কৰিয়েই কেন্দ্ৰীয় চৰকাৰক হেচা দি সাহাৰ্য্যৰ কাৰণে ধৰিব লাগিব। এতিয়া পানীৰ অভাৱত হাহ কুকুৰা মৰিবলৈ ধৰিছে। আৰু কিছুদিনৰ পিচত অসমত খাবলৈ নাপাই মানুহ মৰিবলৈ আৰম্ভ কৰিব। ল এণ্ড অৰডাৰ সমস্যা আহিব। খাবলৈ নাপাই মানুহ ডকাইট হবলৈ বাধ্য হব। মই আগতে নিজেই খেতি কৰিছিলো। এতিয়া এম, এল, এ হোৱাৰ পৰা পথাৰলৈ যাবলৈ সময় নাপাও, তথাপি ঘৰলৈ গলেই খেতি কৰিব পাৰিছেনে খবৰ লও। এই বাৰ জানিব পাৰিছো যে পানীৰ অভাৱত আগৰ দৰে আমাৰ ঘৰত খেতি কৰিবলৈ পৰা নাই। পানী নাই। সেই কাৰণেই মই চৰকাৰক কৈছো যে এই সম্পৰ্কত এটা বিহিত ব্যৱস্থা লব লাগে। মাননীয় সদস্য শ্ৰীবসুমতাৰী ডাঙৰীয়াই সমস্যা সমাধান কৰাৰ কাৰণে যিটো কথা কৈছে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। আমাৰ সৰ্বদলীয় এটা দল দিল্লীলৈ গৈ কেন্দ্ৰীয় চৰকাৰক বিশেষ সাহাৰ্য্য দিয়াৰ কাৰণে টানি অনুৰোধ জনাব লাগিব। মই এই কেইটাকে পৰামৰ্শ আগবঢ়াই সামৰণী মাৰিলো।

শ্ৰীগুনিন হাজৰীকা : মাননীয় অধ্যক্ষ মহোদয়, অসমত যিটো খৰাং পৰিস্থিতিৰ সৃষ্টি হৈছে এইটো আমি সকলোৱেই অনুভব কৰিছো। ভবিষ্যতে অসমত কি অৱস্থাৰ সৃষ্টি হব সেইটো আমাৰ সকলো মাননীয় সদস্যই উপলব্ধি কৰিব পাৰিছে। এই পৰিস্থিতিৰ জোৱা মাৰিবৰ কাৰণে মাননীয়

সদস্য সকলে যি বিলাক পৰামৰ্শ আগবঢ়াইছে সেই সকলো বিলাক গ্ৰহণ কৰিবলৈ মই অনুৰোধ জনাইছো। এটা কথাত আমি আচৰিত হৈছো যে মাননীয় বিৰোধী দলৰ সদস্য সকলে সমালোচনা কৰিছে যে এই পৰিস্থিতিৰ মোকাবিলা কৰিবৰ কাৰণে চৰকাৰে চেষ্টা কৰা নাই। আচলতে সেইটো নহয়। আমাৰ চৰকাৰে এই পৰিস্থিতিৰ সন্মুখীন হোৱাৰ কাৰণে বিভিন্ন ধৰণৰ ব্যৱস্থা লৈ আহিছে। আমাৰ জলসিঞ্চন মন্ত্ৰী মহোদয়ে এই পৰিস্থিতিৰ জোৰা মৰাৰ বাবে বিভিন্ন ব্যৱস্থা ইতিমধ্যেই গ্ৰহণ কৰিছে। সম্ভৱপৰ সকলো ঠাইতে পানী দিয়াৰ ব্যৱস্থা কৰিছে। নাৰ্চাৰিৰ যিটো কথা উল্লেখ কৰিছে সেই সম্পৰ্কতো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তথাপি এইটো সত্য যে আমি পৰিস্থিতিৰ কাৰণে যেনে ধৰণৰে সাজু হব লাগে তেনে ধৰণেৰে সাজু হব পৰা নাই কাৰণ ইমান ভয়াবহ পৰিস্থিতিৰ উদ্ভৱ হব বুলি আগতে ভৱা হোৱা নাছিল। গতিকে আমাৰ সন্মুখত আজি শ্ৰী আবেদিন ডাঙৰীয়াই যিটো প্ৰস্তাব আগবঢ়াইছে তাৰ ওপৰত মই কেইটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছো। মই এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো যে আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই ৰাজ্যিক ভিত্তিত এটা কমিটি কৰি দিব লাগে এই কমিটিয়ে খৰাং পৰিস্থিতিৰ জোৰা মাৰিব পৰাকৈ যি কেইটা বিভাগৰ লগত সমন্বয় ৰাখিব লাগে সেই কেইটাৰ ভিতৰত যেনে কৃষি, জলসিঞ্চন, ৰাজহ, যোগান, এই কেইটা বিভাগৰ আটাই-কেইজন মন্ত্ৰীকে সদস্য কৰি সমন্বয় ৰক্ষা কৰিব লাগে। বিৰোধী দলৰ সদস্যকো ইয়াত লব লাগে। এই কমিটি এটা নিৰ্দ্ধাৰিত স্থানৰ পৰা নিয়ন্ত্ৰন কৰিব লাগে। লগতে আৰু এটা কমিটি কৰি দিব লাগে যি কমিটিয়ে দ্ৰুত গতিত খৰাং স্থান বিলাক চিনাক্ত কৰণৰ ক্ষেত্ৰত সহায় কৰিব পাৰে। উদাহৰণ স্বৰূপে মই কব বিচাৰিছো যে কোন কোন ঠাইত পাম্প দিব লাগে আদি চাব পাৰে। আৰু এটা কথা যে কিছুমান ঠাইত কিছুমান পাম্প দিয়া হৈছিল কিন্তু সেই বিলাক এতিয়া অকামিলা হৈ পৰি আছে। তেনে ধৰণৰ পাম্প আমাৰ কলিয়াবৰতে আছে। গতিকে এই সকলো বিলাক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি যুদ্ধ কালিন ক্ষীপ্ৰতাৰে এই বিলাক ব্যৱস্থা কৰিব লাগে। যাতে এই খৰাং পৰিস্থিতিৰ সন্মুখীন হব পাৰে। আৰু এটা কথাৰ প্ৰতি অনুৰোধ জনাইছো যে আমাৰ ফালৰ পৰা কেন্দ্ৰীয় চৰকাৰক হেচা দি ধৰিব লাগে যাতে আমাৰ এই বিশেষ পৰিস্থিতিৰ কাৰণে বিশেষ ভাবে অনুদান আগবঢ়ায়।

এনে ধৰণৰ সৰ্বভাৰতীয় দল দিল্লীলৈ গৈ দিল্লীৰ নেতৃবৰ্গক হেচা দিব লাগে আৰ্থিক সাহাৰ্য্যৰ বাবে এইটো শীঘ্ৰে কৰিব লাগে। ইয়াকে কৈ মই সামৰণী মাৰিলো।

শ্ৰীগনেশ কুটুম : মাননীয় অধ্যক্ষ মহোদয়, জুলাই মাহৰ ২ তাৰিখে বান নিয়ন্ত্ৰণ মন্ত্ৰী মোৰ সমষ্টিলৈ গৈছিল তেতিয়া আলোচনা প্ৰসঙ্গত তেখেতে কৈছিল যে যি সময়ত বিধান সভাৰ সৰ্ব্বদলীয় দল এটা দিল্লীত প্ৰধান মন্ত্ৰীক লগ ধৰিব গৈছিল সেই সময়ত অসমৰ মুখ্যমন্ত্ৰীয়ে অসমত খৰাং পীড়িত অঞ্চলৰ কাৰণে কেন্দ্ৰৰ ওচৰত সাহায্য বিচাৰি গৈছিল। অসমখন ছুয়োফালৰ পৰা ইমানেই প্ৰাকৃতিক দুৰ্য্যোগত পীড়িত ৰাজ্য।

শ্ৰীদুৰ্গাদাস বড়ো : সৰ্ব্বদলীয় দলটোয়ে প্ৰধান মন্ত্ৰীক লগ কৰিব যোৱা নাছিল সদস্য গৰাকীয়ে ভুলকৈ কৈছে।

শ্ৰীগনেশ কুটুম : আমাৰ মাননীয় সদস্য শ্ৰীআবেদিন ডাঙৰীয়াই প্ৰস্তাৱটো আনি যি বিলাক জিলা বা ঠাইৰ নাম উল্লেখ কৰিছে সেইটো নহয় শোনিতপুৰৰ পূৱ অংশ বুলি নহয় আচলতে গোটেই জিলাখন পীড়িত হৈছে। অকল ৰাষ্ট্ৰীয় পথৰ দুয়ো দাতিয়ে চালে নহব ভিতৰুৱা অঞ্চলতো দাতা কলেকচন কৰিব লাগিব। ময়ো মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মা ডাঙৰীয়াৰ দৰে তেখেতে ঘূৰী ঘূৰী আহি চিপাঝাৰৰ কথা কোৱাৰ দৰে মোৰ নিজৰ সমষ্টিৰ কথা কলো। অসমীয়াত এটা কথা আছে "জবকাই সদায় নিজৰ ফালে টানে।" আমাৰ কথা হৈছে সমগ্ৰ অসমৰ কৃষক সকল উপকৃত হব লাগে। মাননীয় সদস্য শ্ৰীদিলীপ শইকীয়াই কৈছিল যে চেৰাপুঞ্জীৰ নিচিনা ঠাই য'ত পৃথিবীৰ ভিতৰত আটাইতকৈ বেছি বৰষুণ হয় তাতো বৰষুণ হোৱা নাই। এতিয়া ৰোৱাৰ সময়। গতিকে এতিয়া বৰষুণ পালে বা পানী পালে ৰোলেই যথেষ্ঠ নহয় এতিয়া খেতি চাই শস্য নদন বদন হৈছে বুলি কলে নহব ওলাবৰ সময়তো পানী লাগিব। নহলে যিখিনি উৎপাদন হব লাগে সেইখিনি উৎপাদন নহয়। আমি দেখিছো জলসিঞ্চনৰ কাৰণে যিবিলাক যন্ত্ৰপাতি আছে প্ৰায় বিলাক ঠাইতে সেইবিলাক অচল হৈ পৰি আছে। উদাহৰণ স্বৰূপে মোৰ চোতালৰ সন্মুখতে জলসিঞ্চন বিভাগৰ ৩০/৪০ হৰ্চ পাৱাৰৰ এটা পাম্পচেট আছে।

টি এচ পিৰ পৰা বহুত টকা খৰছ কৰি ইয়াক বনোৱা হৈছিল। তাত কৰ্ম্মচাৰী আছে তেওঁলোকৰ থকা মিলাৰ কাৰণে ঘৰবাৰী আছে কিন্তু পানী যোগানৰ কোনো ব্যৱস্থা হোৱা নাই। সুধিলে কয় যে তেওঁলোকৰ ডিজেল নাই। গতিকে মই অনুৰোধ কৰিছো যাতে ৰাজহ বিভাগে এই ডিজেলৰ খৰছটো দিয়ে আৰু জলসিঞ্চন বিভাগে এই পাম্প চেটটো চলোৱাৰ ব্যৱস্থা কৰে।

এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Shri Sheikh Abdul Hamid : Sir, I want to participate in the discussion on draught as the discussion on draught has already taken a considerable time of the House by our hon. members. I would like to make some observations in this regard. This draught is apprehended not only in a few districts, but it is the case all over the State of Assam. So Government should take such measures as have been expressed by many honourable members of the house. We should apprise the people of Assam about this situation. We should also apprise the Central Government about this abnormal situation in Assam. A delegation of M.L.A.s consisting of all parties should tour all over the State and met the people in general and explain them the need to contribute to the Chief Minister's Relief Fund, and also this House should take a resolution to appeal to the voluntary organisations to contribute to the Chief Minister's Relief Fund in the way when in 1974 such measures were taken when there was a big flood in Assam. So we think that the voluntary organisations would come forward and make their efforts in collecting money to the draught-hit people.

I also feel it my duty as all the hon. members have also participated in discussion regarding their own constituencies, I also like to mention about my Baghbar constituency. This Constituency is also a draught affected area covering with char lands. It will automatically be a sandy land in near future if the present condition goes on. So this draught has affected this area. I appeal to the Revenue Minister, the Flood Control Minister, who is absent, and to the Chief Minister, who is also absent to look to this aspect of theis constituency.

শ্ৰীফণী টায়েং ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি আমি ভাদ মাহত খৰাং বতৰৰ কথা আলোচনা কৰি তাৰ ব্যৱস্থাৰ কথা চিন্তা কৰিছো। কিন্তু এই কাম আমি বহুত দিন আগতেই কৰিব লাগিছিল। আমাৰ অসমীয়াত এটা কথাই আছে 'চোৰ গলে পুলিচ বৰষুণ গলে জাপি'। আমি কাৰ্য্যব্যৱস্থা হাতত লবই লাগিছিল কিন্তু আলোচনা কৰিহে আছো। বৰ্ত্তমান খৰাং বতৰৰ যিটো অৱস্থা তাৰ প্ৰকোপত ৰাইজে তাতে তৎ পোৱা নাই। যিখিনি ৰিলিফ দিয়া হব সেইখিনি ৰিলিফেৰে অসমৰ অনাহাৰত থকা লোক সকলক মোকাবিলা কৰিব নোৱাৰে। গতিকে যুদ্ধকালীন প্ৰস্তুতিৰে এতিয়াৰ পৰাই খাৰিফ শস্য কৰাৰ ব্যৱস্থা কৰিব লাগে নহলে আমাৰ সমস্যা সমাধান নহয়। আমাৰ অসমত প্ৰাকৃতিক দুৰ্য্যোগ আছেই বানপানী আহিলে মথাউৰি ভাঙে এইটো জনা কথা আনহাতে আমাৰ অঞ্চলত এটা বৰ ডাঙৰ ভূমিকম্প হব বুলি আশংকা হৈছে।

প্ৰাকৃতিক দুৰ্য্যোগৰ ওপৰত কবলৈ লৈছো যে আমাৰ ধেমাজি অঞ্চলত এটা ডাঙৰ ভূমিকম্প আহিব বুলি আশংকা কৰা হৈছে। আজি খৰাং বতৰ যোৱাৰ পিচত যেনেকৈ খৰাং বতৰৰ কথা আলোচনা কৰিছোঁ সেইদৰে যেন ভূমিকম্প আহি সকলো শেষ হৈ যোৱালৈ ৰৈ থকা নহয় তাৰ কাৰণে মই অনুৰোধ কৰিছোঁ। চৰকাৰে যাতে এই দিশত বিশেষ ব্যৱস্থা হাতত লব পাৰে তাৰ বাবে আগতীয়াকৈ আলোচনা আদি কৰা ভাল। আৰু এটা কথা এটা সৰ্বভাৰতীয় দল অসমৰ সমস্যাৰাজি দিল্লীত জনাবলৈ যাব বুলি কথা হৈছে কিন্তু কেতিয়া যাব তাৰ একো ঠিক নাই। এবছৰৰ পিচত যাবনে এতিয়াই যাব? এইটোৰ এটা তাৰিখ ঠিক কৰি দিলে ভাল হয়। এইবিলাক ক্ষেত্ৰত যুদ্ধকালীন গতিৰে কাম কৰিব লাগিব বুলি আমি আশা কৰিছোঁ।

মাননীয় সদস্য এজনে কৈছে যে নিজৰ পথাৰত নিজৰ পইচাৰে পানী যোগাবলৈ হলেও বিষয়া বিলাকৰ নানান ধৰণৰ অজুহাত নিয়মৰ কথা আদি দেখুৱাই দেৰী কৰি দিয়ে। আমাৰ মানুহৰ মাটি নাই কিন্তু পইচা আছে পানী যোগান দিবলৈ বিচাৰে কিন্তু ৰেজিষ্ট্ৰেচন, অগৰং বগৰং আদি দেখুৱাই বিষয়াসকলে নানান কথা কৈ থকাত পাম্প পোৱা নহল। চিলাপথাৰত এটা

মহকুমা অফিচ আছে তাত থকা পাম্প এটাৰ আজিও পানী ভালকৈ ওলোৱা নাই। এই বিষয়ে কাগজত ওলাইছে। তাৰ বিষয়াজনে কি কৰিছে মন্ত্ৰী মহোদয়ে সেই বিষয়ে খবৰ আদি লোৱা নাই। সেয়ে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছোঁ যে বাইজ কি ধৰণে উপকৃত হয় সেইটো চাব লাগে, ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

শ্ৰীদেৱকুমাৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, খৰাং বতৰৰ ওপৰত এটা গুৰুত্বপূৰ্ণ আলোচনা চলি আছে। গতিকে এই বিষয়ৰ ওপৰত ময়ো দুষাৰমান কবলৈ ওলাইছোঁ। আমাৰ এই সমস্যাটো অতি শীঘ্ৰে আৰু শক্তিশালী ভাৱে অতি কম সময়ৰ ভিতৰত মোকাবিলা কৰিব লাগিব। এই ক্ষেত্ৰত চৰকাৰী ভাৱে বিভিন্ন বিভাগে লবলগীয়া সিদ্ধান্ত সমূহত আজি ইতিমধ্যে যিখিনি পৰামৰ্শ বিভিন্ন সদস্যসকলৰ ফালৰ পৰা আহিল সেইখিনিও প্ৰতিফলিত হব লাগিব। দ্বিতীয়তে তত্‌কালীন ভাৱে কৰিবলগীয়া কামৰ ক্ষেত্ৰত আমি দেখিছোঁ বিভিন্ন অঞ্চল সমূহত যিবিলাক ডিপটিউব ওৱেল আছে তাৰ লগত বিজুলী শক্তি জড়িত হৈ আছে। আমাৰ এই খৰাং বতৰত বিজুলী শক্তি ২৪ ঘণ্টাই বিতৰণ কৰাৰ ব্যৱস্থা কৰিব লাগিব।

এই ক্ষেত্ৰত মই এটা কথা কওঁ যে আমি এইটোৰ কাৰণে ইলেট্ৰিচিটী বৰ্ডৰ লগত এটা যোগাযোগ কৰি এটা পৰামৰ্শ দিব লাগে যে সকলো বিলাক খেতিৰ জলসিঞ্চনৰ পাম্পত দিনে নিশাই বিজুলী শক্তি চলাই ৰাখিব লাগে। অন্য ঠাইৰ পৰাও প্ৰয়োজন হলে কাটি আনি ইয়াত বিজুলী শক্তি অব্যাহত ৰখাৰ ব্যৱস্থা কৰিব লাগে।

মোৰ সমষ্টি হল তিতাবৰ। এই অঞ্চল যথেষ্ট খেতি-বাতি হোৱা অঞ্চল। ই ব্ৰহ্মপুত্ৰৰ পৰা ৪৫ কিঃমিঃ দূৰত অৱস্থিত। আৰু ব্ৰহ্মপুত্ৰ যিমানে দূৰত হয় তাৰ উষ্ণতা সিমানে বাঢ়ি যায়। শ্ৰীশৰ্মাই ছিপাঝাৰৰ কথা কৈছে যে ইয়াৰ সমগ্ৰ অঞ্চলটোতে খৰাং পৰিস্থিতিৰ সৃষ্টি হৈছে। এই অঞ্চল বিলাকৰ এখন মেপ তৈয়াৰ অতি সোনকালে কৰা দৰ্কাৰ। অন্ধ্ৰপ্ৰদেশ, বিহাৰ আদিত খৰাং বতৰ হৈ গল। অসমতকৈ অলপ আগতে। এই অঞ্চলবিলাকত কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা যি ফাণ্ড আদি দিব লাগে দিলে। কিন্তু অসমৰ

ক্ষেত্ৰত এটা কথা আছিল যে কম দিনৰ কাৰণেহে বৰষুণ নোহোৱা হয়। আৰু ১৫ দিন মানৰ ভিতৰত বষুৰণ হব বুলি ভবাৰ কাৰণেই একো কৰা নহল। বন বিভাগে গছ-গছনিৰ ওপৰতে এটা ৰেকৰ্ডও উলিয়াইছিল। গীত-মাতৰ ৰেকৰ্ড। বন সংৰক্ষণৰ ওপৰত আজি এখন বিল পুৰা বেলা পাছ হৈ গ'ল। খৰাং বতৰৰ কাৰণে খৰতকীয়াভাৱে ব্যৱস্থা কৰিব লাগিব। ইয়াত আজি কৃষিমন্ত্ৰী আছে, ৰাজহ মন্ত্ৰী আছে, জলসিঞ্চন মন্ত্ৰী আছে আৰু পঞ্চায়ত মন্ত্ৰীও আছে। এই সকলোৱে মিলি এই সমস্যাটোৰ ওপৰত যুদ্ধকালীন ব্যৱস্থা লোৱাৰ সময় আহি পৰিছে। গ্ৰাম্য উন্নয়ন বিভাগত এটা জলসিঞ্চনৰ বেলেগ শিতানেই আছে। এই ক্ষুদ্ৰ জলসিঞ্চন শিতানৰ কাম পৰিকল্পনাৰ মতে কিমান কম সময়ৰ ভিতৰত কৰিব পৰা যায় সেইটো চাব লাগিব। এইটো কৃষি মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। আমাৰ ২৩ টা এচ, আৰ, পি, পি অঞ্চল বুলি ঘোষণা কৰা আছে। এইবিলাকত ট্ৰেক্টৰ আদি আছে নে নাই সেইটো চাব লাগে। কাৰণ পানী আহিলেই হাল বাব লাগিব। অকল নামতহে এই টেকনিকেল বস্তু বিলাক দিয়া আছেনে নে দৰ্কাৰ হলেই কামত লগাব পৰা অৱস্থাত আছে সেইটো চাব লাগিব। গতিকে সেইটো মই মন্ত্ৰী মহোদয়ক সোনকালেই অনুসন্ধান কৰিবলৈ অনুৰোধ কৰিলোঁ।

অধ্যক্ষ মহোদয়, এই এচ-আৰ পি পি অধীনত যি ২৩ টা ব্লকত আজি পাম্পচেট দিয়া হৈছে বুলি কৈছে সেই বোৰে ৰাইজক আজি বেছি 'চাফাৰ' কৰাইছে। আজি আমাৰ হালোৱা সকলৰ অৱস্থা কি হৈছে ? বৰষুণ আহিলেহে তেওঁলোকে হাল লৈ পথাৰলৈ ওলাবলৈ বাট চায় থাকিবলগা হৈছে। এই এচ-আৰ- পি-পি এৰিয়াৰ SRPP area declaration should be abolished if there is no provision of giving agricultural technical inputs. খৰাং পৰিস্থিতিৰ লগত টেকনিকেল ইনপুট জৰিত আছে। আজি এই খৰাং পৰিস্থিতিৰ কাৰণে এ-এচ-ই-বিৰ লগত জৰিত আছে। বিদ্যুত্ বোৰ্ডৰ বিভাগে জোৰ দি ধৰিব লাগে যাতে অন্যান্য অঞ্চলৰ পৰা বিদ্যুত্ কৰ্ত্তন কৰি আনি হলেও কৃষিৰ উন্নতিৰ কাৰণে, পথাৰত পানী যোগানৰ কাৰণে এই বিভাগত অধিক শক্তি যোগান দিয়াৰ ব্যৱস্থা কৰিব লাগে। আনহাতে যিবোৰ পথাৰত জলসিঞ্চনৰ যোগে পানী দিয়াৰ ব্যৱস্থা আছে তাত দেখিব পাম্প সহকাৰী জনে ৮ ঘণ্টা ডিউটি কৰিব। অথচ সেই ৮ ঘণ্টাৰ ভিতৰত যদি

বিজুলী যোগান বন্ধ থাকে—তেনেহলে একো কামেই নহয়, যদি তেওঁৰ ডিউটি শেষ হোৱাৰ পিচত পাৱাৰ লাইন আহে তেন্তে পথাৰত পানী দিবলৈ মানুহ নাই। এই পাম্প সহকাৰী সকলৰ ডিউটি ৰাতিপুৱা ৯ বজাৰ পৰা আবেলী ৪ বজাৰ ঠাইত ২৪ ঘণ্টা কৰা প্ৰয়োজন। দৰকাৰ হলে এজন পাম্প সহকাৰীৰ ঠাইত ৪ জনক নিযুক্তি দিয়ক বা তিনিজনক নিযুক্তি দিয়ক যাতে তেওলোকে ২৪ ঘণ্টা ডিউটিত থাকিব পাৰে আৰু যেতিয়াই পাৱাৰ পায় তেতিয়াই কামত হাত দিব পাৰে।

অধ্যক্ষ মহোদয়, আজিৰ এই খৰাং পৰিস্থিতিৰ পৰা ভবিষ্যতে উদ্ভৱ হব পৰা বিপদৰ প্ৰতি লক্ষ্য ৰাখি অ'ল পাৰ্টি ডেলিগেচন দিল্লীলৈ গৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আন ৰাজ্যক দিয়াৰ দৰে বুজন পৰিমাণৰ আৰ্থিক সাহাৰ্য্যৰ বাবে জোৰ দি ধৰিব লাগে। আমাকো এই খৰাং সাহাৰ্য্য লাগে। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰিছো।

শ্ৰীপ্ৰদীপ হাজৰীকা ঃ মাননীয় অধ্যক্ষ মহোদয়, এবাৰ কথা পাইছিলো —'প্ৰিভেঞ্চন ইজ বেটাৰ ডেন কিউৰ'। আজি ইয়াত বিভিন্ন মাননীয় সদস্য সকলে খৰাং বতৰ সম্পৰ্কীয় যিথিনি সাৰুৱা আলোচনা আগবঢ়ালে, পৰামৰ্শ আগবঢ়ালে—এই বিষয়ত আৰু মোৰ বিশেষ কবলগীয়া নাই। সকলো ব্যৱস্থাই ভাল শুনিছো। অ'ল পাৰ্টি ডেলিগেচন দিল্লীলৈ যাব লাগে। যুদ্ধকালীন ক্ষীপ্ৰতাৰে সকলো কাম সমধা কৰিবলৈ ব্যৱস্থা হাতত লব লাগে। কিন্তু কথা হৈছে খৰাং পৰিস্থিতিৰ উদ্ভৱ হয় কিয় ? এই বেমাৰ ক'ৰ পৰা কেনেকৈ হয়—তাৰ এটা প্ৰপাৰ ডায়গনচিচ হব লাগে। প্ৰপাৰ ডায়গনচিচ হলেহে বেমাৰ ভাল হব ঠিক মতে। টেম্পৰেৰী ৰিলিফ দিলে কি হব ? ৰাইজে মাহ, সৰিয়হ সিচিব ইটো সিটো কৰিব লেঠা শেষ। সেয়ে এই খৰাং বতৰৰ সন্মুখীন হব পৰাকৈ ইয়াৰ এটা স্থায়ী সমধান হব লাগে। এই পৰিস্থিতি সম্পুৰ্ণ কৈ নিৰাময় কৰাৰ বাবে স্থায়ী ব্যৱস্থাৰ বাবে আমাক জগৰীয়া কৰিব নোৱাৰে।

আজি এই প্ৰযুক্তি বিদ্যাৰ যুগত সকলোৱে আঁচনি কৰি কাম কৰিছে। প্লেন চিট বনাইছে। জাপানত ডাঙৰকৈ হৰ্ণ বজাব যাতে নেলাগে তাৰো

ব্যৱস্থা হাতত লৈছে। গছবোৰ যাতে বেছি ওখ হৈ কোনো অসুবিধাৰ সৃষ্টি কৰিব নোৱাৰে তাৰ কাৰণেও তাত ব্যৱস্থা গ্ৰহণ কৰিছে। এইদৰে তেওঁলোকে নেচাৰেল বেলেঞ্চৰ সমতা ৰক্ষা কৰিবলৈ চেষ্টা কৰিছে। আমাৰ এজনে কৈছে যে আমি পানী তলৰ পৰা উলিয়াম। ওপৰৰ পানী যিহেতু শেষ হৈছে। কিন্তু আজি গেলেকীত কি অৱস্থা হৈছে ? তলৰ পৰা তেল উলিয়াই দিয়াৰ পিচত সেই অঞ্চলত আজি কোনো খেতি বাতি নোহোৱা হৈ পৰিল। এই কথাবোৰ এতিয়া আমি ভালদৰে চিন্তা কৰিব লাগে। আমাৰ আগৰ সমাজকৰ্ম্মী সকলে বহুতো ভাল ভাল কাম কৰি গল কিন্তু আমি ইয়াত আহি কি দেখিছো বা পাইছো ? সেয়ে এই কথাবোৰ আমি সুষ্ঠ ভাবে চিন্তা কৰিব লাগে। আগতে অসমত এনেকুৱা এটা অৱস্থা আছিল যে মেটকা ভাঙিলেই আমি ডাঙৰ ডাঙৰ কাৰৈ মাছ পাইছিলো—কিন্তু আজি সেই কাৰৈ মাছ নাই। চাৰিওফালে শুকান ৰঙা মাটি, ফটো তুলিলে আফ্ৰিকাৰ ঠাই যেন লাগে! মই এটা মাত্ৰ যুক্তি ডাঙি ধৰিব বিচাৰিছো যে মাননীয় সদস্য সকলে নিজৰ অঞ্চলৰ সকলোবোৰ কথা বৈজ্ঞানিক দৃষ্টিৰে ভালদৰে চাবলৈ ইয়াত জন্ম হোৱা প্ৰত্যেকজন পুত্ৰকেই বুজাব লাগে। এইটো ধেমালীৰ কথা নহয়। খৰালি পানী দি খেতি কৰিলে কি হব তৎক্ষণাত শুকান হৈ পৰে। এই কাৰণেই আমাৰ অঞ্চলৰ প্ৰাকৃতিক সমতা বজায় ৰাখিবৰ কাৰণে, সকলোৱে নিজ নিজ অঞ্চলৰ সমস্যাৰাজি বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে চালিজাৰি চাই ইয়াত দাঙি ধৰিবলৈ অনুৰোধ জনায় মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীপদ্মনাথ কৈৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি ইয়াত যিখিনি আলোচনা হৈছে তাৰ পিচত আৰু আলোচনাত ভাগ লোৱাৰ কথা নাছিল, কিন্তু মোৰ সমষ্টিৰ দুটামান কথা কম বুলিয়েই ঠিয় হলো। আজি অসমৰ শুকান পৰিস্থিতি সকলোৱে অনুভৱ কৰিছো। এই পৰিস্থিতিৰ বাবে আচলতে আমি কাকো দোষিব নোৱাৰো। কিন্তু নোদোষো বুলিও দায়িত্বত থকা জনক আমি কিছু কথা কব লগা হয় বিভাগীয় ব্যৱস্থা গ্ৰহণৰ বাবে। মোৰ সমষ্টিৰ ঘিলাধাৰী নদীত ৬-৭ টা পাম্প ছেট বহুৱা হৈছে। কিন্তু পানী হলে নাই। এইটো বিভাগীয় বিষয়াৰ হেমাহিৰ কাৰণেই হৈছে বুলি ভাবো।

গতিকেই এই বিভাগ বিলাকত দায়িত্বত থকা মন্ত্ৰী বিধায়ক বিষয়া সকলে

এই ক্ষেত্ৰত বিশেষ ভাবে তদাৰক কৰিব লাগে। মোৰ সমষ্টিৰ বিশ্বনাথ চাৰিয়ালিত দিকৰাই নামৰ এটা জলসিঞ্চন আছে যিটো জলসিঞ্চন মাত্ৰ নামতহে আছে, ইয়াত বা ইয়াৰ পৰা কেনেধৰণে পানী যোগান ধৰা হৈছে সেই বিষয়ে দায়িত্বত থকা লোক সকলে লব লাগে। আগৰে পৰা যদি আমাৰ চৰকাৰে বা সংলিষ্ট বিষয়া সকলে সজাগ হৈ থকা হলে অন্ততঃ কিছু পৰিমানে এই পৰিস্থিতিৰ মেকাবিলা কৰিব পাৰিলেহেতেন। আগৰে পৰা এই দিশত সজাগ হৈ নথকাৰ কাৰণে আজি এনে এটা সমস্যাৰ সন্মুখীন হবলগীয়া হলো। শেষত এটাই উপায় আছে যে কেন্দ্ৰৰ ওচৰত আমি সাহাৰ্য্যৰ কাৰণে অনুৰোধ কৰিব লাগিব। আৰু আমাৰ যি খিনি আছে তাৰে আমি কাম বিলাক সুচাৰুৰূপে কৰিলে কিছু কাম কৰিব পাৰিম। সকলো দলেই একগোট হৈ এই সমস্যাৰ মোকাবিলা হব লাগিব। আজি কিছু দিন আগতে আমাৰ এটা সজাতীদল মাননীয় মন্ত্ৰী চামচিং হানসেৰ নেতৃত্বত কেন্দ্ৰৰ ওচৰলৈ গৈছিল আৰু তেতিয়া কোৰা হৈছিল বানপানীৰ সমস্যাৰ কথা. এতিয়া সকলো দলৰ প্ৰতিনিধিত্বত আকৌ বিধান সভাৰ দল এটা খৰাং বতৰৰ বিষয় লৈ যাব খোজাত মই সমৰ্থন কৰিছো, গতিকেই এতিয়া বা এইবাৰ সজাতী দল দিল্লীলৈ গলে আমাৰ সমস্যাৰ বিষয়ে কেন্দ্ৰক কনভিনস কৰিব পাৰিব লাগিব। এই ক্ষেত্ৰত এতিয়া আমি অলপো পলম নকৰি অতি সোনকালে আমাৰ সজাতী দলটি দিল্লীলৈ গৈ যিমান খিনি সাহাৰ্য্য আনিব পাৰে আনক। এইয়েই মোৰ বক্তব্য।

শ্বেখ আব্দুল হামিদ ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো বিষয়ে বিধান সভাত মাননীয় সদস্য জয়নাল আবেদীন ডাঙৰীয়াই উত্থাপন কৰিছে সেই বিষয়ে উত্থাপন কৰোতে মইয়ো তেখেতৰ লগত তাত চহী কৰিছিলো আৰু বিষয়টোৰ ওপৰত সকলো মাননীয় সদস্যই আলোচনা আগবঢ়োৱাৰ কাৰণে আৰু গুৰুত্ব আৰোপ কৰাৰ কাৰণে আনন্দ পাইছো। মাননীয় সদস্য সকলে বিভিন্ন ঠাইৰ সমস্যাৰ কথা আঙুলিয়াইছে মই মাত্ৰ মোৰ সমষ্টিৰ কেইটামান কথা কৈ সামৰণি মাৰিম। অধ্যক্ষ মহোদয় আপুনি আচৰিত হব যে অসমৰ বুকুত এনে এটা বিধান সভাৰ সমষ্টি আছে যত নেকি মাত্ৰ দুটা টিউব ওৱেল আছে, সেইটো হ'ল ৪৭ নং চেঙা সমষ্টি। এই ক্ষেত্ৰত মই তাত কেৱল পানী দিয়া অৰ্থাৎ খেতিত পানী যোগান ধৰাৰ কথা কোৱা নাই, তাত খোৱা পানী টোপাৰ

অভাৱত মানুহে দুৰ্ভীক্ষত পৰি মৃত্যু বৰণ কৰিব লগীয়া হৈছে। দুৰ্ভীক্ষত মানুহ মৰিছে বা খাবলৈ নাপাই মানুহ মৰিছে বুলি কোনো চৰকাৰেই স্বীকাৰ নকৰে, অৱশ্যে খাবলৈ নাপাই মানুহ নমৰে কিন্তু খোৱা খাদ্যৰ অভাৱত পানীৰ অভাৱত মানুহে যি পায়, কলগছ কচুগছ বেয়া বস্তু যি পাই তাকে খাই গ্ৰহণীত ভুগিব লগীয়া হয়। ফলত মৃত্যু বৰণ কৰিব লগীয়া হয়। হোজাই লামডিংতো দুৰ্ভিক্ষত মানুহ মৰিছে বুলি অভিযোগ তুলিছিল। আজি আমি এই খৰাং বতৰ যুদ্ধ কালিন তৎপৰতাৰে মোকাবিলা কৰিব লাগিব। যদি এই কাৰ্য্য সোনকালে কৰা নহয় তেতিয়াহলে আমাৰ হাজাৰ হাজাৰ মানুহ দুৰ্ভীক্ষত মৰিব লাগিব। চৰকাৰী পক্ষ্য আৰু বিৰোধী পক্ষ্যৰ সকলো সদস্যই একগোট হৈ সক্ষম হব লাগে যাতে যি খিনি বস্তু খৰাং বতৰৰ উপশম কৰিবৰ কাৰণে ৰিলিফ হিচাবে চৰকাৰৰ ফালৰ পৰা যায় বা গ্ৰান্ট বিলাক যায় সেইবিলাক ঠিক মতে ৰাইজে পায় কিয়নো আগতে আমি শুনা-মতে এই যি বিলাক ৰিলিফ বা খাদ্য বস্তু ৰাইজৰ কাৰণে পঠোৱা হৈছিল সেইবিলাক মাজতে কিছুমান কৰাপ্ট মানুহৰ হাতত পৰি আনফালে উধাও হয়। যি সময়ত মানুহে খাবলৈ নাপাই ককবকাই থাকে সেই সময়ত তেওঁলোকলৈ পঠোৱা বস্তু ঠিকাদাৰ ইত্যাদি মানুহৰ পাল্লাত পৰি গাইপ হৈ যায় আৰু সেইবিলাক অধিক দৰত বিক্ৰী হৈ যায়, এইটো কিমান অন্যায়, ট্ৰাকে ট্ৰাকে বস্তু বিলাক আন ঠাইকৈ গুচি যায়। আজি এই নতুন চৰকাৰে যিহেতু দুৰ্নীতি নিৰ্ম্মুল কৰাৰ কাৰণে দৃঢ়প্ৰতিজ্ঞ হৈছে তেনে ক্ষেত্ৰত এই যি ৰিলিফৰ বস্তু বিলাক মাজতে দুৰ্নীতি পৰায়ন মানুহৰ হাতত লুপ্ত হৈ যায়। সেইবিলাক যাতে হব নোৱাৰে তাৰ কাৰণে শাসক দল সজাক হৈ থাকিব লাগে। নহলে জনসাধাৰণৰ এই ৰিলিফৰ দ্বাৰা কোনো উপকাৰ নহব। এইখিনিকে অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ: এতিয়া প্ৰথম কৃষি মন্ত্ৰীয়ে কব তাৰ পাছত অন্যান মন্ত্ৰী সকলে কব।

Dewan Jainal Abedin : Mr. Speaker Sir, I suggested many other things. I would also like to suggest that in the notified drought areas there should be proposal from the side of the Government for remission and exemption of land revenue.

শ্রীজয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, খৰাং বতৰৰ নীতি ঘোষণা কৰিবৰ কাৰণে এখন নটিচ জাৰি কৰিবলৈ জাননী দিছিলো আৰু ইয়াৰ ওপৰত মাননীয় সদস্য সকলে মন্তব্য ৰাখিব আৰু মই ভাবো এই সদনত আমি এটা মত প্ৰকাশ কৰিব লাগে— এ ৰেইচ এগেইনষ্ট ড্ৰট' এই ব্যৱস্থাৰে যুদ্ধকালিন ভাবে ৰাইজক সহায় কৰিব লাগে।

শ্ৰীনীলমণি দাস (কৃষি মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি এই বিতৰ্কত, বিতৰ্ক বুলি কলে ভুল হব, খৰাং বতৰৰ পৰিপ্ৰেক্ষিতত আলোচনাৰ সময়ত সদস্য সকলে অংশ গ্ৰহণ কৰিলে আৰু তেওঁলোকে বিভিন্ন মতামত প্ৰকাশ কৰাৰ কাৰণে ধন্যবাদ জনাইছো। এজন বিধায়কে আলোচনাৰ কালত কৈছে যে চোৰ গলে বুদ্ধি আৰু বৰষুণ গলে জাপি আৰু ইয়াৰ পূৰ্ব্বে কেইদিনমান আগতে আন এটা ফকৰা শুনিছিলো চোৰ কৰিলে ৰাজনীতি আৰু বৰষুণ আনিলে কুটনীতি, এইবিষয়ে সদনতেই উত্থাপিত হৈছে। ইয়াত মোৰ ফাকি দিবলৈ বা কুটনীতি কৰিবলৈ কোনো অভিপ্ৰায় নাই। যিখিনি কৈছে এইখিনি মুক্ত ভাবে প্ৰকাশ কৰিব পাৰো। এই খৰাং পৰিস্থিতিৰ সম্পৰ্কত মাননীয় বিধায়ক সকলৰ পৰা কেবাটাও পৰামৰ্শ আহিছে আৰু সেই পৰামৰ্শ খিনি কাৰ্য্যকৰী কৰাতো অত্যন্ত প্ৰয়োজন বুলি ভাবো। খৰাং বতৰ নীতি হিচাবে ঘোষণা কৰাৰ পাচত যিবিলাক দাবী প্ৰস্তাৱ উত্থাপিত হৈছে বা পৰামৰ্শ আহিছে সেই সম্পৰ্কত মই আন আন সংশিলষ্টৰ বিভাগৰ কথা কব নোৱাৰো কেবল কৃষি বিভাগৰ কথাহে কম। কৃষি বিভাগৰ ফালৰ পৰা ডেৰ মাহ মান আগৰে পৰা এখন পুষ্টিকা প্ৰস্তুত কৰিছিলো আৰু তাত কেনেকৈ খৰাং বতৰৰ পৰিস্থিতি কেনেদৰে ধান উৎপাদনৰ বৃদ্ধি অব্যাহত ৰাখিব পাৰি তাৰ এখন আচঁনি দিয়া হৈছিল আৰু সেই কথা প্ৰকাশ কৰা হৈছিল। হাতত পৰা তথ্য মতে আহু খেতি ৩৬০ হাজাৰ হেক্টৰ মাটি খৰাং পৰিস্থিতিত বাধাগ্ৰস্ত হৈছে' মৰাপাট ৭০ হাজাৰ হেক্টৰ ক্ষতিগ্ৰস্ত হৈছে। আৰু শালি ধান হৈছে ৫ লাখ হেক্টৰ। মে-জুন মাহৰ মাজ ভাগলৈকে ধান সিচিঁব পাৰি কিন্তু সেই ধান খৰাং পৰিস্থিতি উদ্ভব হোৱাৰ কাৰণে সিচিঁব পৰা হোৱা নাই।

এই খৰাং বতৰৰ পৰিপ্ৰেক্ষিতত কেইমাহ মান আগতে কিবা এটা

কৰিবৰ বাবে চৰকাৰী ভাবে চেষ্টা কৰা হৈছিল। মই ইয়াত স্পষ্টকৈ কৈছো। খৰাং পৰিস্থিতিয়ে কৃষিৰ বাধা কৰিছে।

Acute condition prevails in the districts of Dhubri, Kokrajhar Goalpara, Barpeta, Kamrup, Nalbari, Darrang, Nagaon and Cachar. In order to cover as much areas as possible a number of programmes are proposed to be taken up as given belew :

(a) A scheme for raising community nurseries in a total area of 5000 hactares to cater to 50,000 ha. of main field by providing water, seeds. and plant protection materials is submitted. The first item i. e. water is envisaged to be provided under three categories : (1) by diesel pump sets to be provided by Irrigation Deptt. at the rate of Rs. 1000/- ha. to cover 2000 ha. at a total cost of Rs. 20 Lakhs ; (2) by low lift pumps to be provided by A.A.-I.D.C. @ Rs. 2350/- pump in an area of 1000 ha, at a total cost of @ Rs. 23 lakhs ; and (3) by drawal from existing irrigation canals etc., Rs. 150/-ha. for 2000 ha. at the total cost of Rs. 3 lakhs.

কিন্তু মই নিজে যি খিনি ঠাইত গৈছো, দেখিবলৈ পাইছো যে যিখিনিত জলসিঞ্চনৰ নলী আছে, তাৰ বহুত খিনিয়ে অকাৰ্য্যক্ষম অৱস্থাত আছে। এই কথাও সময়ে সময়ে বিভাগীয় মন্ত্ৰীক অবগত কৰি আহিছো। কিন্তু যিহেতু অস্বাভাৱিক ভাবে এই খৰাং পৰিস্থিতি এতিয়াও বাহাল আছে, সেই কাৰণে আমি কৃষিৰ ক্ষেত্ৰত হয়তো এটা সলনি মূলক নিয়ম লব লাগিব। কাৰণ ধান উৎপাদনৰ ক্ষেত্ৰত আমাৰ খেতিয়ক সকল যথেষ্ট বাধাগ্ৰস্ত হৈছে। কৃষিৰ ক্ষেত্ৰত যেতিয়া বোৰ্ড এখন কৰিবলৈ যোৱা হয়, তেতিয়া ৰাস্তাৰ দুয়োকাষৰ পথাৰ বিলাক চামিল হোৱা দেখা নেযায়। তেতিয়া খেতিয়কৰ লগতে মোৰো হিয়া ভাঙি যায়। কিন্তু যেতিয়া সৰহভাগ খেতিয়কে বৰষুণৰ ওপৰত নিৰ্ভৰশীল, সেয়েহে বৰষুণ নোহোৱাকৈ তেওঁলোকে খেতি কৰিবলৈ অপাৰগ। এই ক্ষেত্ৰত এনেকুৱাকৈ খৰাং পৰিস্থিতি চলি থাকিলে কিমান দিনলৈ তেওঁলোকে নিজৰ ভৰালৰ ধান খাই জীয়াই থাকিব ? এইখিনিতে এটা কথা হৈছে যে

কেচুৱাৰ ভোক লাগিলে নিচুকনি গীত গাই ৰাখিব পাৰি । কিন্তু ডাঙৰ মানুহৰ ভোক লাগিলে বাচিবৰ অসুবিধা হৈ পৰে । গতিকে এইবিলাক কথালৈ লক্ষ্য কৰি আমাৰ ৰাজ্যত এই বাৰৰ বাবে কিছু পৰিমাণে বেলেগে এটা কৃষি পদ্ধতি অৱলম্বন কৰাৰ প্ৰয়োজন আছে । আজি মই এই সদনত অবগত কৰিব বিচাৰো যে মাননীয় সদস্যই উত্থাপন কৰাৰ দৰে মাহ জাতীয়, শষ্য, তৈল জাতীয় শষ্য আৰু এনেকুৱা জোৱাৰ খেতিও যাতে কৰিব পাৰি তাৰ বাবে আমি কৃষি বিভাগে চেষ্টা কৰিম । লগতে যিখিনি খেতিয়ক খতিগ্ৰস্ত হ'ল, সেইখিনিৰ উৎপাদনৰ ক্ষতিপূৰণ কৰিব পৰাকৈ যাতে সাৰ, গোবৰ আদি দি উৎপাদন বৃদ্ধি কৰিব পাৰি তাৰ বাবে এখন স্কীয়া আচনি প্ৰস্তুত কৰা হৈছে । ইয়াৰ বাবে ১ কোটি টকা ধাৰ্য্য কৰি দাখিল কৰা হৈছে । কিন্তু দুখৰ বিষয় যে সাহায্য ফাণ্ডত ইমান টকা নাই যাৰ বাবে সেই সকলোখিনি প্ৰস্তুত কৰিব পাৰিম । গতিকে মাননীয় সদস্যই প্ৰস্তাৱ কৰাৰ দৰে ৰেছ এগেইনষ্ট ড্ৰট ৰিলিফ ফাণ্ড প্ৰস্তুত কৰাৰ সময় আহিছে । যেনেকৈ উৰিষ্যাত দুৰ্য্যোগ আহোতে আন আন ৰাজ্যৰ পৰা সাহায্য আহিছিল, অসমতো তেনেকৈ সাহায্য আগবঢ়োৱাৰ সময় আহিছে । এই পৰিপ্ৰেক্ষিতত সদনত মাননীয় বিধায়ক সকলে এটা প্ৰচেষ্টা চলাব লাগে আৰু কেন্দ্ৰীয় চৰকাৰক এই বিষয়ে টানি ধৰি যাতে আকৌ আমি দাবী কৰাৰ দৰে তশ লাখ টকাৰ যি প্ৰস্তাৱ উত্থাপন কৰা হৈছিল সেই প্ৰস্তাৱৰ যাতে সুবিচাৰ কৰা হয় । তাৰ জৰিয়তে খৰাং প্ৰীড়িত ৰাইজক যথেষ্ট পৰিমাণে আমাৰ চৰকাৰৰ ফালৰ পৰা সহায় আগবঢ়াব পাৰে তাৰ বাবে বিহিত ব্যৱস্থা লব লাগে । আজি সদনত তাৰ বাবে সকলো সদস্যই ঐক্যবদ্ধ ভাবে প্ৰচেষ্টা চলায়, যাৰ জৰিয়তে তেওঁলোকে খেতিয়ক সকলক সম্পূৰ্ণ এই সাহায্য দিব পাৰে । এইটোৰ বাবে পৰামৰ্শ আৰু প্ৰস্তাৱ ডাঙি ধৰিবলৈ অনুৰোধ জনাই মই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো ।

SHRI ALTAF HUSSAIN MAZUMDAR : Mr Speaker, Sir, may I seek a clarification ? I appreciate that the Hon. Minister has made a good speech as any other legislators have made, but from his speech I do not find any concrete step as to what is the strategy, how they are going to tackle the serious drought condition, and what sort of approach they are going to take. Uptil

now there is no approach suggested by the Government to tackle this serious problem Some Hon Members have suggested to approach the Central Government for drought relief, but this is not the way to approach the Central Govt. for getting money. The Government must prepare a paper on the prevailing drought condition, the areas affected by it and with what result, then how the State Govt. proposes to tackle the problem of drought, and all these things. This sort of speech will not do. Such a paper should be prepared and then approach the Central Govt. One Union Minister of State visited the State recently, Shri S. M. Deb by name, Union Minister of State for Tourism, and his offices could have been utilised; he could have been approached with the paper by the Govt. but at that time nobody from the Govt. side cooperated with the Union Minister. So Govt. should prepare an approach paper on the problem. Let your Department concerned set a strategy and they should place the paper on how to tackle the problem and that paper should be published, and copy thereof should be sent to us. Then we will definitely take up the matter with the Union Government Sir.

SHRI DEWAN JAINAL ABEDIN : Sir, some Hon. Members have made their speeches on the subject and similary the Hon. Minister has made his speech, but we do not want to hear a speech from the Hon. Minister. We would like to hear from him categorically what steps Government proposes to take. Particularly I would like to refer to the suggestion regarding adopting a Resolution in the House. That sounds very good. A form of Resolution may be considered. But first of all, let it be made categorically clear whether the House is adopting a Resolution here. If it is adopting a resolution, let the Govt. come up with a Resolution. That Resolution should be read out in the House and it should be accepted, Sir.

SHRI BINAI KHUNGUR BASUMATARY : On a point of order Sir, no Resolution can be adopted in the House at this stage Sir.

শ্ৰীপবিন চন্দ্ৰ ডেকা ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য দেৱান জয়নাল আবেদিন ডাঙৰীয়াই ৰাজ্যখনৰ কেইখন মান জিলাৰ খৰাং পৰিস্থিতিৰ বিষয়ে আলোচনা কৰাৰ কাৰণে যি প্ৰস্তাৱ উত্থাপন কৰিছে সেই প্ৰস্তাৱৰ ওপৰত ইতিমধ্যে বহু সময় ধৰি আলোচনা হৈছে। ৰাজ্যখনৰ খৰাং পৰিস্থিতি আৰু ৰাজ্যখনৰ বিভিন্ন ঠাইত খৰাং অঞ্চল হিচাবে ঘোষণা কৰা ইত্যাদি বিষয়ে ৰাজহ মন্ত্ৰী ডাঙৰীয়াই কব। ৰাজ্যখনত দুৰ্ভাগ্যজনক ভাৱে এইবাৰ যিমান পৰিমানে বৰষুণ হব লাগিছিল এইবাৰ নহল। আমাৰ বহু কেইজন মাননীয় সদস্যইও বৰ্ত্তমান পৰিস্থিতিত ৰাজ্যখনৰ জলসিঞ্চন বিভাগৰ ভূমিকা নূন্যতম বুলি সমালোচনা কৰিছে আৰু জলসিঞ্চন বিভাগৰ দ্বাৰা ৰাজ্যখনৰ খৰাং পৰিস্থিতি মোকাবিলা কৰাৰ ক্ষেত্ৰত যি দৰে ভূমিকা লব লাগিছিল সেইদৰে লোৱা নাই বুলি দুখ প্ৰকাশ কৰিছে। এই কথা আমাৰ মাননীয় সদস্য সকলৰ বিদিত যে সমগ্ৰ পৃথিবীৰ ভিতৰতে উত্তৰ পূৰ্বাঞ্চলত সৰ্ব্বাধীক বৰষুণ হয়। আমাৰ ৰাজ্যখনত ৫০ দশকৰ পিচতে খেতিৰ মাটিত জলসিঞ্চনৰ ব্যৱস্থা কৰাৰ বিষয়টো আহে। আনকি ১৯৭৫ চনলৈকে এনে গুৰুত্বপূৰ্ণ বিষয়ো বাননিয়ন্ত্ৰণ আৰু ই এণ্ড ডি বিভাগৰ লগত জড়িত আছিল। গতিকে ১৯৭৪ চনৰ পৰাহে জলসিঞ্চন বিভাগ কৰা হয়। আজি এই খৰাং পৰিস্থিতি হোৱাৰ লগে লগে খেতিৰ মাটিত পানী যোগান ধৰাটো কৃষক ৰাইজে বিচাৰিছে আৰু মাননীয় সদস্য সকলেও বিচাৰিছে। মাননীয় সদস্য সকলে জানে যে সমগ্ৰ ভাৰতবৰ্ষত শতকৰা ৬০ ভাগ খেতিৰ মাটিত হে পানী যোগান ধৰাৰ ব্যৱস্থা আছে। আমাৰ ৰাজ্যখনত ২৭ লাখ হেক্টৰ মাটিৰ ভিতৰত ১৩.১১ ভাগ মাটিত হে পানী যোগান ধৰিব পৰা ব্যৱস্থা এতিয়ালৈকে হৈছে। আমাৰ মাত্ৰ দুটা বৃহৎ আচনি আছে। এই দুটা আজিও সম্পূৰ্ণ হোৱা নাই। ১৮ টা মজলীয়া স্কীম আছে, তাৰে মাত্ৰ ৬ টা মানহে সম্পূৰ্ণ কৰিব পৰা হৈছে। তাৰোপৰিও প্ৰায় ১১ শ মান ক্ষুদ্ৰ জলসিঞ্চন আচনি লোৱা হৈছে। তাৰ ভিতৰত ৬ শ মান আচনি সম্পূৰ্ণ কৰিব পৰা হৈছে। আৰু ক্ষুদ্ৰ জলসিঞ্চন উন্নয়ন নিগম এটা আমাৰ বিভাগৰ আছে। তাৰ জড়িয়তে প্ৰায় ১৩ হেজাৰ 'চেল টিউব ওৱেল ৰাজ্যখনত কাম কৰি আছে। কিন্তু এতিয়া ৰাজ্যখনৰ পৰিস্থিতি এনে ভয়াবহহৈ উঠিছে যে জলসিঞ্চন বিভাগৰ যিখিনি ব্যৱস্থা আছে এই ব্যৱস্থাৰে এই পৰিস্থিতি মোকাবিলা কৰাটো

সম্ভৱ নহয়। তথাপি আমি কাৰ্য্যভাৰ লোৱাৰ পিচত আমাৰ বিভাগীয় বিষয়া বন্ধু সকলক নিৰ্দ্দেশ দিছো যে যি বিলাক জলসিঞ্চন আচনি অৰ্দ্ধ নিৰ্মিত অৱস্থাত আছে সেই বিলাক শতকৰা ১০ ভাগ পানী দিব পৰা অৱস্থা যদি হৈছে তেতিয়াহলে পানী দিয়াৰ ব্যৱস্থা কৰিব লাগে। আৰু যুদ্ধকালীন প্ৰস্তুতীৰে এই বিভাগৰ তৰফৰ পৰা ৫২৮ টা ডিজেল চালিত পাম্প আছে তাৰে বেছি ভাগেই বেয়া অৱস্থাত আছে কাৰণ বহু বছৰৰ পৰা সেই বিলাক বন্ধ কৰি ৰাখিছিল। তাৰ ভিতৰত ২১৯ টা পাম্পেৰে বৰ্ত্তমান ৰাজ্যখনত পানী দিয়া হৈছে। ইয়াৰ ফলত আমাৰ ৰাইজ কিছু পৰিমানে উপকৃত হৈছে। আৰু এই কথা সকলোৱে জানে যে আমাৰ যি বিলাক আচনি আছে সেই বিলাকৰ পৰা জনসাধাৰণে যি ধৰণেৰে বিদ্যুত পাব লাগে তেনে ধৰণেৰে নাপায়। তাৰ বাবে অকল বিদ্যুত বিভাগক দোষাৰোপ কৰাটো সমীচিন নহব। বিদ্যুত বিভাগৰ লগত এই পৰিস্থিতি মোকাবিলা কৰাৰ কাৰণে ইতিমধ্যে কেবালানীও আলোচনা কৰা হৈছে, জলসিঞ্চন আচনি সমূহ যাতে সকলো সময়ে বিদ্যুত দিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। আৰু জলসিঞ্চন আচনি সমূহ যিবোৰ পানী দিব পৰা অৱস্থাত আছে সেইবোৰক পানী দি থাকিবলৈ কোৱা হৈছে। এইবোৰে দিনে ৰাতিয়ে কাম কৰিব পৰাকৈ নিৰ্দ্দেশ দিয়া হৈছে আৰু সেই মতে কাম কৰি আছে। এই ২২১ টা পাম্প চেট উপৰিও ৰাইজেও কিছু সুবিধা কৰি লৈছে আৰু অধিক সাহাৰ্য্য হিচাবে বস্তা বাঁহ আদি যোগান ধৰা হৈছে। এই কথা আমি অনুধাৱন কৰি দেখিছো পৰিস্থিতি ইমান গুৰুত্বপূৰ্ণ যে চৰকাৰে যিখিনি আচনি আছে সেই আচনিৰে প্ৰত্যেক বিলাক জিলাতে কাম কৰাটো সম্ভৱ নহয়। তথাপি যি খিনি সম্ভৱ সেইখিনি কৰাৰ কাৰণে আমি কুপনালী কৰা নাই আৰু যিমানখিনি কৰিব পাৰো সিমানখিনি কৰিবলৈ ব্যৱস্থা হাতত লৈছো। ৫৬৮ টা পাম্পৰ যিখিনিৰ অৱস্থা বেয়া সেইখিনি ভাল কৰিবলৈ তৎকালীন বিবেচনা কৰা হৈছে। দুই এদিনৰ ভিতৰতে কামত আহিব পৰাকৈ ব্যৱস্থা কৰিবলৈ বিভাগীয় বিষয়া সকলক নিৰ্দ্দেশ দিছো। ইতিমধ্যে ৰাজহ বিভাগে ২০ লাখ টকা দিছে আৰু আমাৰ পৰা ১০ লাখ খৰচ কৰি মুঠ ৩০ লাখ টকাৰে কাম চলাবলৈ ব্যৱস্থা কৰা হৈছে। মাননীয় সদস্য বন্ধু সকলে জানে যে বিভাগীয় যি বিলাক টকা ধাৰ্য্য কৰা হৈছে এই টকা

আমি ইচ্ছা কৰিলে বিভাগীয় ভাৱে খৰচ কৰিব নোৱাৰো। সেই কাৰণে আমি ৰাজহ বিভাগৰ পৰা ২০ লাখ লব লগা হৈছে। যদিও আমাৰ টকা আছে এই বিলাক আমি খৰচ কৰিব নোৱাৰো। সেই কাৰণে সাহাৰ্য্যৰ প্ৰয়োজন হৈছে। এই চৰকাৰে এই বিষয়ে একো কৰা নাই বুলি মাননীয় সদস্য সকলে কৈছে। এই কথাটো আচলতে সচা নহয়। যোৱা ৯ জুলাই তাৰিখে প্ৰধান মন্ত্ৰী ইয়ালৈ আহোতে মুখ্য মন্ত্ৰীয়ে তেখেতক আমাৰ অৱস্থাৰ কথা জনাইছিল আৰু স্মাৰক পত্ৰও দিছিল। মই যোৱা ২১ তাৰিখে নতুন দিল্লীৰ এখন সন্মিলনলৈ যাওঁতে মুখ্যমন্ত্ৰী মহোদয়ৰ পৰামৰ্শ অনুসৰি ভাৰতৰ কৃষি মন্ত্ৰীক লগ ধৰি আমাৰ এই পৰিস্থিতিৰ বিষয়ে কৈছো। ৩ কোটি টকা আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিচাৰিছিল। এই বিষয়ে মই উল্লেখ কৰিছো। তেখেতে ইয়ালৈ এটা প্ৰতিনিধীৰ দল পঠিওৱাৰ কথা কৈছে। একো নকৰাৰ কথাটো সত্য নহয় কিন্তু এনে ধৰণৰ পৰিস্থিতিত আমাৰ বিত্তীয় পৰিস্থিতিও সদস্য বন্ধু সকলে জানে। গতিকে এই বিত্তীয় পৰিস্থিতিলৈ চাই আমি যিখিনি কৰিব পাৰো সেইখিনি কৰিবলৈ অকনো কৃপনালী কৰা নাই।

মাননীয় সদস্য সকলে যি খিনি পৰামৰ্শ দিছে আৰু কিছুমান সদস্যাই কিছুমান ঠাইৰ জলসিঞ্চন আচনিৰ কথা কৈছে। মই মাননীয় বন্ধু সকলক যি জটিল পৰিস্থিতিৰ বিষয়ে দৃষ্টি আকৰ্ষণ কৰিছে সেই বিষয়ে কেনে ধৰণেৰে তৎকালীন ব্যৱস্থা লব পৰা হয় তাৰ বাবে আমি চেষ্টা কৰিছো। জলসিঞ্চন বিভাগৰ লগত এই পৰিস্থিতিৰ বিষয়ে মোকাবিলা কৰাৰ কাৰণে যি খিনি কৰিবলগীয়া কাম সেইখিনি আমি কৰিছো আৰু যিখিনি কৰিবলগীয়া আছে সেইখিনি কৰিম বুলি সদনক আশ্বাস দিছো। কিন্তু আমি আজি চাব লাগিব চৰকাৰৰ বিত্তীয় পৰিস্থিতি কেনে আৰু জলসিঞ্চন বিভাগৰ অৱস্থা কেনে সেইটো আমি ভালকৈ চাব লাগিব।

মই মাননীয় সদস্যসকলক এই পৰিস্থিতিৰ বিষয়ে আলোচনা কৰি বিভিন্ন দিহা পৰামৰ্শ দিয়াৰ বাবে ধন্যবাদ জনাইছো। আৰু আশা কৰিছো আমাৰ সকলোৰে যুগ্ম আৰু যৌথ প্ৰচেষ্টাৰে গোটেইখিনি কাম-কাজ নিয়াৰিকৈ চলাব পাৰিম আৰু ৰাজ্যখনত দেখা দিয়া পৰিস্থিতিৰ বিষয়ে ইতিমধ্যে মোকাবিলা কৰি ৰাজ্যখনৰ কৃষি ভিত্তীত অৰ্থনীতিত নাম কৰিব পাৰিম বুলি আশা কৰিছো। ধন্যবাদ।

মাননীয় অধ্যক্ষ :— এতিয়া মাননীয় ৰাজহ মন্ত্ৰীয়ে কব।

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫০ নং নিয়মৰ অধীনত মাননীয় সদস্য শ্ৰীদেৱান জয়নাল আবেদীন ডাঙৰীয়াই উত্থাপন কৰা আলোচনাৰ সন্দৰ্ভত মই সদনক চমুকৈ জনাব খোজো যে এই বছৰৰ মাৰ্চ মাহৰ পৰা জুলাই মাহলৈকে সমগ্ৰ ৰাজ্যক বৰষুণৰ পৰিমাণ ৰৰ কম হৈছে। ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, নগাওঁ দৰং, আৰু কামৰূপ জিলাৰ উত্তৰ অঞ্চলত আৰু শোণিতপুৰ জিলাৰ পশ্চিম অঞ্চলৰ বাদেও অসমৰ বাকী জিলা কেইখনতো বৰষুণ অতি কম হৈছে। বৰষুণ কম হোৱাৰ ফলত আহুধান, কুঁহিয়াৰ, মৰাপাট আদি খেতিৰ বিশেষ ক্ষতি হৈছে। শালিধানৰ কঠিয়াও আৱশ্যক অনুযায়ী সিঁচিব পৰা নাই। এপ্ৰিল মাহৰ পৰা জুন মাহলৈকে হোৱা বৰষুণৰ তুলনামূলক বিৱৰণ এখন চালে এনেকুৱা ধৰণৰ হব। অবিভক্ত হিচাবে গোৱালপাৰা জিলাত ১৯৮৩ চনত ১০৬১ মিলিমিটাৰ, ১৯৮৪ চনত ১৭৫৩ মিলিমিটাৰ, ১৯৮৫ চনত ৯৩১ মিলিমিটাৰ আৰু ১৯৮৬ চনত ৬৭৭ মিলিমিটাৰ। অবিভক্ত কামৰূপ জিলাত ১৯৮৩ চনত ৮৩১ মিলিমিটাৰ, আৰু ১৯৮৪ চনত ৮৮৫ মিলিমিটাৰ, ১৯৮৫ চনত ৬৯৬ মিলিমিটাৰ আৰু ১৯৮৬ চনত ৫৬২ মিলিমিটাৰ। অবিভক্ত দৰং জিলাত ১৯৮৩ চনত ৭৪০ মিলিমিটাৰ, ১৯৮৪ চনত ৬৮৬ মিলিমিটাৰ, ১৯৮৫ চনত ৮৭৭ মিলিমিটাৰ আৰু ১৯৮৬ চনত ৪৮৮ মিলিমিটাৰ। নগাওঁ জিলাত ১৯৮৩ চনত ৩৬৭ মিলিমিটাৰ, ১৯৮৪ চনত ৪৯২ মিলিমিটাৰ, ১৯৮৫ চনত ৪২০ মিলিমিটাৰ, আৰু ১৯৮৬ চনত চনত ৪১৭ মিলিমিটাৰ। অবিভক্ত শিৱসাগৰ জিলাত ১৯৮৩ চনত ৭৯৭ মিলিমিটাৰ, ১৯৮৪ চনত ৯২২ মিলিমিটাৰ, ১৯৮৫ চনত ৯৭৯ মিলিমিটাৰ আৰু ১৯৮৬ চনত ৭৩৭ মিলিমিটাৰ। অবিভক্ত ডিব্ৰুগড় জিলাত ১৯৮৩ চনত ৬৮৫ মিলিমিটাৰ, ১৯৮৪ চনত ৯৮৪ মিলিমিটাৰ, ১৯৮৫ চনত ৯৩৫ মিলিমিটাৰ আৰু ১৯৮৬ চনত ৭৩৮ মিলিমিটাৰ। অবিভক্ত লক্ষীমপুৰ জিলাত ১৯৮৩ চনত ১২৭০ মিলিমিটাৰ, ১৯৮৪ চনত ১১৮৪ মিলিমিটাৰ ১৯৮৫ চনত ১২৪৮ মিলিমিটাৰ আৰু ১৯৮৬ চনৰ তথ্য পোৱা নাই। অবিভক্ত কাছাৰ জিলাত ১৯৮৩ চনত ১৩৫১ মিলিমিটাৰ, ১৯৮৪ চনত ১৪০৩ মিলিমিটাৰ, ১৯৮৫ চনত ১৫০০ মিঃ মিটাৰ আৰু ১৯৮৬ চনত ৭৫৫ মিলিমিটাৰ। উত্তৰ কাছাৰ পাৰ্ব্বত্য জিলাত ১৯৮৩

চনত ৭৯০ মিলিমিটাৰ, ১৯৮৪ চনত ১৮৬ মিলিমিটাৰ আৰু ১৯৮৫-৮৬ চনৰ তথ্য পোৱা নাই। বৰষুণৰ পৰিমাণ অতি কম। কাৰ্বি আংলং জিলাত ১৯৮৩ চনত ৩৭১ মিলিমিটাৰ, ১৯৮৪ চনত ৪৭৯ মিলি মিটাৰ ১৯৮৫ চনত ৫৯৮ মিলিমিটাৰ আৰু ১৯৮৬ চনৰ তথ্য পোৱা নাই। কিন্তু বৰ্ত্তমান ডিব্ৰুগড়, লক্ষিমপুৰ আৰু শিৱসাগৰ জিলাৰ খৰাং বতৰৰ পৰিস্থিতিৰ ভালেখিনি উন্নতি হৈছে। জুলাই মাহৰ মাজ ভাগলৈকে ঠায়ে ঠায়ে বৰষুণ হোৱাৰ বাবে খৰাং বতৰৰ পৰিস্থিতিৰ সাময়িক ভাবে কিছু উন্নতি হৈছিল আৰু খেতিয়ক ৰাইজে কঠিয়া সিঁচাৰ কামো আৰম্ভ কৰিছিল। কিন্তু জুলাই মাহৰ মাজ ভাগৰ পিচৰ পৰা বৰষুণ নোহোৱাৰ ফলত পৰিস্থিতি আৰু অৱনতি ঘটিছে।

অধ্যক্ষ মহোদয়, খেতিয়ক ৰাইজক কঠিয়া যোগান ধৰাৰ বাবে কৃষি বিভাগক ত্ৰিশ লাখ টকা আৰু পথাৰত পানী যোগান ধৰাৰ বাবে জলসিঞ্চন বিভাগক ৰাজহ বিভাগৰ পৰা বিশ লাখ টকাৰ মঞ্জুৰী দিয়া হৈছে। ইয়াৰ উপৰিও উপায়ুক্ত আৰু মহকুমাধিপতি সকলক ১১'৫০ লাখ টকা মঞ্জুৰী দিয়া হৈছে।

অধ্যক্ষ মহোদয়, বৰ্ত্তমান নতুনকৈ কঠিয়া সিঁচাৰ সময় প্ৰায় উকলি গ'ল। এতিয়াও বৰষুণ হলে যথেষ্ট মাটিত শালি খেতি কৰিব পৰা হব। মই নিজেই অহাকালিৰ পৰা খৰাংপীড়িত অঞ্চলসমূহ পৰিভ্ৰমণ কৰাৰ সিদ্ধান্ত কৰিছো। কৃষি বিভাগৰ লগত আলোচনা কৰি ৰবিশষ্যৰ বাবে আঁচনি প্ৰস্তুত কৰাৰ কথাও চিন্তা কৰা হৈছে। জিলা আৰু মহকুমাৰ বিষয়া সকলক খৰাং পৰিস্থিতৰ সন্মূখীন হবলৈ নিৰ্দ্দেশ দিয়া হৈছে। কেন্দ্ৰীয় চৰকাৰকো ৰাজ্যৰ খৰাং পৰিস্থিতিৰ বিষয়ে চৰকাৰ সম্পূৰ্ণ সজাগ আৰু ৰাইজলৈ খৰাং পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত উদ্ভুৱ হোৱা সমস্যাৰ বাবে সকলো প্ৰকাৰৰ সহায় আগবঢ়াব।

অধ্যক্ষ মহোদয়, ইয়াৰ লগতে মই আৰু এষাৰ কথা কব খুজিছো। আমাৰ ৰিলিফৰ বাজেটত প্ৰায় পচিশ লাখ টকা ধৰা হৈছে যদিও এনেকুৱা বিলাকৰ টকা পঞ্চাশ শতাংশ কেন্দ্ৰীয় চৰকাৰৰ পৰা আহে আৰু পঞ্চাশ শতাংশ ষ্টেট গভৰ্ণমেণ্টৰ। আমাৰ বাজেটত তিনি কোটি বাষষ্ঠি লাখ পঞ্চাশ হাজাৰ মুঠ টকা থকাত কেন্দ্ৰীয় সাহায্যৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰায়

তিনিকোটি টকাৰ কাৰণে ধৰিছে আৰু ইয়াৰে পচিশ লাখ টকা পোৱা হৈছে প্ৰধান মন্ত্ৰীৰ সাহায্য পূজিৰ পৰা। ইয়াৰে শোল্ল লাখ তেইশ হাজাৰ খৰচ কৰা হৈছে ৰিলিফৰ কাৰণে আৰু ৰাজহ বিভাগৰ পৰা খৰাং বতৰৰ কাৰণে একষষ্টি লাখ পঞ্চাশ হাজাৰ খৰচ কৰা হৈছে আজিৰ তাৰিখলৈকে। ৰিলিফৰ বহু কেইটা কেটাগুৰিত টকা দিব লাগে। ফ্লাড, ষ্টৰ্ম, ড্ৰট, চাইক্লোন, এপি-ডেমিক, মেজৰ এক্সিডেণ্ট, ফায়াৰ ইত্যাদি বহুত কেটাগুৰি আছে নেচাৰেল কেলামিটিজৰ উপৰিও। ইয়াৰ কাৰণে উপায়ুক্ত আৰু মহকুমাধিপতি সকলৰ হাতত এক দেৰ লাখকৈ টকা দিয়া হৈছে। ইৰ'চন হোৱা বুলি নগাওঁৰ উপায়ূক্তই জনোৱা কাৰণে তিনি লাখ পয়ষষ্টি হাজাৰ দিয়া হৈছে। লক্ষীমপুৰক বানপানী কাৰণে পয়সত্তৰ হাজাৰ দিয়া হৈছে। ইন্ল্যাণ্ড ট্ৰেন্সপোৰ্টক বানপানী হলে ৰাবাৰ বোট আদিৰ কাৰণে একলাখ টকা দিয়া হৈছে। আগতে ওৱেষ্ট বেঙ্গলৰ পৰা অনা হৈছিল। শিক্ষা বিভাগক স্কুলৰ কাৰণে দহ লাখ টকা দিয়া হৈছে। এই বিলাক হিচাব মতে প্ৰায় এক তৃতীয়াশ টকা খৰচ কৰা হৈছে। এই ক্ষেত্ৰত আৰু সামান্য ৰিলিফ দিয়াৰ কাৰণে ৰাজহ বিভাগৰ আছে। সেই ধৰণে সহায় আগবঢ়াব পৰা হব। কিন্তু সম্পূৰ্ণ ধৰণে সহায় আগবঢ়াব পৰা ব্যৱস্থা নাই। অসম খনক খৰাং পীড়িত অঞ্চল বুলি ঘোষণা কৰিবলৈ ৰেভিনিউ মেনুৱেল মতে যিখিনি ব্যৱস্থা লাগে সেইখিনি হোৱা নাই। ড্ৰট লাইক চিটুৱেশ্যন হৈছে কিন্তু সম্পূৰ্ণ ৰিলিফ দিব পৰা ড্ৰট এৰিয়া বুলি ঘোষণা কৰিব পৰা হোৱা নাই। ইয়াৰ কাৰণে উপায়ূক্ত মহকুমাধিপতিৰ পৰা যি ৰিপোৰ্ট আহিব লাগে সেইটো আৱশ্যকীয় অনুসৰি পোৱা নাই। কৃষি আৰু জলসিঞ্চন বিভাগৰ ওপৰত নিৰ্ভৰ কৰি ৰিপৰ্ট পঠাবলগীয়া হোৱা কাৰণে পলম হয়। এতিয়ালৈকে যথাযথ ভাৱে অহা নাই। বৰ্ত্তমান আমাৰ আঁচনিৰ অভাৱ হৈছে। আগতে জৰুৰীকালীন টেষ্ট ৰিলিফ আছিল এতিয়া শুনিবলৈ পাইছো সেইটো যোৱা বছৰৰ পৰা বন্ধ হৈছে। সেই কাৰণে বাজেটত তেনেকুৱা টকা নাই। সেই কাৰণে সেইটো আগবঢ়াব পৰা নাই। আমি ৰাজহ বিভাগৰ পৰা এইটো কব পাৰো ড্ৰট লাইক চিটুৱেশ্যনৰ কাৰণে ৰাজহ বিভাগৰ ৰাজহ সংগ্ৰহ আদি চাচপেণ্ড কৰিব পাৰো। প্ৰয়োজন অনুপাতে ৰেমিশ্যন আদি দিয়াৰ ব্যৱস্থা আমাৰ ৰাজহ বিভাগৰ আছে। মুখ্যমন্ত্ৰী মহোদয় দিল্লীলৈ যোৱাৰ আগতে বাননিয়ন্ত্ৰণ মন্ত্ৰী, গড়কপ্তানী মন্ত্ৰী দিল্লীলৈ যোৱাৰ আগতে

গড়কপ্তানী আৰু যোগান মন্ত্ৰীৰ লগতে কৃষি মন্ত্ৰীকে লৈ আমাৰ লগত আলোচনা কৰি এই অৱস্থা সম্পৰ্কে অবহিত হৈছিলো। তেনেকুৱা পৰিস্থিতিৰ কাৰণে বিভাগীয় উচ্চ বিষয়া সকলৰ লগত আলোচনা কৰি তেখেতসকলৰ পৰা মিনিমাম নীড বেচিচ্ত সাহায্য আগবঢ়োৱাৰ কথা হৈছে। গতিকে মই আশা ৰাখিছো আমাৰ মাননীয় সদস্য সকল বিশেষ সজাগ থাকিব আৰু ৰাইজৰ প্ৰতিনিধি হিচাবে অসমৰ কাৰণে যি কোনো পৰিস্থিতি লগত থাপ খাব পৰাকৈ বিষয়া সকলৰ লগতো যথাযথ ভাৱে আলোচনা আদি কৰি প্ৰতিবেদন আদি তথ্য সহকাৰে পঠিয়াবলৈ ব্যৱস্থা লব। ইয়াৰ দ্বাৰা আমাৰ চৰকাৰে যিমান খিনি সম্ভৱ হয় সহায় কৰিবৰ কাৰণে কুণ্ঠাবোধ নকৰিব। এইখিনিকে ৰাজহ বিভাগৰ পৰা কৈ সামৰিলো। ধন্যবাদ।

Shri Binai Khungur Basumatary : Sir, may I ask the Hon'ble Minister, Revenue Deptt., as to how this estimate of Rs 3 crores has been prepared ? Sir, on what basis it was assessed ? The normal procedure is that we should evaluate what is the total production. what will be the shortage of food and how much crops have been damaged. All these aspects are to be taken into consideration before making any such estimate. How many months people of this State will be short of food and other relief measures should also be taken up along with all these things Sir, I think the demand should be not less than Rs. 10 or 15 crores, considering the magnitude of the problem. So far I remember, Sir, during the terrible flood of 1984, Govt demanded Rs. 60 crores from the Govt. of India. Of course, Sir, I am subject to correction. Therefore, Sir, this amount of Rs. 3 crores is too meagre and it should be raised to at least 10 or 15 crores. This is my submission, Sir. The entire thing should be taken in a systametic way.

Shri Dewan Joynal Abedin : Sir, the Hon'ble Revenue Minister has stated that Test Relief has been discontinued from the last year. Of course, Sir, the Hon'ble Minister knows better since it is a subject of his own department. I would like to suggest the Hon'ble Minister to reintroduce the same if it is discontinued from the last year. This is my submission, Sir.

শ্ৰীচহিদুল ইচলাম : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজহ মন্ত্ৰী মহোদয়ে কৈছে এসপ্তাহৰ ভিতৰত উপায়ুক্ত, উপ-প্ৰতি সমাহৰ্ত্তৰ পৰা ৰিপৰ্ট লৈ তৎকালীন ভাৱে তেখেত সকলে এটা চাৰভে ৰিপৰ্ট দিব। তাৰ পিচত দিল্লীত গৈ তাৰ পৰা টকা অনাৰ ব্যৱস্থা কৰিব লাগে। গতিকে মই ভাবো আগতেই টকা বিচাৰক পিচত চাৰভে ৰিপৰ্টৰ ডিকলাৰেচন দিয়ক।

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এজন মাননীয় সদস্যই সুধিছিল টেষ্ট ৰিলিফৰ কথা। টেষ্ট ৰিলিফ দিয়াটো যোৱা তিনি বছৰৰ পৰা বন্ধ কৰি দিয়া হৈছে।

শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, ৩৮ লাখ বিঘা খেতি মাটি নষ্ট হৈছে আৰু প্ৰতি বিঘা মাটি এই হিচাপ মতে যদি ধৰা হয় প্ৰতি বিঘা মাটিত কমেও ১০ মোন ধান নষ্ট হৈছে। এমোন ধানৰ দাম ১০০ টকা। সেই হিচাবত ৩৮ কোটি টকা লোকচান হৈছে। এতিয়া কথা হৈছে আমি কেন্দ্ৰীয় চৰকাৰক যিমান বিচাৰো তেওঁলোকে তাৰ আধা টকাৰহে সাহাৰ্য্য হিচাবে আমাক দিয়ে। গতিকে আমি ৩ কোটি টকাৰ পৰিবৰ্ত্তে ১০০ কোটি টকা কিয় বিচাৰিব নোৱাৰো। আৰু কৈছে বিষয়া সকলৰ পৰা ৰিপৰ্ট পোৱা নাই। মই ছিপাঝাৰৰ এচ, ডি, চি জনক এই ৰিপৰ্ট দিবৰ বাবে বাৰংবাৰ কৈছিলো যে ক'ত ক'ত খৰাং হৈছে তাৰ এটা ৰিপৰ্ট দিয়ক। কিন্তু আজিলৈকে তেওঁৰ পৰা কোনো ৰিপৰ্ট অহা নাই। ডি, চি য়ে নিজেই কৈছে খেতি নষ্ট হৈছে আৰু খেতি যোৱাৰ পিচত শালি খেতিও কৰিব পৰা নাই। সেয়েহে মই অনুৰোধ কৰিছো যে এই খৰাং বতৰৰ সম্পৰ্কত যিসকল বিষয়াই কাম নকৰি টোপনি মাৰি থাকে সেই সকল বিষয়াৰ ওপৰত শাস্তি দিয়ক, আজিয়েই তাৰ ব্যৱস্থা লওঁক। দেশত খাবলৈ নেপায় মানুহৰ হাহাঁকাৰ হব ধৰিছে আৰু আমাৰ বিষয়া সকলে কাম নকৰিব, এইটো হলে নহব। আজি ৰাজহ বিভাগৰ নিম্ন স্তৰৰ বিষয়া অৱৰ সচিবৰ ওচৰলৈ টকা বিচাৰি গলে কয় আমাৰ টকা নাই। তেওঁ যেন টকা নিজৰ পকেটৰ পৰাহে দিব।

গতিকে এই বিলাক হোৱাৰ বাবে আজি দেশত মানুহে জীবন মৰণৰ অৱস্থাৰ সন্মুখীন হব লগীয়া হৈছে। ৩৮ লাখ টকাৰ শস্য খৰাং বতৰত নষ্ট হৈছে বুলি বিধান সভাত কৈছে। ৩৮ লাখ বিঘা মাটি খেতি হোৱা

নাই। প্ৰতি বিঘাত যদি ১০ হেজাৰ হিচাপ ধৰো তেন্তে বহু কোটি টকা হব। সেই হিচাবে হিচাপ কৰি এটা নতুন এষ্টিমেট কৰি কেন্দ্ৰীয় চৰকাৰক হেঁচা দিব লাগে।

ৰুৰেল ডেভেলাপমেণ্টৰ মন্ত্ৰীয়ে দু-আষাৰ কথা কব লাগিছিল। ডিফুত গ্ৰাম্য উন্নয়ণ বিভাগৰ ৪৫ লাখ টকা সুদ হৈছে। কাম নকৰাকৈ পেলাই থৈছে। এন, আৰ ই, পি আঁচনি মতে কামৰ বিনিময়ত পইচা দিয়াৰ ব্যৱস্থা আছে। গতিকে এন, আৰ, ই, পিৰ কাম আৰম্ভ কৰিব লাগে।

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয় তিনি কোটি টকা আৰম্ভনিতে বিচৰা হৈছিল। এতিয়া এটা এচটিমেট কৰিব লাগিব। ৰাজহ বিভাগে এচটিমেট কৰিব লাগিলে দাতাৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব। কৃষি বিভাগ জলসিঞ্চন বিভাগৰ পৰা এই দাতা আহিব লাগিব। ৰাজহ বিভাগৰ পৰা আমি দাতা বিচাৰিছো যে কেনে ধৰণৰ খৰাং হৈছে। আৰু কিছুমান জিলাৰ পৰা এই দাতা আহিছে আৰু কিছুমানৰ পৰা আহিবলৈ বাকী আছে। এতিয়া কথা হল খৰাং অঞ্চল হিচাবে ঘোষণা কৰাত কিছুমান অসুবিধা আছে। তেতিয়াহলে গোটেই বিলাক ফ্ৰি হৈ যাব আৰু চাৰিওফালে ৰেহাই দিব লাগিব। ফলত উন্নয়ণ মূলক আঁচনি বিলাক ব্যহত হব। গোটেই অসমত খৰাং হোৱা নাই কিন্তু ড্ৰোটলাইক এটা অৱস্থা হৈছে। এই বেচিচত কাম কৰিব পাৰি যে চেণ্টাৰৰ ওচৰত বেচি ফাণ্ডৰ কাৰণে দাবী কৰিব পাৰো। এই ক্ষেত্ৰত মাননীয় সদস্য সকলে সহায় কৰিব বুলি মই ভাবিছো। ৰাজহ বিভাগৰ ফালৰ পৰা কৰিব লগীয়া খিনি নিশ্চয় কৰিম। এতিয়া এটা হল ৰিলিফ বুলি সকলো ৰিভাগে টকা খোজে কিন্তু ৰিলিফৰ বাজেটৰ প্ৰভিজন খুব কম। কৃষি, জলসিঞ্চন বিভাগৰ নিজস্ব পুজি আছে। আঁচনি বিলাক ক্ষীপ্ৰ গতিত কাৰ্য্যকৰি কৰিবলৈ যাওতে ৰিলিফ পাই। ৰাজহৰ টকা নাপালে কাম চলাব পাৰে। কিন্তু ৰাজহ বিভাগৰ টকা নাপালে ৰাস্তা বান্ধিব নোৱাৰে তেনে ধৰণৰ হব নোৱাৰে। বানপানী আহিলে গড়কাপ্তানী বিভাগক বাননিয়ন্ত্ৰন বিভাগক টকা দিব লাগিব। এনেকুৱা অৱস্থা হৈছে। মই আশা ৰাখিছো মাননীয় সদস্য সকলে সময়ে সময়ে দিহা পৰামৰ্শ দিব। চৰকাৰৰ ফালৰ পৰা যাবতীয় ব্যৱস্থা লম। মই জনাত টেষ্ট ৰিলিফ বন্ধ হৈ গৈছে।

Shri Altaf Hussain Mazumdar : Sir, I want to raise one or two points. I have understood from the statement of the hon. Revenue Minister that a drought situation is prevailing in the State. The situation is very serious Government is not declaring it as drought situation on consideration of some technical matters. Only the Government is considering for giving some reliefs to the people. Sir, I am not in a position to agree to this. If the situation demands, if the situation from all considerations is a drought situation, if the hon. Minister for Revenue thinks it to be a drought situation, Government should not hesitate to declare it as a drought. Secondly, this amount of Rs. 3.00 crores even to a layman is not difficult to make. How this figure has been arrived at, I am surprised. Let me take, for instance, one district, i.e. Cachar. In Cachar the rainfall has gone down to 50%, and rupees 1.00 lakh have been given to the district authorities. What the D.C. will do ? I am not blamming the officers. As you want them to run the Government, they are running. So Sir, this budget is also limited. But there is provision for the Government to enforce for spending of money. There is procedure for the Government to follow. Look to the past records. Next thing. about Test relief, money is given by the Revenue Department. At present the Revenue Department has also stopped this test relief. When such an emergency is going on. it is high time that the Revenue Department should start this test relief measures. The Supply Minister is not here now. I am fortunate that the Chief Minister is here. You all know that the purchasing power of the people have gone down to a great extent. The labouring classes cannot purchase their daily needs from the bazars. So Government should consider for free sale of rice. This free sale of rice should be made in order to check the price line. If the situation goes out of control it would not be possible for the Govt. to meet. If it is started right now, the businessmen will not be able to exploit the situation. Go for sale of rice at a subsidised rate in areas wherever necessary.

অধ্যক্ষ ঃ বিধি অনুসৰি উত্তৰ চাৰি মিনিটৰ ভিতৰত বিতৰ্ক শেষ কৰিব লাগিব।

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে যিটো পৰামৰ্শ আগবঢ়াইছে সেইটো চৰকাৰে নিশ্চয় বিবেচনা কৰিব। এতিয়া যোগান বিভাগৰ পৰা চাবচিডাইজড ৰেটত চাউল ডাইল দিছে। যদি প্ৰয়োজন হয় এইটো বিবেচনা কৰিব লাগিব। কিন্তু এইটো কেনেকৈ কৰিব পাৰি নিশ্চয় যোগান বিভাগে চাব লাগিব। কাৰণ সেই সম্পৰ্কৰ দাতা দিলে ৰাজহ বিভাগে পৰীক্ষা কৰি চাব আৰু এই সমস্যাটো মোকামেলা কৰিব লাগিব।

শ্ৰীদেবেশ্বৰ বৰা ঃ বন গাওঁ বিলাকতো খৰাং হৈছে। তাত কেনে ব্যৱস্থা লব ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ মাননীয় সদস্য গৰাকীয়ে ভয় খাইছে নগালেণ্ড আৰু অসমৰ সীমান্ত অঞ্চল দয়াং বনাঞ্চলত ডিফৰেষ্টটেচন কৰা বুলি মৌখিক ভাবে ঘোষণা কৰিছিল। কিন্তু নটিফিকেচন নহল আৰু সেই কাৰণে ৰাজহ বিভাগৰ হাতত কোনো তথ্য পাতি নাই। ৰাজহ বিভাগে কেনেকৈ জৰীপ কৰিব পাৰে বা সাহাৰ্য্য আগবঢ়াব পাৰে সেইটোত অসুবিধা হৈ আছে। তথাপি তাত থকা অসমৰ ৰাইজক সহায় কৰিবৰ কাৰণে ৰাজনৈতিক গৃহ বিভাগে সীমান্ত অঞ্চল হিচাবে চায়। তাত কিছু টকা বন্ধ হৈ আছিল। এতিয়াৰ ডি, চিৰ জিমাত আছে। আৰু ১৪ লাখ টকা মোকলাই দিয়া হৈছে। সেই টকাৰে কামত খটোৱাব পাৰিব বুলি ভাবিছো।

অধ্যক্ষ ঃ এতিয়া ১১ নং কাৰ্য্যসূচী

## MATTER UNDER RULE 49

শ্ৰীদীনবন্ধু চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্ৰক্ৰীয় আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৪৯ নং নিয়ম অনুসৰি তলত উল্লেখ কৰা ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়টোৰ প্ৰতি আলোচনা কৰিবৰ কাৰণে উৎথাপন কৰিলো। বিষয়টো হল ১৯৮৬ চনৰ ৬ আগষ্ট তাৰিখে মাননীয়

মুখ্য মন্ত্ৰীয়ে দিয়া তৰা চিহ্নত প্ৰশ্ন নং ৪৭ৰ প্ৰশ্ন উত্তৰত উদ্ভৱ হোৱা বিষয় সম্পৰ্কত আলোচনা হোৱা প্ৰয়োজন। এই ক্ষেত্ৰত প্ৰশ্ন আছিল ইণ্ডিয়া কাৰ্বন লিমিটেডক যোৱা ১০ বছৰৰ ভিতৰত বিক্ৰি কৰ কিমান ঘূৰাই দিয়া হৈছে, কেতিয়া ঘূৰাই দিয়া হৈছে আৰু কি যুক্তিত ঘূৰাই দিয়া হৈছে। আৰু বিক্ৰি কৰ ঘূৰাই দিয়া সম্পৰ্কত আৰু কিবা প্ৰস্তাব বিবেচনাধীন হৈ আছে নেকি? তাৰ উত্তৰত মুখ্য মন্ত্ৰীয়ে কৈছিল যে ১৯৮০ চনলৈ টকা ঘূৰাই দিয়া হৈছে ১৯৮১ চনৰ পৰা ১৯৮৫ চনলৈ বিক্ৰি কৰ ঘূৰাই দিয়াৰ প্ৰস্তাব বিবেচনাধীন হৈ আছে। আৰু প্ৰশ্ন উত্তৰত কৈছিল যে ল' বিভাগৰ মতলৈ সংশ্লিষ্ট আইনৰ বিধি মতে সেইটো কৰা হৈছে। কিন্তু টকাৰ হিচাবটো দিয়া নহল। অবশ্যে প্ৰশ্নৰ সংলগ্ন বুলি কোৱা হৈছে যদিও আচলতে টকাৰ হিচাবটো নাপালো। কেতিয়া টকা ঘূৰাই দিয়া হৈছিল সেইটো উত্তৰ নোলাল। মই জনাত প্ৰায় ডেৰ কোটি টকা ১৯৮০ চনলৈ ইণ্ডিয়া কাৰ্বনক আদায় কৃত বিক্ৰি কৰ ঘূৰাই দিয়া হৈছিল। ১৯৮১ চনৰ পৰা ১৯৮৪ চনলৈ আৰু ডেৰ কোটি টকা ঘূৰাই দিয়াৰ প্ৰস্তাব বিবেচনা ধীন হৈ আছে। মুঠ প্ৰায় তিনি কোটি টকা। আজি সদনত প্ৰায় ২ ঘণ্টাৰ ওপৰ কাল খৰাং বতৰৰ পৰা উদ্ভৱ হোৱা পৰিস্থিতিৰ যোৱা মাৰিবৰ কাৰণে সৰ্ব্বদলীয় দল ভিক্ষাৰ জোলোঙা লৈ দিল্লীলৈ যাবলৈ ওলাইছে। এনে এটা অবস্থাত এই ফালে ডিচপুৰৰ ৰাজকোষলৈ দিয়া টকা আকৌ ঘূৰাই দিয়াৰ প্ৰস্তুতি চলিছে। টকাতো কম নহয়। ডেৰ কোটি টকা দিয়া হৈছে আৰু ডেৰ কোটি টকা বিবেচনাধীন হৈ আছে। আইনৰ ভিত্তিত দিয়া বুলি কৈছে যেতিয়া আইনৰ দিশটো চমুকৈ পৰ্য্যালোচনা কৰাৰ প্ৰয়োজন আছে।

আইনত ঘোষিত অনুচ্ছেদত আছে সেই বস্তুটো কিনা হব লাগিব আৰু সেই বস্তুটো বিক্ৰি কৰা হব লাগিব। তুবাৰ কৰ চৰকাৰক দিব লাগিব এবাৰ ঘূৰাই দিয়া ব্যৱস্থা আছে। তাৰ কাৰণে এটা বস্তু কিনি সেই বস্তুটো আকৌ চেল কৰিব লাগিব। একেটা বস্তু কিনিব লাগিব আৰু বিক্ৰি কৰিব লাগিব।

Under Section 21(2) of the Assam Sales of Petroleum etc. Taxation Act read with Section 15(B) of the Central Sales Tax Act.

Section 21 (2) of the Assam Sales of Petroleum etc. Taxation Act.

When a tax has been levied under this Act in respect of any goods which are subsequently sold in course of inter-state and the trade or commerce the tax so levied shall be refunded to the dealer in the manner prescribed.

I emphasise any declared goods which are subsequently sold.

Any declared goods which are subsequently sold ........ ... .
15 (b) of the Central Sales Tax Act. ..... ... .... . .... ..

Provisions : Where a tax has been levied under that law in respect of the goods so purchased inside the State of any declared rules and such goods are sold in course of inter-state trade or commerce and the tax has been paid under this Act in respect of the sale of such goods in course of interstate trade or commerce the tax levied on such thing shall be re-imburased when the person making such sale in the course of inter-state-trade or commerce in such a manner and subject to such conditions as may be provided in any law in force in that state.

Any declared rules and such goods are sold in the course of inter-state trade or commerce.

দুইখন আইনৰে দুটা অৱস্থা একে কথাৰে স্পষ্ট ভাৱে ওলাইছে। যি বস্তু কিনিলে সেই বস্তু বিক্ৰী কৰিলেহে ঘূৰাই পাব। এতিয়া, এই টকাটো কিহৰ ভিত্তিত ঘুৰাই দিয়া হব ? ৪১ নং লিষ্টত আছে coal including coke in all its form. ক'ক বোলোতে নিশ্চয় সাধাৰণ এটা ধাৰণা হয় যে এইটো এটা সাধাৰণ ক'ক। পেট্ৰলিয়াম বেলেগ কৰি ধৰা হৈছে এইটো ক'ক ধৰা হৈছে। ফলত it means kind and not form এটা টুকুৰীত লৈ বিক্ৰী কৰাৰ নিচিনা হৈছে। চেল হব লাগিব আৰু subsequently sold হব লাগিব একেলগে পেট্ৰলিয়াম ক'ক কিনি

refund পাব নোৱাৰে। কাৰণ তুবাৰ বিক্ৰী কৰা হোৱা নাই। বেলেগেই বেলেগেই হৈছে।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্যজনে চমু কৰক। এই বিষয়টো ৭.৩২ বজালৈকে চলাব পৰা হব।

শ্ৰীদীনবন্ধু চৌধুৰী ঃ ফলত বস্তু যিটো কিনা হয়, সেই বস্তুটো বিক্ৰী হব লাগিব আৰু যদি তুবাৰ চেলটেক্স দিয়া হৈছে তেতিয়াহলে এবাৰ চেলটেক্স পাব। কিন্তু ইয়াত ইণ্ডিয়া কাৰ্বন আই, অ, চিৰ পৰা পেট্ৰ-লিয়াম ক'ক কিনিছে আৰু subsequent sale কৰা হৈছে। কেলচাইট ক'ক পৰা মাৰবল প্ৰেছ তৈয়াৰ কৰা হয়। গতিকে এইটো বস্তু বেলেগ। গতিকে এইটো কেনেকৈ তুবাৰ ইণ্ডিয়া কাৰ্বন আই, অ চিৰ পেট্ৰলিয়াম কাৰ্বন কেলচাইট কিনি কি ভিত্তিত তুবাৰ চেলটেক্স দেখুৱা হৈছে এইটো ৰহস্য জনক। ইয়াৰ ভিতৰত এটা ৰহস্য আছে বুলি মোৰ ধাৰণা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, এইটো আচলতে criminal breach of trust হয়নে নহয় কব নোৱাৰো। এইটো বিচাৰ্য্য বিষয়। কিন্তু ইয়াৰ ৰহস্য আৰু এটা আছে।

মই কাকো ব্যক্তিগত ভাবে সন্মানত আঘাট নকৰাকৈ এই কথাটো উল্লেখ নকৰি নোৱাৰিলো যে এইটোৰ লগত সম্পৰ্ক জৰিত আছে। ভূত পূৰ্ব মুখ্য মন্ত্ৰীয়ে যেতিয়া ঘোষণা কৰিলে তাৰ পিছত কলিকতাত মিষ্টাৰ হিম্মত চিংকাৰ ইণ্ডিয়ান কাৰ্বন প্ৰজেক্তে তেখেতক কলিকতাত 'হোষ্ট' কৰিছিল আৰু তাৰ পিছত পইচাখিনি ঘুৰাই দিয়াৰ কাৰবাৰ কৰা নহল।

সি যিকি নহওঁক, যিটো বস্তু কিনা হৈছে সেই বস্তু বিক্ৰী কৰিলেহে ঘুৰাই পোৱাৰ ব্যৱস্থা আছে।

Shri Altaf Hossain Mazumder : On a point of order. There are rules by which we should be guided. If any allegation is brought against any member that must be substantiated. On some impression you cannot accuse some one. (interruptions from the Treasury Benches). Let the Government (interruptions)

শ্ৰীদীনবন্ধু চৌধুৰী : ইয়াৰ দ্বাৰা মই কোনো ব্যক্তিৰ বিৰুদ্ধে অভিযোগ অনা নাই, মই এটা উদাহৰণহে দিছো। এই বিষয়টো অন্য এটা বিষয়ৰ লগত জড়িত আছে বুলি মোৰ ধাৰণা আছে। মোৰ পৰামৰ্শ হৈছে যিখিনি টকা এতিয়াও দিয়া হোৱা নাই, সেই খিনি দিব নোৱাৰে, 'যিখিনি টকা ইতিমধ্যে দিয়া হৈছে সেই খিনি ঘূৰাই লোৱাৰ ব্যৱস্থা কৰক।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টো আমি ক্ষমতালৈ অহাৰ পিছত যেতিয়া উদ্ভৱ হৈছে তেতিয়াই পৰ্য্যালোচনা কৰি চোৱা হৈছে। কিছুমান বিভিন্ন অভিযোগ উঠিছে। কিন্তু কাকতে পত্ৰই তেনেকুৱা অভিযোগ আদি দেখা পোৱা নাই। কেচ চলি আছে। সেই সময়ৰ এড্ভাইচৰি বৰ্ডে পৰামৰ্শ দিছিল যে দুটা বস্তু একে আচল বিক্ৰীকৰ ঘূৰাই দিব লাগে আৰু সেইটোৰ ওপৰত নিৰ্ভৰ কৰি তেতিয়াৰ চৰকাৰে সেইটো ঘূৰাই দিছে। কিন্তু এতিয়া আমি বিভিন্ন ধৰণে পৰীক্ষা কৰি দেখা গ'ল যে দুয়োটা বেলেগ ফৰ্মত পাওঁ। সেই কাৰণে আইন সংশোধন কৰাৰ কাৰণে বিধেয়ক এখন হৈছে আৰু ইতিমধ্যে গৃহিতও হৈছে। যিবিলাক আগতে হৈ গ'ল, সেই সম্পৰ্কে আইনে কি কয় চোৱা যাওঁক, কাৰণ আইনৰ বাহিৰত কাম কৰিব নোৱাৰে। আইন বিভাগক ইয়াৰ দায়িত্ব দিয়া হৈছে।

মই আশা কৰো যিহেতু বিধায়ক খন গৃহীত হৈছে সেইহেতু সকলো দলৰ মাননীয় সদস্যই ইয়াৰ প্ৰতি সমৰ্থন দিব।

মাননীয় অধ্যক্ষ : এতিয়া বান নিয়ন্ত্ৰন মন্ত্ৰী শ্ৰীহাঞ্চে ডাঙৰীয়াই বিবৃতি দিব। সৰ্ব্ব ভাৰতীয় দল এটা দিল্লীলৈ গৈছিল সেই বিষয়ে তেখেতে কব।

শ্ৰীচামসিং হাঞ্চে (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় আজি সদনৰ পৰিবেশ ইমান ভাল নহব পাৰে তথাপি আমাৰ অতিতৰ অভিজ্ঞতা লৈ এই বাৰো আন বছৰৰ দৰে ভীষণ বান পানী হব বুলি ভাবি সৰ্ব্ব ভাৰতীয় প্ৰতিনিধি গৈ ভাৰত চৰকাৰৰ পৰা অতিৰিক্ত মঞ্জুৰী আদায় কৰাৰ পৰামৰ্শ দিয়াৰ বাবে প্ৰথম বাৰৰ বাবে আমাৰ এখন বৈঠক বহিছিল আৰু সেই মৰ্ম্মে সৰ্ব্ব ভাৰতীয় দলৰ এটা প্ৰতিনিধি দিল্লীলৈ পঠোৱাৰ ব্যৱস্থা কৰিছো।

আজি সদনত সদস্য সকলৰ আলোচনা কালত মই জনাবলৈ অতি আগ্ৰহি। সেই অনুযায়ী অধ্যক্ষ মহোদয়, সদনৰ এটা বিবৃতি মই পঢ়ি দিছো।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ বান নিয়ন্ত্ৰণৰ বাবে ১৯৭৪-৭৫ চনৰে পৰা অসমে কেন্দ্ৰৰ ঋণ সাহায্য পাই আহিছে। কিন্তু তাৰ পৰিমাণ প্ৰয়োজনৰ জোখেৰে হোৱা নাই। ৭ম পাচ বছৰীয়া পৰিকল্পনাতো এই শিতানত ৭০ কোটি টকাহে ধৰা হৈছে। তাৰে ভিতৰত চলিত বিত্তীয় বছৰৰ বাবে ধৰা হৈছে মাত্ৰ চাৰে ১৩ কোটি টকা। অসমৰ বানপানী আৰু খহনীয়াৰ সমস্যাটোলৈ চালে এই-খিনি ধন তেনেই নগন্য ধৰণৰ। সেয়ে সমস্যাৰ জটিলতা আৰু অধিক ধনৰ প্ৰয়োজন সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰক সম্যক ভাবে অবহিত কৰিবলৈ যৎপৰো-নাস্তি যত্ন কৰা হৈছে।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ বান নিয়ন্ত্ৰণৰ বাবে পুঁজিৰ অনুৰোধেৰে যোৱা ২২ এপ্ৰিলত বান নিয়ন্ত্ৰণ মন্ত্ৰীয়ে কেন্দ্ৰীয় জলসম্পদ বিভাগৰ মন্ত্ৰী আৰু উচ্চ বিষয়া বৰ্গক লগ ধৰে। কেন্দ্ৰীয় জল আয়োগৰ চেয়াৰমেনক লগ ধৰোতে মুকালমুৱা, মৰিয়াহোলা, ওকলেণ্ড, নাগাঘুলি, ফকিৰগঞ্জ, বালিকুছি আদিৰ খহনীয়া প্ৰতিৰোধ আঁচনিত কেন্দ্ৰৰ বিশেষ সহোযোগৰ কথা জানিব পৰা যায়। আৰু আঁচনি সমূহ পৰিকল্পনা আয়োগৰ ওচৰত দাখিল কৰা হব বুলিও জনায়।

৭ ম পৰিকল্পনাৰ সময় ছোৱাত অতিৰিক্ত ধনৰ প্ৰয়োজনৰ বিষয়টো জল-সম্পদ মন্ত্ৰীৰ ওচৰত বিশেষভাবে ডাঙি ধৰা হয়। তেওঁক স্পষ্টকৈ জনোৱা হয় যে চলিত বছৰৰ বাবে ধাৰ্য্য কৰা চাৰে ১৩ কোটি টকাও নিচেই কম কিয়নো ইয়াৰে ৫ কোটি টকা কেৱল পলাশবাৰী গুমী আঁচনিতে খৰচ হব। কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে কেন্দ্ৰৰ বিত্তীয় মন্ত্ৰী সীমাবদ্ধতাৰ কথা উল্লেখ কৰে আৰু ৰাজ্য চৰকাৰে বান নিয়ন্ত্ৰণৰ বাবে কৰ লগোৱাৰ কথা উনুকিয়ায়। তেওঁক জনোৱা হয় যে ৰাজ্যৰ দুখীয়া খেতিয়ক আৰু জনজাতীয় ৰাইজৰ পৰা এনে কৰ বিচৰাটো অযুক্তিকৰ কথা হব।

পৰিকল্পনা আয়োগৰ উপ সভাপতিয়েও পৰিকল্পনাৰ আবণ্টন প্ৰক্ৰিয়া

পুনৰ বিবেচনা কৰাটো সম্ভৱ নহব বুলি মন্তব্য কৰে। তেওঁ অৱশ্যে কয় যে ৰাজ্যিক পৰিকল্পনাৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাৰ বান নিয়ন্ত্ৰণৰ বাবে অতিৰিক্ত ধন যোগাব পাৰিলে তাত আয়োগে আপত্তি নকৰে। কিন্তু ৰাজ্যিক পৰিকল্পনাৰ পৰা এনে অতিৰিক্ত ধন পোৱাই নাযাব।

এনে অৱস্থাত কেন্দ্ৰীয় চৰকাৰক পুনৰ অনুৰোধ কৰাৰ সিদ্ধান্ত হয় আৰু বিধান সভা আলোচনাৰ মৰ্মে সদনৰ এটা সৰ্বদলীয় প্ৰতিনিধি দলত বিধায়ক শ্ৰীদুৰ্গা দাস বড়ো, শ্ৰীজয়নাথ শৰ্মা, ডা কমলা কলিতা, শ্ৰীদেবকুমাৰ বৰা, শ্ৰীঅকন চন্দ্ৰ ৰাভা, শ্ৰীবলভদ্ৰ তামুলী, শ্ৰীঅমৃতলাল বসুমতাৰী, শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী, শ্ৰীচিলবিউচ কণ্ডপান্দ, শ্ৰীএ এফ গোলাম ওচমানী আৰু শ্ৰীদেৱান জয়নাল আবেদিনৰ লগতে বান নিয়ন্ত্ৰণ মন্ত্ৰী আৰু দুগৰাকী সংসদী সদস্য শ্ৰীপৰাগধৰ চলিহা, আৰু শ্ৰীদীনেশ চন্দ্ৰ গোস্বামীও আছিল। প্ৰতিনিধি দলে ১০ জুলাই তাৰিখে কেন্দ্ৰীয় জলসম্পদ মন্ত্ৰীক সাক্ষাৎ কৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ বানপানীৰ সমস্যাৰ স্থায়ী সমধানৰ বাবে অতিৰিক্ত সাহায্য আৰু সোৱনশিৰী আৰু দিহাং প্ৰকল্পৰ জৰুৰী ৰূপায়ণৰ বাবে অনুৰোধ কৰে। মন্ত্ৰী গৰাকীয়ে জনায় যে ৭ম পৰিকল্পনাৰ বাবে ধৰা মুঠ ১৫০ কোটি টকাৰ ভিতৰত, ১০৫ কোটি টকাই ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাবে ধাৰ্য্য কৰা হৈছে। তাৰ ভিতৰত অৱশ্যে ব্ৰহ্মপুত্ৰ বৰ্ডৰ বাবে ধৰা ৩৫ কোটি টকাও আছে। এনে ক্ষেত্ৰত আৰু অধিক ধন যতনাই দিয়াটো কেন্দ্ৰৰ বাবে সম্ভৱ নহব বুলি তেওঁ কয়।

প্ৰতিনিধি দলৰ কেইবা গৰাকীও সদস্যই জনজাতীয় আৰু পিছপৰা অঞ্চলৰ বান পানীৰ সমস্যাৰ কথা উল্লেখ কৰে আৰু মাজুলি. আজানপীৰৰ দৰগাহ আদিও আক্ৰান্ত হোৱাৰ কথা উনুকিয়াই। এই সন্দৰ্ভত মন্ত্ৰী গৰাকীয়ে জল-আয়োগৰ লগত আলোচনা কৰি জনজাতীয় উপ-পৰিকল্পনা যুগোতোৱাৰ ইঙ্গিত দিয়ে। জল সম্পদ সচিবালয়ৰ পৰাও এই ক্ষেত্ৰত সকলো ধৰণৰ সাহায্যৰ আশ্বাস পোৱা হয়। পৰিকল্পনা আয়োগৰ উপ-সভাপতিয়েও জনায় যে বিভাগীয় মন্ত্ৰীৰ পৰা প্ৰস্তাৱ পালে চাবে এঘাৰ কোটি টকা যতনাই দিয়াটো সিমান টান নহব।

এই আলোচনাৰ আঁত ধৰি কেন্দ্ৰীয় জল সম্পদ মন্ত্ৰী আৰু পৰিকল্পনা

আয়োগৰ উপ-সভাপতিৰ লগত বলিষ্ঠ যোগাযোগ ৰখা হৈছে। বান নিয়ন্ত্ৰণ বিভাগেও ক্ষিপ্ৰতাৰে প্ৰস্তাবিত জনজাতীয় উপ পৰিকল্পনাখন যুগুতাই আছে আৰু স্বাধীনতা দিবসৰ আগতেই এই উপ পৰিকল্পনা কেন্দ্ৰৰ ওচৰত দাখিল কৰা হব।

ইয়াতে উল্লেখ কৰিব পাৰি যে কেন্দ্ৰীয় মন্ত্ৰী মহোদয়ে অতীতৰ কীৰ্ত্তিচিন সমূহ খহনীয়াৰ পৰা ৰক্ষা কৰিবৰ বাবেও বেলেগ প্ৰকল্প দাখিল কৰিবলৈ উপদেশ দিছে। এই সম্পৰ্কত মাজুলিৰ সত্ৰ, দিখৌমুখৰ পীঠ আৰু আজান পীৰৰ দৰ্গাহ ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ পৰা ৰক্ষা কৰাৰ কথা আলোচিত হৈছিল।

## Announcement from the Chair

### ঘোষণা

মাননীয় অধ্যক্ষঃ— চৰকাৰী হিচাব সমিটিৰ নিৰ্ব্বাচনৰ ফলাফল মই এতিয়া ঘোষণা কৰিম। নিৰ্ব্বাচনৰ বাবে মুঠ ৯ জন প্ৰতিদ্বন্দী আছিল। নিম্নলিখিত সদস্য ৩ জন নিৰ্ব্বাচনৰ পিচত নিৰ্ব্বাচিত বুলি ঘোষণা কৰা হল।

১। শ্ৰীদুৰ্গাদাস বড়ো

২। শ্ৰীগুনীন হাজৰিকা

৩। শ্ৰীগনেশ কুটুম

নিৰ্ব্বাচিত সদস্য সকলে সমিতিৰ বাকী থকা কাৰ্য্যকালৰ বাবে কৰ্ম চলাব।

### ঘোষণা

প্ৰাককলন সমিতিৰ খালী হোৱা দুজন সদস্য নিৰ্ব্বাচনৰ ফলাফল মই ঘোষণা কৰিম। নিৰ্বাচনৰ বাবে মুঠ ৭ (সাত) জন প্ৰতিদ্বন্দী আছিল। নিম্ন লিখিত সদস্য দুজনক নিৰ্বাচিত বুলি ঘোষণা কৰা হল।

১। শ্ৰীগনেশ কুটুম

২। শ্ৰীকমলা কলিতা

আৰু বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ২৯৮ নংৰ (১) নংৰ উপ নিয়ম অনুসাৰে শ্ৰীদীনবন্ধু চৌধুৰীক মই প্ৰাককলন সমিতিৰ সভাপতি হিচাবে নিযুক্তি দিলো।

নৱ নিৰ্ব্বাচিত সদস্য সকলে সমিতিৰ বাকী থকা কাৰ্য্যকালৰ বাবে কাৰ্য্য নিৰ্বাহ কৰিব।

ঘোষণা

ৰাজহুৱা উদ্যোগ সমূহৰ সমিতিৰ নিৰ্ব্বাচনৰ ফলাফল মই ঘোষণা কৰিম। নিৰ্বাচনৰ বাবে মুঠ ৭ জন প্ৰতিদন্দী আছিল। নিম্নলিখিত সদস্য তিনিজনক নিৰ্ব্বাচনৰ পিচত নিৰ্বাচিত বুলি ঘোষণা কৰা হল।

১। কুমাৰ দীপক দাস

২। শ্ৰীদেবেশ্বৰ বৰা

৩। শ্ৰীগনেশ কুটুম

আৰু অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ১৯৮ নং নিয়মৰ (১) নং উপনিয়ম অনুসৰি কুমাৰ দীপক দাসক মই উক্ত সমিতিৰ সভাপতি হিচাবে নিযুক্তি দিলো।

নৱ নিৰ্ব্বাচিত সদস্য সকলে সমিতিৰ বাকী থকা কাৰ্য্যকালৰ বাবে কাৰ্য্য চলাব।

ঘোষণা

অসম বিধান সভাৰ অনুসূচীত জাতি আৰু জনজাতি কল্যাণ সমিতিৰ নিৰ্বাচনৰ ফলাফল মই ঘোষণা কৰিম। প্ৰাৰ্থীৰ সংখ্যা আৰু সমিতিৰ নিৰ্ব্বাচন হব লগা সদস্যৰ সংখ্যা একে সমান হোৱা হেতুকে শ্ৰীমতি দাসক উক্ত সমিতিলৈ সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত বুলি ঘোষণা কৰা হ'ল।

নৱ নিৰ্ব্বাচিত সদস্যজনে সমিতিৰ বাকী থকা কাৰ্য্যকালৰ বাবে কাৰ্য্য নিৰ্বাহ কৰিব।

ঘোষণা

ইয়াৰ দ্বাৰাই মই ঘোষণা কৰো যে, অধীনস্থ বিধায়কৰ সমিতিৰ সদস্য শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী আৰু শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা যথাক্ৰমে মন্ত্ৰী আৰু ৰাজ্যিক মন্ত্ৰী হিচাবে নিযুক্তি পোৱাৰ পিচত অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ২৫১ নং নিয়মৰ অধীনত সমিতিৰ সদস্য পদ ৰহিত হোৱা হেতুকে, সমিতিৰ খালি স্থান পূৰণ কৰিবলৈ, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ১৯৪ (৩) নং নিয়ম অনুসৰি বিধায়ক শ্ৰীদেবেশ্বৰ বৰা আৰু বিধায়ক শ্ৰীকমলা কলিতাক মই অধীনস্থ বিধায়নৰ সমিতিৰ সদস্য ৰূপে মনোনীত কৰিলো।

এই নৱ মনোনীত সদস্য কেই গৰাকীয়ে সমিতিৰ বাকী থকা কাৰ্য্যকালৰ বাবে কাৰ্য্য নিৰ্ব্বাহ কৰিব।

ঘোষণা

সদন সমিতিৰ মাননীয় সদস্য শ্ৰীউৎপল দত্ত ৰাজ্যিক মন্ত্ৰী হিচাবে নিযুক্তি পোৱাৰ পিচত তেখেতৰ ঠাইত মাননীয় সদস্য শ্ৰীভবেন নাৰ্জিক সদন সমিতিৰ সদস্যৰূপে মনোনীত কৰা হ'ল।

সমিতিৰ বাকী থকা কাৰ্য্যকালৰ বাবে মাননীয় সদস্য গৰাকীয়ে কাৰ্য্য নিৰ্বাহ কৰিব।

Mr. Speaker : On 4.8.86, the Hon'ble Leader of the Opposition Shri Golok Rajbangshi tabled a notice of breach of Privilege against the Hon'ble Law Minister Shri Surendra Nath Medhi as follows :

"That the Law Minister, Shri Surendra Nath Medhi by publishing an article on 24th July, 1986 in the daily News paper, 'The Assam Tribune', with the caption 'Is the Assam Tenancy Act, 1971, a Social legislation' has degraded the position of the House through certain comments and observation he has made in the said

article, has betrayed the trust as custodian and defender of the said law, has misused his position in discharging his duties as Minister and thereby has committed a breach of privilege as a member of the said House".

In his article, Hon. Law Minister has made some academic observations on certain provisions of Assam Tenancy Act of 1971 in the light of opinion received from the people by him as a public leader. He has narrated the historical background of the Assam Tenancy Act of 1971 giving reference to the Assam Temporarily Settled District Tenancy Act of 1935 which was enacted in accordance with the Government of India's 1935 Act. Through a comparative analysis he discussed the provisions of acquisition of the tenanted lands by the tenant. According to him— "such provision ex-facie appears to be confiscatory in nature. "The Hon. Law Minister has also made a reference to the Assam Fixation of Land Holding Act 1956 as amended up to date. Here, he has mentioned that— "a person is entitled to possess 50 bighas of land plus 4 bighas as orchard, total being 54 bighas at all places including all towns excepting the city of Guwahati." Thereafter the Hon. Law Minister has indicated in the article that— "The provisions of Chapter VI of the present Act are going to frustrate the provisions of the Ceiling Act. Thus, the State Legislature by one hand has allowed a person to possess 54 bighas of land as full owner under the Ceiling Act and by the other hand it is taking away such right of ownership and possession by introducing the Tenancy Act of 1971. The provisions of one Act are in direct conflict with the other. So, it is extremely necessary to reconcile and for that purpose the provisions of the Tenancy Act, more particularly those under Chapter VI thereof, have to be amended and/or deleted,"

I am of the view that whatever has been stated by the Hon'ble Law Minister is nothing but about the provisons made in the

concerned Acts. He is of the opinion that while the Assam Fixation of Ceiling on Land Holdings Act. 1956 has conferred rights to an indivdual to possess 54 bighas of land in total. the Tenancy Act of 1971 has empowered the raiyat to acquire the ownership of the land possessed by him for a period of 3 years on payment of 50 times the annual rate of land revenue payable for such land Thereafter, the Hon. Law Minister has referred to the Constitution (Forty Seventh) Amendment Act, 1984 the present Tenancy Act of 1971 and the Amendment Act of 1974, whereby some provisions of the original Act have been amended, have been included in the Ninth Schedule to the Constitution of India against Entry Nos. 189 and 190. Thus, the said two Acts have been placed under the protective umbrella of the Ninth Schedule to the Constitution and are beyond the pale of challenge in the Court of law. A plain reading of the Constitution (Forty Seventh) Amendment Act, 1984 will show that the various Acts pertaining to land reforms and ceiling on agricultural land holdings had been included in the Ninth Schedule to the Constitution as a Social Legislations so that the provisions of these Acts cannot be challenged in a Court of law. I, therefore, do not find any other ground not to treat the Acts in Ninth Schedule as Social Legislation. Because the Acts included in the Ninth Schedule are definitely meant for the upliftment of the down trodden people from political, economic and Social bondage. His observation regarding ignoring the interest of the proprietors or land holders is his own and he is quite free to express his opinion. As a matter of fact Article 19(1) of the Constitution of India guarantees to a citizen of India freedom of speech and expression and a member of the House cannot be denied such fundamental rights. The Hon. Law Minister has also made a reference to the Civil Rule 125 of 1985 Asom Pattadar Sanghat which has been pending disposal by the High Court and it has no relation

with the breach of privilege motion. The Hon. Law Minister has also made reference about the matter examined by the State Law Commission and he has observed as follows— "on a consideration of the general protest raised by the proprietors land-holders and settlement holders of lands in the State of Assam against the Act in general and Chapter VI thereof in particular, the Assam State Law Commission has taken up the matter for consideration as to whether it will be adviseable that the State Legislature should amend the Act by deleting the entire Chapter VI from the Statute Book. "I find that Hon Law Minister has used a few expressions such as "confiscatory nature "and also attributed to the State Legislature that the Legislature by one hand has allowed a person to possess 54 Bighas of land as full owner under the Fixation of Land Holding Ceiling Act and by the other hand it is taking away such right of ownership and possession by introducing the Tenancy Act, 1871. Use of such expression and reference to the Legislature and its alleged role are not happily worded and it would have been better if such expressions were not used. However, the article ended with an appeal to the people to express their opinion whether the Assam Tenancy Act, 1971 is a social Legislation promoting agrarian reform.

However, it must be admitted that the Hon. Law Minister has given an assurance to the general public through the press that the present Government would take necessary action if recommended by the State Law Commission. This appears to be an assurance on behalf of the Government given by the Hon. Law Minister outside the House when there was no such occasion for giving such assurance. A Law Minister is a member of the Council of Minister and it is expected that when something is assured to the public having relation to the Government policy, it becomes a policy matter and it would have been more appropriate atleast from the point of view of propriety if the Hon. Minister would

have made such a policy statement on the floor of the Assembly before making the same outside the House.

In a system of parliamentary democracy under which we are working, it is inevitable and perhaps it is to be expected that there will be criticism of Government, their policies and their actions. In fact this right to criticise, this right to draw attention to any defects in the Governmental machinery or in their policy or in their administration, is one of the important principles underlying the working of parliamentary democracy. I may also add that it is easy to recognise cases where there may be honest differences of opinion in regard to policy on the one hand and on the other hand, where any criticism is said to be based on facts, such criticism must state facts as they exist. In the present case Hon. Minister of Law has expressed his views and opinion about the provisions of two Acts according to his own way of understanding the various provisions of the Act as they exist. Let us remember that the whole controversy arose as a wide issue in the course of examining the various aspects of the two Acts.

I am. therefore of the opinion that the impugned article read as a whole does not constitute a breach of privilege or contempt of the House. I thing the apprehension of the Hon. Leader of the Oppisition seem to have arisen out of a posssible misunderstanding of the interpretation given by the Hon. Law Minister. After going through the article carefully it appears to me that article as a whole has not ridiculed the Legislators or the House as a whole. Since there is no prima facie case of breach of privilege, I regret my inability to refer the matter to the Committee of Privileges.

Now, the House stands adjourned sine -die.

The House rose at 7.47 P. M. and stood adjourned sine-die.

DISPUR :
The 13th August, 1986.

DR. P. N. HAZARIKA
Secretary.
Assam Legislative Assembly

# ERRATA

| কাৰ্য্যবিৱৰণীৰ তাৰিখ | ছপাহৈছে | পৃষ্ঠা | ছপা হব লাগে |
|---|---|---|---|
| 13·8-86 | fores | 5 | forest |
| | শাস্তিৰ | 9 | শান্তিৰ |
| | Pepulated | 10 | Populated |
| | Passage | 12 | Passes |
| | দুষ্কাৰ্ম | 24 | দুস্কৰ্ম |
| | গাহিৰ | 25 | গাহৰি |
| | বিষেশ | 31 | বিশেষ |
| | মধ্যমতে | 32 | মাধ্যমতে |
| | বাধাপ্ৰমাণ | 43 | বাধাপ্ৰদান |
| | শ্ৰীগুনিণ | 85 | শ্ৰীগুনীন |
| | সমিটি | 117 | সমিতি |